SONARI COLLEGE LIBRARY
Estd. 1970
Date........

# সোণালী

## সোণাৰি মহাবিদ্যালয় আলোচনী

২০১৭-২০১৮ বৰ্ষ



সম্পাদক

বাবুল তেলী

# সম্পাদনা সমিতি



ড° বিমল চন্দ্ৰ গগৈ
সভাপতি



ড° ৰঘুনাথ কাগয়ুং
উপদেষ্টা



বাবুল তেলী
সম্পাদক



আৰিফ হুছেইন
সদস্য



প্ৰতীক্ষা বকল
সদস্যা



ইন্দুৰাণী বৰুৱা
সদস্যা

# উচৰ্গা



**গণেশ চন্দ্ৰ বৰুৱা**
জন্ম ঃ ০১/০১/১৯৫৬
মৃত্যু ঃ ২৬/০৬/২০১৮



**বিমল লাহন**
জন্ম ঃ ০১/০১/১৯৭২
মৃত্যু ঃ ১৫/১১/২০১৮

সোণাৰি মহাবিদ্যালয়ৰ
ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক
প্ৰয়াত গণেশ চন্দ্ৰ বৰুৱা আৰু
কৰ্মচাৰী বিমল লাহনলৈ পৰম শ্ৰদ্ধাৰে
৩০ সংখ্যক বাৰ্ষিক আলোচনী
সোণালী
উচৰ্গা কৰা হ'ল।

## কৃতজ্ঞতা

‘সোণালী’ৰ ৩০তম সংখ্যাটি প্ৰকাশৰ ক্ষেত্ৰত অনুপ্ৰাণিত কৰা মাননীয় অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ, উপাধ্যক্ষ শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱা, উপদেষ্টা ড° ৰঘুনাথ কাগ্‌য়ুং, সমূহ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী আৰু শুভেচ্ছা পত্ৰ প্ৰেৰণ কৰি আমাক উৎসাহিত কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয় উন্নয়ণ পৰিষদৰ সঞ্চালক মহোদয়, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক মাননীয় শ্ৰীযুত পদুম ৰাজখোৱা, চৰাইদেউ জিলাৰ উপায়ুক্ত শ্ৰীযুত বিবেকানন্দ ফুকন আৰু সোণাৰি সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ গড়কাপ্তানি আৰু বিদ্যুৎ মন্ত্ৰী মাননীয় শ্ৰীযুত তপন কুমাৰ ডাঙৰীয়ালৈ।

সম্পাদনা সমিতি

## শুভেচ্ছা বাণী


Rupam Saikia, Ph. D.
Director
College Development Council

DIBRUGARH UNIVERSITY
DIBRUGARH • PIN – 786 004 • ASSAM
Phone : 0373-2370562 (O)
Fax : 0373-2370768 & 2370323
E-mail : cdcduniversity@gmail.com


No. DU/DCDC/18/Misc/Message/SC/ 10,452 Date : 24.12.2018

### MESSAGE

*It is heartening to learn that, the* ***Sonari College, Dist: Charaideo****, a premier centre of higher education in Upper Assam is planning to publish a Megazine, which is expected to document its rich liberal intellectuals values and perceptions in search of cultural inclusivity and meaningful commitments. The Megazine will definitely play a dynamic to hone creativity and cultivate untrammelled institutional passions for nourishing a vibrant intellectual movement in the campus and also for infusing academic professionalism amongst the stake holders.*

*I extend my best wishes to the college fraternity for grand success on their efforts.*

(R. Saikia) 24/12/2018.
Director
College Development Council
Dibrugarh University

Director
College Development Council
Dibrugarh University

## শুভেচ্ছা বাণী

**বিবেকানন্দ ফুকন,অ:অ:সে:,**
উপায়ুক্ত,
চৰাইদেউ (অসম).

উপায়ুক্তৰ কাৰ্য্যালয়,
চৰাইদেউ জিলা, (অসম)
ফোন :-০৩৭৭২-২৫৬৫৬৭ (কা)
ভ্ৰাম্যভাষ :- ৯৪৩৫৫-৯১৩৪৬
ই-মেইল:- dccharaideo@gmail.com

### শুভেচ্ছাবাণী

*প্ৰতি বছৰৰ দৰে এই বছৰো চৰাইদেউ জিলাৰ সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "সোণালী" (২০১৭-১৮ বৰ্ষ) প্ৰকাশৰ দিহা কৰিছে বুলি জানিব পাৰি নথৈ আনন্দিত হলো । মহাবিদ্যালয়খনিৰ বাৰ্ষিক আলোচনীখনে সোণাৰি অঞ্চলৰ নৱ-প্ৰজন্মৰ বৌদ্ধিক চেতনা বিকাশ সাধনত উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে । প্ৰতি বছৰৰ দৰে এই বৰ্ষৰ সংখ্যাটিও নৱ-প্ৰজন্মৰ জ্ঞানসমৃদ্ধ লেখনিৰে চহকী হ'ব বুলি মই আশাবাদী ।*

*শেষত, সোণাৰি মহাবিদ্যালয়ৰ সমুহ শিক্ষাৰ্থীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি মুখপাত্ৰখনিৰ সফলতা কামনা কৰি শুভেচ্ছা জনালোঁ ।*

*তাৰিখ:- ১৭ ডিচেম্বৰ, ২০১৮ ।*

*(বিবেকানন্দ ফুকন)*
*উপায়ুক্ত,*
*চৰাইদেউ জিলা ।*
উপায়ুক্ত
চৰাইদেউ

## শুভেচ্ছা বাণী

**অসম সাহিত্য সভা**
১৮৬০ চনৰ ২১নং আইন অনুসৰি ১৯২৪ চনত পঞ্জীকৃত আৰু ২০১৫ খ্ৰীষ্টাব্দত নবীকৃত
পঞ্জীয়ন নং - যো১/২৩৮/জি/১৪
কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট - ৭৮৫০০১ ▸ (০৩৭৬)২৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতী প্ৰসাদবৰুৱা ভৱন, গুৱাহাটী- ৭৮১০০১ ▸ (০৩৬১)২৫১৫৮৩০
Website:www.asamsahityasabha.org ■ E-mail-asam.sahitya.sabha@gmail.com



### শুভেচ্ছা বাণী

চৰাইদেউ জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী' প্ৰকাশৰ কথা জানিব পাৰি পৰম আহ্লাদিত হৈছোঁ। মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ বৌদ্ধিক প্ৰতিভা বিকাশত বিদ্যালয়-মহাবিদ্যালয়ৰ আলোচনীয়েই বিশেষ ভূমিকা পালন কৰে। ইয়াক ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য সাধনাৰ প্ৰথম আধাৰ আখ্যা দিব পাৰি। সোণাৰি মহাবিদ্যালয়ৰ আলোচনীয়ে সেই মহৎকৰ্ম সম্পাদন কৰিব বুলি মই পৰম আশাবাদী।

বৰ্তমান সময় অসমীয়া ভাষা আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰে গঠিত বৃহত্তৰ অসমীয়া জাতিৰ বাবে গভীৰ সংকটৰ সময়। এইখিনি সময়ত বিভেদকামী শক্তিসমূহৰ সকলো ষড়যন্ত্ৰ প্ৰতিৰোধ কৰি সকলোৱে ঐক্যবদ্ধ হৈ থাকিব লাগিব আৰু ভাষা-জাতিৰ শত্ৰুৰ বিৰুদ্ধে একেলগে যুঁজ দিব লাগিব। ২০২১ চনৰ লোকপিয়লত যাতে অসমীয়া ভাষীৰ সংখ্যা দুঃখজনকভাৱে হ্ৰাস নাপায়, তাৰ বাবে এতিয়াই সকলো প্ৰকাৰৰ প্ৰযত্ন কৰিব লাগিব। ভাষা আৰু জাতিটোক ৰক্ষা কৰিবলৈ ৰূপকোঁৱৰ-অসম কেশৰী আদিৰ দৰে বৰ্তমানৰ লেখক-শিল্পীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। এসময়ৰ মহান ছাত্ৰ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আদিৰ দৰে দেশ আৰু জাতিক ভালপোৱা বৰ্তমানৰ যুৱ-প্ৰজন্ময়ো অসম জননীৰ হিতৰ হকে কাম কৰিব লাগিব। অন্যথা দেশৰ দুৰ্দিনৰ অৱসান কেতিয়াও নহ'ব। সেয়ে সকলোকে মাতৃভূমি আৰু মাতৃভাষাৰ হকে পৰাখিনি কৰি যাবলৈ শ্ৰদ্ধাৰে অনুৰোধ জনাইছোঁ।

শেষত, বাৰ্ষিক আলোচনী 'সোণালী' সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ হওক, সেয়া কামনা কৰিছোঁ। লগতে মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি আশা কৰিছোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

**২৫ ডিচেম্বৰ, ২০১৮ খ্ৰীষ্টাব্দ**
**নগাঁও**

**পদুম ৰাজখোৱা**
**প্ৰধান সম্পাদক**
**অসম সাহিত্য সভা**

## শুভেচ্ছা বাণী

**Topon Kumar Gogoi**
**Minister of State**
Power (Ind), PWD (MoS)
Government of Assam

Assam Secretariat
Block-D, 1st Floor,
Dispur, Guwahati-781006,
Tel cum Fax. : 0361-2237093
e-mail : toponkumargogoi@gmail.com

দিনাংকঃ ২৪ ডিচেম্বৰ, ২০১৮
দিছপুৰ, গুৱাহাটী



### শুভেচ্ছা বাণী

ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "সোণালী"ৰ (২০১৭-১৮ বৰ্ষ) সংখ্যক প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলোৱা বুলি জানিবলৈ পাই মই অত্যন্ত সুখী হৈছো।

মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক সত্বাৰ মুক্ত বিচৰণৰ বাবে মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন নিত্যান্ত ই প্ৰয়োজনীয়। মই ভাৱো ভৱিষ্যতৰ প্ৰতিভাশালী লেখক-লেখিকা সকলৰ বাবে ই হল এক উৰ্বৰ ভূমি। সেয়েহে আলোচনীখনত প্ৰকাশিত লিখনি সমূহ উচ্চমান সম্পন্ন আৰু সৃজনীমূলক হব আৰু পাঠক সমাজৰ পৰা সমাদৰ বুটলিবলৈ সক্ষম হব বুলি মোৰ বিশ্বাস।

আলোচনীখনৰ সফল প্ৰকাশৰ কামনা কৰি মহাবিদ্যালয়খনৰ গৰিমা বৰ্তাই ৰখাৰ বাবে অধ্যক্ষ সম্বন্বিতে সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(তপন কুমাৰ গগৈ)

## অধ্যক্ষৰ একলম



আৰম্ভণিৰে পৰা সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী'য়ে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক প্ৰতিভাৰ প্ৰকাশ আৰু বিকাশৰ বাবে সুবৰ্ণ সুযোগ প্ৰদান কৰি আহিছে। জীৱনক সফল কৰি তুলিবলৈ হ'লে বিদ্যাৰ্থীসকলে নিজৰ গাত থকা সুপ্ত প্ৰতিভাসমূহ বিকশিত কৰি তুলিবই লাগিব। শৈক্ষিক, সাংস্কৃতিক, সাহিত্য বিষয়ক, খেলা-ধূলা আদি সকলো দিশতে নিজক আগবঢ়াই নিবলৈ চেষ্টা কৰাটো অতিকে প্ৰয়োজন।

বৰ্তমানৰ উচ্চ শিক্ষাত নতুন নতুন পদ্ধতি সংযোজিত কৰি শিক্ষাৰ গুণগত মান উন্নত কৰিবলৈ চেষ্টা কৰা হৈছে। পূৰ্বৰ বছেৰেকীয়া পদ্ধতি সলনি কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ে যাণ্মাসিক পদ্ধতি (Semester System)ৰ প্ৰৱৰ্তন কৰিলে। আকৌ ২০১৯-২০ বৰ্ষৰ পৰা Choice Based Credit System প্ৰৱৰ্তন কৰিবলৈ সিদ্ধান্ত কৰিছে। ভাৰতবৰ্ষৰ অন্যান্য বিশ্ববিদ্যালয়ৰ লগত সমানে আগবাঢ়িবৰ বাবে এই ব্যৱস্থাৰ প্ৰৱৰ্তন কৰাটো আৱশ্যক হৈ পৰিছে। পাঠ্যক্ৰমৰ সাল-সলনি কৰা হৈছে। U.G.C. তথা মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ৰ ফালৰপৰাও নিতৌ নতুন নিৰ্দেশনা দি শিক্ষাৰ মান উন্নয়নৰ চেষ্টা কৰিছে। এই ক্ষেত্ৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে নিজকে এনে পৰিৱৰ্তিত পাঠ্যক্ৰমৰ বাবে প্ৰস্তুত কৰিব লাগিব আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে সহযোগিতা আগবঢ়াব লাগিব। CBCS পাঠ্যক্ৰমত Online Course আদিৰো ব্যৱস্থা কৰা হৈছে। অৱশ্যে মহাবিদ্যালয়সমূহত আৱশ্যকীয় শিক্ষক-কৰ্মচাৰীৰ অভাৱে আমাক বৰকৈ জুৰুলা কৰিছে। Computer Skill বিষয় Semester System আৰম্ভ কৰোঁতেই পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰা হৈছিল কিন্তু সেই বিষয়ৰ বাবে কোনো শিক্ষকৰ মকৰল কৰা নহ'ল। ই আমাৰ বাবে দুঃখৰ কথা।

যোৱা তিনিটা বছৰত Digital India, Cashless Campus, Digital Classroom, Digital Library আদি ধাৰণাবোৰ আমাৰ মহাবিদ্যালয়বোৰত প্ৰৱেশ কৰিলে। শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, সকলোৱেই Digital হ'বলৈ চেষ্টা কৰিলে। কিয়নো এইয়া হৈছে যুগৰ আহ্বান। Wi-Fi আৰু CCTV সকলো মহাবিদ্যালয়ত সংযোগ কৰাটো বাধ্যতামূলক কৰা হ'ল। Online Admission, Online Form Fill up আদিৰ প্ৰৱৰ্তন কৰা হ'ল। প্ৰথম অৱস্থাত ছাত্ৰ-ছাত্ৰীসকল অসুবিধাত পৰিছিল যদিও লাহে লাহে অভ্যস্ত হ'ব ধৰিছে। তথাপি কিছুমান ছাত্ৰ-ছাত্ৰীয়ে এই গোটেইবোৰ সুবিধা গ্ৰহণ কৰিব পৰা নাই। গতিকে, সকলো ছাত্ৰ-ছাত্ৰীয়ে Digital Systemৰ সুবিধা গ্ৰহণ কৰি নিজকে যুগৰ পৰিৱৰ্তনৰ লগত খাপ-খুৱাই লোৱা উচিত। নিজৰ FaceBook update কৰিব জনা আজিৰ ছাত্ৰ-ছাত্ৰীসকলে ATM, Net Banking, Online Course, Internet আদি ব্যৱহাৰ কৰি নিজকে Updated Student হিচাপে প্ৰতিষ্ঠা কৰাৰ সময় আহি পৰিছে।

শেষত এই সংখ্যাৰ 'সোণালী'খন সময়মতে প্ৰকাশ কৰি উলিয়াবলৈ সক্ষম হোৱাৰ বাবে আলোচনী শাখাৰ সম্পাদক, শিক্ষক উপদেষ্টাৰ লগতে ইয়াৰ সৈতে জড়িত সদাশয় সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিলো। 'সোণালী'ৰ সোণসেৰীয়া যাত্ৰা অব্যাহত থাকক। তাৰেই আশাৰে অধ্যক্ষৰ একলম সামৰিছো। জয়তু সোণাৰি মহাবিদ্যালয়।

(বিমল চন্দ্ৰ গগৈ)
অধ্যক্ষ, সোণাৰি মহাবিদ্যালয়

# উপাধ্যক্ষৰ একলম

"বিদ্যা নাম নৰস্য ৰূপমধিকং প্ৰসন্নগুপ্তং ধনম্।
বিদ্যা ভোগকাৰী যশঃসুখকাৰী বিদ্য গুৰুণাংগুৰুঃ।।
বিদ্যা বন্ধুজনো বিদেশগমনে বিদ্যা পৰং দৈৱতং।
বিদ্যা ৰাজসুপুজিতা ন তু ধনং বিদ্যাবিহীনত পত্ৰঃ।।"



(বিদ্যা মানুহৰ শ্ৰেষ্ঠ অলঙ্কাৰ, সুৰক্ষিতভাৱে ৰখা গুপ্তধন। বিদ্যা ভোগৰ কাৰণ আৰু সুখৰ কাৰণ। বিদ্যা গুৰুৰো গুৰু, বিদেশ ভ্ৰমণত বিদ্যা বন্ধুৰ দৰে। বিদ্যাই শ্ৰেষ্ঠ দেৱতা। বিদ্যাই ৰজাৰ ওচৰতো সন্মান পায়, ধন-সোণে নাপায়। বিদ্যাহীনজন পশুতুল্য)

শিক্ষানুষ্ঠান হ'ল জ্ঞানৰ মন্দিৰ য'ত জ্ঞানৰ অমৃত পান কৰিবলৈ বিভিন্ন পৰিৱেশৰপৰা অহা বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ সমাৱেশ ঘটে। বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলে এটা উন্নত পৰিকাঠামোৰ মাজত জ্ঞান অৰ্জনৰ সুযোগ লাভ কৰিছে। শিক্ষানুষ্ঠানৰ সংখ্যা যথেষ্ট বৃদ্ধি হৈছে। চৰকাৰে দুখীয়া শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া নাম ভৰ্ত্তি, পাঠ্যপুথিৰ ব্যৱস্থা কৰিছে। তথ্য প্ৰযুক্তিৰ সম্প্ৰসাৰণ এনেদৰে হ'ব লাগিছে যে মহাবিদ্যালয়সমূহত কম্পিউটাৰ, ইণ্টাৰনেট, ডিজিটেল ক্লাচৰুম, ডিজিটেল লাইব্ৰেৰী, আদিৰ প্ৰয়োগ ঘটিছে।

উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দেশত বিশ্ববিদ্যালয়সমূহে মহাবিদ্যালয়সমূহত স্নাতক পৰ্যায়ত যাণ্মাসিক (Semester) পদ্ধতিৰ প্ৰয়োগ ঘটায়। এই পদ্ধতিত প্ৰতি ৬ মাহৰ বাবে একো একোটা নিৰ্দিষ্ট পাঠ্যক্ৰম ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰিব লাগে। এটা যাণ্মাসিকত ২টা আন্তঃযাণ্মাসিক পৰীক্ষা, চেমিনাৰ, গৃহ প্ৰদত্ত কৰ্ম আদিৰ উপৰিও যাণ্মাসিকৰ শেষত পৰীক্ষা পতা হয়। অহা ২০১৯-২০ শিক্ষাবৰ্ষৰপৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয়সমূহত CBCS (Choice Based Credit System)ৰ আধাৰত শিক্ষা প্ৰদান কৰা হ'ব। এই ব্যৱস্থাত শিক্ষক, ছাত্ৰ-ছাত্ৰী উভয়ৰে দায়িত্ব বৃদ্ধি পাব।

বাস্তৱক্ষেত্ৰত দেখা যায় যে এটা যাণ্মাসিকত শ্ৰেণীকোঠাত পাঠ গ্ৰহণ আৰু পাঠ প্ৰদানৰ বাবে ৫৫-৬৫ দিনহে থাকে। আনহাতে এই কম সময়ৰ ভিতৰতে ছাত্ৰ-ছাত্ৰীয়ে ভাল নম্বৰ লাভ কৰিব লাগিব। কাৰণ, স্নাতকোত্তৰ পৰ্যায়ত নাম ভৰ্ত্তিৰ বাবে বিশ্ববিদ্যালয়সমূহত সীমিত আসনৰ বাবে স্নাতক পৰ্যায়ত ভাল নম্বৰ লাভ কৰাটো প্ৰয়োজন। এনে পটভূমিত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ দায়িত্ব তথা কৰ্তব্যৰ প্ৰতি সদা সচেতন হোৱা প্ৰয়োজন।

দীৰ্ঘদিন শিক্ষকতা বৃত্তিৰ লগত জড়িত থাকি আৰু শেহতীয়াকৈ পৰিচালনাৰ দায়িত্ব লোৱাৰ পিছত কিছু অভিজ্ঞতা লাভ কৰিবলৈ সক্ষম হৈছো। এই অভিজ্ঞতাৰে ক'ব পাৰো যে, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ইতিবাচক প্ৰৱণতাতকৈ নেতিবাচক প্ৰৱণতা অধিক বিদ্যমান হ'ব ধৰিছে। ই নৱপ্ৰজন্মৰ বাবে শুভ লক্ষণ নহয়। ধাৰণা হয়, বহু ছাত্ৰ-ছাত্ৰীয়ে পিতৃ-মাতৃৰ হেঁচাত পৰিহে যেন মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিছে। নিজকে প্ৰকৃত শিক্ষাৰে শিক্ষিত কৰি এজন সুনাগৰিক হোৱাৰ লগতে ভৱিষ্যত কৰ্মসংস্থাপনৰ সুযোগ গ্ৰহণ কৰি নিজৰ লগতে ঘৰখন তথা সমাজৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে নিজকে সক্ষম কৰি তোলাৰ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীৰ মাজত সামগ্ৰীকভাৱে মূল্যবোধৰ অৱক্ষয় ঘটিব ধৰিছে। ইয়াৰ কাৰণ ঘাই শিপা ডালত কেৰোণ লাগিছে। ছাত্ৰ-ছাত্ৰীসকল অমায়িক, শৃঙ্খলাবদ্ধ, শালীনতা গুণ সমৃদ্ধ, নিয়মানুবৰ্তিতা গুণ সমৃদ্ধ, পৰিশ্ৰমী, উদ্যোগী হোৱা বাঞ্চনীয়। কেতিয়াবা ভাৱ হয়, সমাজখন কোন দিশে গতি কৰিছে। মহাবিদ্যালয়লৈ আহোতে ছাত্ৰ-ছাত্ৰীয়ে দামী স্মাৰ্টফোন, দামী স্কুটী, বাইক লৈ আহে। (অথচ দৰিদ্ৰ সীমাৰেখাৰ তলত বাবে বিনামূলীয়া নামভৰ্তি হৈছে)। ৰাস্তাত দুৰন্ত গতিত বাইক চালনা, কোনো ট্ৰেফিক নীতি নিয়ম নমনা এনে এচাম ছাত্ৰ-ছাত্ৰীয়ে সামগ্ৰীক পৰিৱেশ বিনষ্ট কৰিছে। পিতৃ-মাতৃয়ে এনে সন্তানক সঠিক দিশলৈ আনিব পৰা নাই; তেনে ক্ষেত্ৰত শিক্ষকসকলে সঠিক পথলৈ অনাটো কিদৰে সম্ভৱ হ'ব?

ম'বাইল ফোনত ব্যস্ত ছাত্ৰ-ছাত্ৰীসকলে তাক উপযুক্ত প্ৰয়োগ কৰিছেনে? বৰ্তমান ইণ্টাৰনেট সুলভ হৈ পৰিল য'ত জ্ঞানৰ ভাণ্ডাৰ সোমাই আছে। তাৰপৰা জ্ঞান আয়ত্ব কৰি নিজক পুষ্ট কৰাহে প্ৰয়োজন। শিক্ষকৰ শ্ৰেণীকোঠাৰ পাঠদান আয়ত্ব কৰাৰ বিপৰীতে সস্তীয়া মডেল কিতাপৰ ওপৰত ভৰসা কৰি পৰীক্ষা দিয়াৰ মানসিকতা বহু ছাত্ৰ-ছাত্ৰীৰ আছে। কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে গোটখা, শিখৰ আদি নোখোৱাকৈ থাকিব নোৱাৰে। এনে দ্ৰব্য সেৱন কৰি, স্মাৰ্টফোনৰ ব্যৱহাৰ কৰি, বাইক, স্কুটীত বহি, অশালীন ভাষা ব্যৱহাৰ কৰি আড্ডা দি থকা ছাত্ৰ-ছাত্ৰীক দেখিলে সুৰুচীসম্পন্ন আন ব্যক্তিসকলৰ বিৰাগ জন্মে। নিৰ্দ্ধাৰিত ইউনিফৰ্ম পৰিধান কৰি মহাবিদ্যালয়লৈ অহাতো যেন বহুতৰ বাবে আত্মমৰ্যাদা লাঘৱ হোৱা, স্বাধীনতা খৰ্ব হোৱাৰ দৰে।

এনে নেতিবাচক দিশৰ মাজতো এচাম ছাত্ৰ-ছাত্ৰীৰ ইতিবাচক ধ্যান ধাৰণাই মনলৈ কিছু আশাৰ সঞ্চাৰ ঘটায়। এতিয়াও মাছ-পাচলিৰ বেপাৰ কৰি মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি থকা ছাত্ৰ লগ পাওঁ। অমায়িক কথা-বতৰা, চাল-চলনত শালীনতা থকা, ডাঙৰক সন্মান কৰিব জনা ছাত্ৰ-ছাত্ৰীক দেখিলে মন পুলকিত হৈ যায়। নজনাক জনাৰ আগ্ৰহ তেওঁলোকৰ মাজত আছে। আন বহুতৰ মাজত তেওঁলোক ব্যতিক্ৰম।

আমাৰ মহাবিদ্যালয়ত এনে বহু ব্যতিক্ৰমী তথা ইতিবাচক চিন্তাৰ ছাত্ৰ-ছাত্ৰী লগ পাওঁ। মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল যেন কিছু পৃথক। নিজৰ পঢ়া শুনাৰ লগতে সুন্দৰ আচাৰ ব্যৱহাৰৰ মাজেদি তেওঁলোকে সৰল নেতৃত্ব প্ৰদানৰ প্ৰয়াস কৰিছে। ছাত্ৰ- একতা সভাৰ আলোচনী বিভাগে ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশত ইন্ধন যোগাই আহিছে। তেওঁলোকৰ এই প্ৰচেষ্টা সাৰ্থক হওঁক।

সদৌ শেষত, ভৱিষ্যতৰ সপোন ছাত্ৰ সমাজ সঠিক দিশেৰে আগবাঢ়ক তাৰ কামনা কৰিলো। পথভ্ৰষ্টসকলে আত্মসমালোচনা কৰি নিজকে শুদ্ধ পথলৈ আনিব পাৰিলে নিজৰ লগতে দহৰ কল্যাণ হ'ব। সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী'ৰ সৌষ্ঠৱ বৃদ্ধি হওঁক। 'সোণালী'ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।


দিলীপ ৰঞ্জন বৰুৱা
উপাধ্যক্ষ
সোণাৰি মহাবিদ্যালয়

# উপদেষ্টাৰ বিশেষ সাহিত্য-চিন্তা

## ৰহস্যবাদৰ স্বৰূপ

ড° ৰঘুনাথ কাগয়ুং





ৰহস্য হ'ল জ্ঞান আৰু বোধৰ অতীত। জ্ঞান আৰু বুদ্ধিয়ে যিবোৰ ঢুকি নাপায় - একাৰ্থত ইয়ে ৰহস্য। এনে প্ৰেক্ষাপটৰ পৰা ৰহস্যক এক আৱৰণ বুলিব পৰা যায় - যিয়ে ঢাকি ৰাখে কোনো বিষয়, কোনো চিন্তা আৰু কোনো ধাৰণাক। এগৰাকী নাৰীৰ ঢাকি থোৱা ওৰণিৰ তলৰ মুখমণ্ডল সম্পৰ্কে আমি নিশ্চিত কিন্তু মুখমণ্ডলটোনো কেনে গঢ়ৰ বা কেনে ৰঙৰ সেয়া আমাৰ জনাৰ অতীত। সেয়ে, যি বিষয়ৰ অস্তিত্ব সম্পৰ্কে আমি নিশ্চিত - কিন্তু আমাৰ জ্ঞান আৰু বোধেৰে যিটো বিষয় কেতিয়াও চিনি পোৱা নাযায় - আমাৰ বাবে সিয়ে ৰহস্য।

ঈশ্বৰেই ৰহস্যৰ কেন্দ্ৰস্থ বিষয় বা কেন্দ্ৰবিন্দু। ঈশ্বৰৰ মংগলাচৰণ ওঁ - কাৰৰ পৰা আৰম্ভ কৰা হয়।

কঠোপনিষদত আছে-

> সৰ্বে বেদাঃ যৎ পদমামনন্তি
> তপাংসি সৰ্বানি চ যৎ বদন্তি।
> যদিচ্ছন্তো ব্ৰহ্মাচৰ্য্যম্ চৰন্তি
> তৎ তে পদম সংগ্ৰহেন ব্ৰৱীমি।।
> ওঁ ইত্যেতত্।।

[অৰ্থাৎ, সকলো বেদে যাক আমনন কৰে, তপস্বীসকলেও তপেৰে যাক ধ্যান কৰে, যাক পাবৰ বাবে অখণ্ড ব্ৰহ্মচৰ্য্য পালন কৰা হয় - সেই পদৰ বিষয়ে তোমাক (নচিকেতা) সংক্ষেপতে কওঁ; সেয়াই হ'ল ওঁ-কাৰ।]

ওঁ-কাৰত চাৰে তিনি মাত্ৰা আছে। তিনি মাত্ৰাই তিনিবিধ বস্তুৰ তিনিটা ডাইমেনচন(Dimension) বুজায়; সেয়া হ'ল- দীঘ, প্ৰস্থ আৰু উচ্চতা। অৰ্দ্ধ মাত্ৰাই 'সময়'(Time) বুজায়। আইনষ্টাইনে বস্তুবিলাকক 'Four Dimension' বুলি প্ৰমাণ কৰি ক'লে যে এই চতুৰ্থ 'Dimension'টো হ'ল সময়(Time)। ওঁ-কাৰৰ এই অৰ্দ্ধচন্দ্ৰৰ ওপৰৰ যি বিন্দু সেই বিন্দুৰেই ব্ৰহ্মা বা শিৱ। ব্ৰহ্মা বা ঈশ্বৰেই সৃষ্টি, ধ্বংস আৰু পালনৰ গৰাকী। পাশ্চাত্য(ইংৰাজী)ত ঈশ্বৰক কোৱা হয় 'God'। 'G' - Generation, অৰ্থাৎ- সৃষ্টি, 'O' - Organisation বা Operation, অৰ্থাৎ- সংগঠন বা পালন আৰু 'D' - Destruction, অৰ্থাৎ- সংহাৰ কৰা। যি সৃষ্টি, পালন আৰু সংহাৰ কৰে - তেওঁকে কোৱা হয় 'God' বা 'ঈশ্বৰ।'

ঈশ্বৰ- যিজনক কোৱা হয় পৰমপুৰুষ-পৰমব্ৰহ্মা, নিৰ্গুণ-নিৰাকাৰ, সৃষ্টি-স্থিতি-প্ৰলয়ৰ একমাত্ৰ অধিকাৰী। এনেহেন পৰমব্ৰহ্মাৰ ৰহস্য-উদ্‌ঘাটন আমাৰ বাবে , সাধাৰণ মানুহৰ পক্ষে অসম্ভৱপ্ৰায়।

পৰমব্ৰহ্মাৰ ৰহস্য ব্যাখ্যাতীত। ব্যাখ্যাতীত ৰহস্যৰ অন্তিম স্বৰূপ পৰমব্ৰহ্মাৰ অস্তিত্ব সম্পৰ্কে হোৱা উপলব্ধিৰ তত্ত্বই ৰহস্যবাদ। ৰহস্যবাদ এনে এক তত্ত্ব বা প্ৰজ্ঞা - যাক ক'ব পৰা যায় - 'Unchanging Testament' - এক অপৰিবৰ্তিত প্ৰজ্ঞা।

অতীন্দ্ৰিয়বাদ আৰু ৰহস্যবাদৰ এক নিবিড় সম্পৰ্ক আছে। অতীন্দ্ৰিয়বাদৰ আভিধানিক অৰ্থ হ'ল তেজ-মঙহৰ মানুহৰ চেতনাৰ উৰ্দ্ধৰ উপলব্ধি; একাৰ্থত ইন্দ্ৰিয়াতীত উপলব্ধি। ব্ৰহ্মা বা ব্ৰহ্মজ্ঞানেই অতীন্দ্ৰিয়বাদৰ উৎপত্তিৰ উৎস। পৰমব্ৰহ্মাৰ আৰাধনা, উপাসনা আৰু মিলনাকাংক্ষাই অতীন্দ্ৰিয়বাদৰ মূল আধাৰ। এনে প্ৰেক্ষাপটৰ পৰা চালে ৰহস্যবাদৰ লগত অতীন্দ্ৰিয়বাদৰ বিশেষ পাৰ্থক্য নায়েই বুলিব পৰা যায়।

পৃথিৱীৰ সকলো ঠাইতে 'ব্ৰহ্মা'ৰ সন্ধান যুগে যুগে হৈ আছে। মাথোঁ ব্ৰহ্মাৰ ৰূপ বেলেগ বেলেগ। হিন্দুৰ মতে 'ঈশ্বৰ'-'কৃষ্ণ'-'ৰাম', ইছলামৰ মতে 'আল্লা', খৃষ্টানৰ মতে 'যীশু', পাশ্চাত্যৰ মতে 'God' ইত্যাদি।

ব্ৰহ্মাৰ সদৰ্থক সন্ধানেই 'ৰহস্যবাদ'। ভাৰতীয় দৰ্শনত ইয়ে 'অতীন্দ্ৰিয়বাদ', পাশ্চাত্য দৰ্শনৰ মতে 'Mysticism', ইছলাম দৰ্শনত 'চুফীবাদ' আৰু শিখ দৰ্শনত 'ৰাধাস্বামী'। সাধনাৰ পন্থাৰ ৰূপ বা নাম যিয়ে নহওক - ৰহস্যবাদত মূলতঃ ব্ৰহ্মাৰ সন্ধান কৰে, ব্ৰহ্মজ্ঞানৰ চৰ্চা কৰে আৰু ব্ৰহ্মতত্ত্বৰ ব্যাখ্যা কৰে।

অচিনাৰস্থাই ৰহস্য। ৰহস্যৰ অন্তৰালত থকা বিষয়ক চিনি পালেই ৰহস্যৰ ওৰ পৰে। ৰহস্যবাদী ধাৰা সৃষ্টিৰ এক দীঘলীয়া ইতিহাস আছে।

আদিম মানুহ প্ৰকৃতি নিৰ্ভৰ আছিল। প্ৰকৃতিক বাদ দি মানুহে একো কৰিব পৰা নাছিল। আহাৰ, অন্ন, বস্ত্ৰ আৰু বাসস্থান - সকলোতে মানুহে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। সেয়ে, মানুহে প্ৰকৃতিক আৰাধনা কৰিবলগীয়া হৈছিল। মানুহৰ দৃষ্টিত প্ৰকৃতি সৰ্বশক্তিমান। লাহে লাহে মানুহে আৰাধনাৰ বাবে প্ৰকৃতিৰ বুকুত দেৱ-দেৱীৰ ৰূপ কল্পনা কৰিবলৈ ধৰে। কল্পিত দেৱ-দেৱীৰ ৰূপবোৰ মানুহে স্থাপত্য-ভাস্কৰ্যত মূৰ্ত-ৰূপ দিবলৈ ধৰিলে। দেৱ-দেৱীৰ সন্তুষ্টিৰ নিমিত্তে মানুহে প্ৰাৰ্থনা-আৰাধনাৰ আশ্ৰয় ল'লে। পুৰুষ বা দেৱতাৰ ৰূপত ফাডাৰ, গড, ঈশ্বৰ, আল্লা ইত্যাদি আৰু প্ৰকৃতি বা দেৱীৰ ৰূপত দেৱী, মায়া, পৃথিৱী ইত্যাদিক আৰাধনা কৰিবলৈ ল'লে। ৰহস্যবাদীসকলে এই পুৰুষ-প্ৰকৃতি(দেৱ-দেৱী)ৰ মাজত এক শক্তি দেখা পাইছিল; ইয়াৰ আঁৰতে লুকাই আছে ৰহস্যবাদ।

সংস্কৃত 'ৰহস্'ৰ পৰা ৰহস্য শব্দটো আহিছে; যাৰ অৰ্থ গুঢ়, গুপ্ত, লুকাই থকা - যিটো এতিয়ালৈকে আৱিষ্কৃত হোৱা নাই। 'ৰহস্যবাদ' শব্দটোৰ লগত পাৰ্থিৱ বিষয়ৰ সম্পৰ্ক নাই; মানুহৰ সাধাৰণ অবিদ্যা বা অজ্ঞানতাৰ লগতো ইয়াৰ কোনো সম্পৰ্ক নাই। ৰহস্যবাদ মানুহৰ ইন্দ্ৰিয়জ জ্ঞান-বুদ্ধিৰ উৰ্দ্ধৰ বিষয় বা অৱস্থান; 'মানুহৰ ইন্দ্ৰিয়াতীত বোধৰ সৰ্বোচ্চ স্তৰ।'

ৰহস্যবাদে 'এককত্ব'ৰ প্ৰতি বিশ্বাস কৰে। একক সত্তাই পূৰ্ণ। ৰহস্যবাদে আংশিকতাক বিশ্বাস নকৰে। পূৰ্ণ সত্তাকে পৰম সত্তা বুলি বহুতে ক'ব খোজে যদিও সেই 'মহাচৈতন্য'(Super Power বা Super Consciouss) ক যুক্তি, বুদ্ধি, তৰ্ক বা জ্ঞান - একোৰেই বুজি পোৱা টান। এয়াই জীৱ-জগতৰ শেষ ৰহস্য। যিসকলে এই বুজিব নোৱাৰা, বুজাব নোৱাৰা জ্ঞান-বুদ্ধিৰ অতীত শেষ-ৰহস্যৰ অস্তিত্ব অনুভৱ কৰিছে - তেওঁলোকক কোৱা হয় সন্ত, সাধক, ঋষি বা মুনি। 'ব্যাখ্যাহীন শেষ ৰহস্য স্বৰূপ চৈতন্যৰ অস্তিত্ব সম্পৰ্কে হোৱা উপলব্ধিৰ যি তত্ত্ব - সেয়াই ৰহস্যবাদ।' তেনেই চমুকৈ ক'বলৈ হ'লে ৰহস্যবাদ হ'ল অসীম আৰু অৰূপৰ সন্ধান; 'অৰূপ ৰূপেৰ খেল'(ৰবীন্দ্ৰনাথ ঠাকুৰ)।



# সম্পাদকীয়

সম্পাদকীয়

পাখি মেলি উৰি যোৱা চৰাইজাক দিগন্তত বিলীন হৈ নীলাভ হেঙুলীয়া পশ্চিমৰ আকাশত সপোনৰ ৰং সিঁচি যায়! পাখি লগা সময়ৰ বুকুত উৎসৱমুখৰ পৰিৱেশে গঢ় লয় এক নৱ ৰূপৰ!

প্ৰকৃতিৰ সেউজী চাদৰৰ আঁচলৰ কোলাত নিজৰাৰ, নদীৰ কুলু কুলু ধ্বনি, বিহংগীৰ অজান ৰাগত বন্ধা সুৰ, প্ৰকৃতিৰ অস্ফুট ভাষাৰ কাহিনী, মানৱ মনৰ অপৰূপ কল্পনাৰ প্ৰতিচ্ছৱি বীজ সিঁচিলে সাহিত্যৰ চিৰসেউজী পথাৰত।

মানৱ জীৱনৰ আশাৰ পাপৰিবোৰ ফুলি চিৰসেউজী হৈ ৰ'ল অনেকজনৰ সাধনাৰে, সাহিত্যৰ পথাৰখন হৈ ৰ'ল সোণসেৰীয়া!

মিলনেই সাহিত্য সৃষ্টিৰ মূল। সাহিত্য আত্মাৰ অনুভূতি ব্যক্ত ৰূপ। ই হৃদয়ৰপৰা অংকুৰিত হৈ অন্তৰাত্মাত তাৰ ৰস, আনন্দ আৰু মহত্ব সম্পৰ্কে হৃদয়ংগম কৰায়। গতিশীলতা সাহিত্যৰ এক চিৰপ্ৰবাহমান সুঁতি। চিৰনতুন, চিৰপুৰাতন সাহিত্য সৌন্দৰ্য প্ৰকাশ কৰিবলৈ কিমান কবিয়ে, চিত্ৰকৰে প্ৰয়াস কৰি আহিছে, কিন্তু তাৰ পৰিৱৰ্তনশীল ৰূপৰ বাবে কোনেও হয়তো তাক বাস্তৱ ৰূপত চিত্ৰিত কৰিবলৈ সক্ষম হোৱা নাই। যদিও চেষ্টা অব্যাহত। এই সকলোবোৰৰ আঁৰতে সৃষ্টি হয় সাহিত্যৰ অন্য এক ৰূপ, "আলোচনী"।

মহাবিদ্যালয়ৰ আভ্যন্তৰীণ বিকাশ গৌৰৱবোধৰ প্ৰতিচ্ছৱি অংকন কৰে মহাবিদ্যালয়ৰ দাপোন স্বৰূপ আলোচনী 'সোণালী'ৰ প্ৰতিটো পৃষ্ঠাই। য'ত ছাত্ৰ-ছাত্ৰীৰ মানসিক, বৌদ্ধিক, সাংস্কৃতিক, শৈক্ষিক চিন্তা-চৰ্চাৰ অপূৰ্ব দৃষ্টিভংগীৰে প্ৰাণ পাই উঠে আলোচনীৰ পৃষ্ঠা। অংকুৰিত হয় বহু ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ বীজ। মহাবিদ্যালয় এখনত অসমীয়া ভাষা সংস্কৃতিৰ ক্ষেত্ৰখন জীপাল কৰি ৰাখিবলৈ বৰ্তমান সময়ত মহাবিদ্যালয় আলোচনীৰ গুৰুত্ব আৰু প্ৰাসংগিকতা নুই কৰিব নোৱাৰি। সেয়েহে আলোচনী এখনত সন্নিৱিষ্ট লেখাসমূহ সাম্প্ৰতিক সময় তথা পৰিস্থিতি সাপেক্ষে প্ৰাসংগিক হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মনন চিন্তনৰ এটি গুৰুত্বপূৰ্ণ দিশ।

(সাহিত্যৰ অবিহনে ছাত্ৰ-ছাত্ৰী তথা সমাজপ্ৰিয় মানুহৰ জীৱন আধৰুৱা হৈ ৰ'ব। সাহিত্যই কেৱল মানুহৰ চিন্তা চৰ্চা, জ্ঞানৰ বিকাশেই নকৰে; ই একোখন সমাজৰ কৃষ্টি-সংস্কৃতি আদিও উদঙাই তোলে।)

ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ সম্পাদক হ'ব পাৰিম বুলি মই ভবাই নাছিলো। কিন্তু কেতিয়াবা মনত ভাৱ হৈছিল মই যদি সম্পাদক হওঁ তেন্তে মহাবিদ্যালয়ৰ হকে কিবা কৰিব পাৰিম। এই আশাতে মই সোণাৰি মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াওঁ। এই প্ৰতিদণ্ডিতাৰ বাবে মোৰ বাই ৰেৱতী, বান্ধৱী মৰমী, দৰথি, পিংকি, নিৰ্মলা, জ্যোতিময়, শৈলেন, বিতুপন দা, বসন্ত দা আৰু ৰাসায়ন বিজ্ঞান বিভাগৰ সমূহ সহপাঠী বন্ধু-বান্ধৱীয়ে দুগুণ প্ৰেৰণা আৰু উৎসাহ যোগালে। সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা দাদা-বাইদেউ, ভাইটি-ভণ্টি, সহপাঠীসকলে মোক এই পদৰ বাবে নিৰ্বাচিত কৰিলে। তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাত যিমান উৎফুল্লিত হৈছিলো তাতোতকৈ বেছি চিন্তিত আছিলো, কেনেকৈ সকলো দায়িত্ব ভালদৰে পালন কৰি সম্পাদকৰ কাৰ্যকালৰ ভিতৰতে আলোচনীখন প্ৰকাশ কৰি উলিয়াম।

'আলোচনী সম্পাদক' হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰাই নিষ্ঠা সহকাৰে আৰু আন্তৰিকতাৰে বিভাগীয় ক্লাছসমূহ কৰাৰ লগতে নিজৰ দায়িত্ব পালন কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছিলো আৰু সেইমতেই মোৰ কৰণীয়খিনি কৰি গৈছিলো। সম্পাদকৰ দায়িত্বভাৰ লোৱাৰ তিনিমাহ মানৰ পিছত মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত অনুষ্ঠিত কৰা হৈছিল। ক্ৰীড়া সপ্তাহতে মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰাচীৰ প্ৰত্ৰিকা 'প্ৰত্যয়' সম্পাদনা কৰাৰ লগতে প্ৰাচীৰ প্ৰত্ৰিকা প্ৰতিযোগিতা অনুষ্ঠিত কৰি সম্পাদক জীৱনৰ প্ৰথমটো কাৰ্যসূচী সুচাৰুৰূপে পালন কৰি এক অবিস্মৰণীয় অভিজ্ঞতা লাভ কৰিলো। এই সুযোগতে প্ৰাচীৰ পত্ৰিকা সম্পাদনাত সহায় কৰা বন্ধু মানস, ৰবীন, কাশ্যপ আৰু অমল লৈ ধন্যবাদ জনালো।

'প্ৰত্যয়' সম্পাদনাৰ পাছতে 'সোণালী'ৰ বাবে সপোনবোৰ ৰচি গ'লো আটকধুনীয়াকৈ সজোৱাৰ। এইক্ষেত্ৰত বহুবাৰ শতাশ হ'বলগীয়াও হৈছিল। হয়তো সেইবোৰে মোৰ বাবে প্ৰত্যাহ্বান আছিল। এই সময়খিনিতে মোৰ মন ভাগি গৈছিল যদিও হৃদয়ত মনোবল তথা ভ্ৰাতৃপ্ৰতীম বন্ধু-বান্ধৱীসকলৰপৰা কিছু আশা, বিশ্বাস, উৎসাহৰ বাবে মই পুনৰ পঢ়া শুনাৰ লগতে মহাবিদ্যালয় আলোচনীৰ সম্পাদনাৰ প্ৰস্তুতিত ব্যস্ত হৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য-সংস্কৃতিক প্ৰতিভাসমূহ বিকশিত কৰিবলৈ আলোচনীৰ মঞ্চ এখনৰ আৰম্ভ কৰা হ'ল। প্ৰতিটো বিভাগৰ, মহাবিদ্যালয়ৰ প্ৰতিটো জাননী বৰ্ডত 'লেখা বিচাৰি' জাননী ফলক আঁৰি দিয়া হ'ল। বহু কেইবাৰ জাননী দিয়া সত্বেও আশানুৰূপভাৱে উপকৃত নহ'লো। তেতিয়াই ছাত্ৰ-ছাত্ৰীৰ সঁহাৰিৰ বাবে কিছু চিন্তা কৰিবলৈ বাধ্য কৰাইছিল। 'সোণালী'ক কিমান পৰ্যায়ত উপনীত কৰাব পাৰিম? ব্যক্তিগতভাৱে বহু ছাত্ৰ-ছাত্ৰীক লেখা দিবলৈ আহ্বান কৰাত অলপ আশানুৰূপভাৱে ফল পালো, মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলেও কিছু লেখা দিয়াত মই গৌৰৱেৰে আলোচনীৰ কাম হাতত ল'লো।

প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰে একো একোটা সুপ্ত প্ৰতিভা থাকে। প্ৰতিভাসমূহ বিকশিত কৰিবলৈ হয়তো বহু সংখ্যকে চেষ্টা নকৰাৰ ফলতে নে পৰীক্ষাকেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ বাবেই সৃজনীশীল গুণসমূহ কমি গৈ আছে। আমি আমাৰ প্ৰতিভাসমূহ কবৰ দি ৰাখো। সেয়েহে মহাবিদ্যালয়ৰ আলোচনীৰ পৃষ্ঠাত বহু কম সংখ্যকে নিজৰ নাম খোদিত কৰিব পাৰে। আলোচনীৰ আভ্যন্তৰীণ দিশটো সম্পূৰ্ণ নিৰ্ভৰ কৰে লেখাসমূহ কিমান উন্নতমানৰ। উন্নতমানৰ লেখাসমূহেই আলোচনীৰ মানদণ্ড। গতিকে মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ গুৰুত্ব অনুধাৱন কৰি আগন্তুক দিনত লেখাসমূহ নিৰ্দিষ্ট সময়ৰ ভিতৰত দিয়ে আৰু উন্নতমানলৈ আলোচনীখন আগবাঢ়ি যায় এয়াই কামনা কৰো। ২০১৭-১৮ বৰ্ষৰ মোৰ কাৰ্যকালত অজানিতে যদি কিবা ভুল হ'ল, তেন্তে ক্ষমা কৰি পৰামৰ্শ আগবঢ়াই যেন।

ঐতিহ্যমণ্ডিত জ্ঞানমন্দিৰ সোণাৰি মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ এজন সম্পাদক পদবীৰ স্থান পাই মই সচাঁকৈয়ে গৌৰৱ অনুভৱ কৰিছো আৰু মহাবিদ্যালয়ৰ হকে কাম কৰি বহু নজনা কথাৰ জ্ঞান লাভ কৰিলো। এইক্ষেত্ৰত মোক সহায় কৰা মাননীয় অধ্যক্ষ, উপাধ্যক্ষ, উপদেষ্টা মহোদয়কে প্ৰমুখ্য কৰি সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটী-ভণ্টী, সহপাঠী আৰু হাজৰিকা প্ৰিণ্টিং প্ৰেছৰ পৰিয়ালবৰ্গক ধন্যবাদ আৰু কৃতজ্ঞতা জনাই সম্পাদকীয় একলম সামৰিছো। "সোণালী"ৰ দীৰ্ঘায়ু কামনা কৰিলো।

শেষত,

"সেউজী প্ৰকৃতিৰ বুকুত
সোণাৰু হালধীয়া
কৃষ্ণচূড়া ৰঙা,
ৰাধাচূড়াৰ গুলপীয়া
সুকুমল সেউজী কুঁহিপাত
শান্তিৰ শুকুলা
ৰঙেৰে বুলালে
অপৰূপা সাহিত্যৰ
'সোণালী'ৰ পৃষ্ঠা...."

জয়তু সোণাৰি মহাবিদ্যালয়।
জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা।

ৰাবুল তেলী
সম্পাদক

সোণালী

# মহাবিদ্যালয় সংগীত

রচনা আৰু সুৰ ঃ
ৰঞ্জিত চন্দ্ৰ বুঢ়াগোহাঁই

সাৰে আছো আমি
হেজাৰ সেনানি
জ্ঞানৰ পূজাৰী হৈ;
কলা বিজ্ঞানৰ দুগছি বন্তি
দুখনি হাতত লৈ।
সেউজী আমাৰ মনৰ পৃথিৱী
জ্ঞানেৰে জীপাল কৰা,
দুখ দৈন্য দূৰতে বিদুৰি
হৰষে উপচাওঁ ধৰা;
দৃষ্টি আমাৰ দূৰ দিগন্ত
পাখি মেলি উৰি যাওঁ
শান্তিৰ পখী হৈ।।
সৃষ্টিৰ কঠিয়া আহাঁ গুজি দিওঁ
আমাৰ মনৰ পথাৰতে,
অন্ধকাৰৰ প্ৰাচীৰ ভাঙি
পোহৰৰে ঢল বোৱাওঁ আমি
জ্ঞানৰ পূজাৰী হৈ
জ্ঞানৰ পূজাৰী হৈ।।

# সূচীপত্ৰ


**প্ৰবন্ধ শিতান**

- বৈদ্যুতিক আৱৰ্জনা পৰিৱেশৰ বাবে এক ভাবুকি — ১
  ৰীণা বৰ্ঠাকুৰ
- জীৱনৰ অমূল্য সম্পদ ঃ সময়ৰ ধাৰণা আৰু প্ৰতিশ্ৰুতি — ৫
  টঙ্কেশ্বৰ বৰুৱা
- অনগ্ৰসৰ শিশু বা ধীৰ গতিৰ শিকাৰু — ৬
  ড° প্ৰণীতা কলিতা
- শিক্ষাৰ্থীৰ অনুশাসনহীনতা আৰু ইয়াৰ নিৰময়ৰ উপায় — ৭
  দিপীকা বৰুৱা
- ছাত্ৰ উচ্ছৃংখলতা আৰু প্ৰতিৰোধৰ উপায় — ৯
  ধনদা কোঁৱৰ
- ভাৰতবৰ্ষত ইতিহাস চৰ্চাৰ ধাৰা — ১২
  সুশীল কুমাৰ চুঁটী
- Rethinking History : The Subaltern Approach — ১৬
  *Lindy*
- The Impact of Social Media of Society — ১৮
  *Jebin Sultana*
- The Role of the Youth's for the Development of Assam — ২০
  *Deep Jyoti Borah*
- Nipah outbreak : a threat to mankind — ২১
  Pratisthitha Baruah
- পৱিত্ৰ ভাদ মাহ আৰু আধ্যাত্মিকতা — ২৩
  নিজুমণি চাংমাই
- ড° লীলা গগৈৰ 'নৈ বৈ যায়' উপন্যাসত বিহুৰ চিত্ৰ — ২৪
  কেশৰী ভূঞা
- একবিংশ শতিকাৰ যুৱ সমাজ — ২৬
  মনীষা গগৈ
- সৌন্দৰ্যময় শৰৎ কাল — ২৮
  দুলুমণি চেতিয়া
- আমি সঁচাকৈয়ে মানুহনে — ২৯
  ৰাণু কুৰ্মি
- বিকল্পৰ সন্ধানত (নাটক) — ৩০
  ড° ৰীতা দত্ত

**গল্পৰ সফঁৰা**

- জীৱন আৰু সংগ্ৰাম — ৩৭
  কাশ্যপ বৰুৱা
- সপোনৰ সমাধিত এপাহি ৰঙা গোলাপ — ৪০
  নাৰায়ণ বসুমতাৰী
- পুৱতি নিশাৰ সপোন — ৪২
  বাবুল তেলী
- মৃত্যুৰ সপোন — ৪৪
  ইন্দুৰাণী বৰুৱা

**কবিতা কানন**

- সপোন — ৪৭
  প্ৰীয়ংকা বৰগোহাঁই গগৈ
- পৰিচয় — ৪৮
  মানস প্ৰতীম চেতিয়া
- আধুনিকা — ৪৯
  ভাস্কৰ বৰুৱা
- অপেক্ষা — ৪৯
  মনোমতী দাৰিগ
- ফাগুন আৰু তুমি — ৫০
  সীমান্ত হাজৰিকা
- শিক্ষাগুৰু — ৫০
  শ্বৰীফ কামাল
- শৈশৱৰ সোণালী সময় — ৫১
  মিনাক্ষী সংনামী
- হেৰুৱা কবিতা — ৫২
  প্ৰাৰিতা বুঢ়াগোহাঁই
- হৃদয়ত সাঁচি ৰখা সপোন — ৫৩
  প্ৰিয়া দাস

# সূচীপত্ৰ


- নাৰী ৫৩
  সুজাতা সেন
- চৰাই ৫৪
  পূৰ্ণকান্ত সিং ৰাজপুত
- ধ্বংসৰ বিভীষিকা ৫৫
  ৰুণালী গগৈ
- প্ৰতিশ্ৰুতি ৫৫
  জাহ্নৱী শ্যাম
- হে মোৰ অচিনাকী কোঁৱৰ ৫৬
  ৰাণু কুৰ্মি




**অনুভৱৰ স্বৰ**


- আহ! বাৰিষা উন্মাদ নকৰিবা ৬১
  সজল দাস
- অনুভৱৰ একলম ৬২
  পাপৰি গগৈ
- বিদায় বেলাৰ অনুভৱ ৬৬
  দিব্যজ্যোতি দত্ত
- এৰি অহা পদূলিত স্মৃতিৰ খোজ ৬৭
  ৰেৱতী তেলী
- এটা দিন আৰু কিছু অনুভৱ ৬৮
  নিতুল মানকী
- আঘোন ৫৬
  প্ৰভাত তাঁতী
- স্বাধীনতা ৫৭
  ৰিণা চাংমাই
- তেজাল মমতা ৫৭
  ৰবীন গগৈ
- শাওনৰ শৈশৱৰ গাঁওখন (কথা কবিতা) ৫৮
  প্ৰতীক্ষা বকল


**নীলা খামৰ চিঠি**


- প্ৰতীক্ষা বকল ৭১
- মানস প্ৰতিম বৰুৱা ৭২
- বৰষা ৰাজকুমাৰী ৭৩
- ৰিতুমণি বুঢ়াগোহাঁই ৭৪
- প্ৰতিস্থিতা বৰুৱা ৭৫


**ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ প্ৰতিবেদন**


- কল্যাণ গগৈ, সভাপতি ৭৮
- শিশিৰ কুমাৰ গগৈ, উপ-সভাপতি ৭৯
- হেমকান্ত দত্ত, সাধাৰণ সম্পাদক ৮০
- ত্ৰিৱেণী দিহিঙীয়া, সহকাৰী সাধাৰণ সম্পাদিকা ৮১
- সুৰজিৎ ৰাজকোঁৱৰ, সম্পাদক, গুৰু খেল বিভাগ ৮২
- নয়ন জ্যোতি বড়া, সম্পাদক, লঘু খেল বিভাগ ৮৩
- সঞ্জীৱ শইকীয়া, সম্পাদক, সাংস্কৃতিক বিভাগ ৮৪
- দিপাঞ্জলী বাইলুং, সম্পাদিকা, সংগীত বিভাগ ৮৬
- প্ৰাৰিতা বুঢ়াগোহাঁই, সম্পাদিকা, সাহিত্য বিভাগ ৮৮
- অম্লানজ্যোতি কোঁৱৰ, সম্পাদক, তৰ্ক বিভাগ ৮৯
- সুৰজিত গগৈ, সম্পাদক, সমাজসেৱা বিভাগ ৯০
- শৰৎচন্দ্ৰ তাঁতী, সম্পাদক, ছাত্ৰ জিৰণি কোঠা ৯১
- ৰিতুমণি ফুকন, সম্পাদক, ছাত্ৰী জিৰণি চ'ৰা ৯২




# প্ৰবন্ধ শিতান

চিন্তা আৰু যুক্তিৰ সমন্বয়ত ৰচিত এক বিশিষ্ট সাহিত্য ৰূপ— 'প্ৰবন্ধ'







# বৈদ্যুতিক আৱৰ্জনা
## পৰিৱেশৰ বাবে এক ভাবুকি

ৰীণা বৰঠাকুৰ
আধ্যাপিকা
পদাৰ্থ বিজ্ঞান বিভাগ

সভ্যতাৰ এক ঋণাত্মক ফল হৈছে প্রদূষণ। মানুহৰ ক্ষুৰধাৰ মস্তিষ্কৰ ফলশ্রুতিত ন-ন ঔদ্যোগিক বিকাশ ঘটিছে, উন্নত যাতায়তৰ ব্যৱস্থা, লগতে মানুহৰ ক্রয় ক্ষমতা বৃদ্ধি পোৱাৰ বাবে গাড়ী-মটৰ আদি যান-বাহনৰ সংখ্যা অস্বাভাৱিক হিচাপে বৃদ্ধি পাইছে। লগে লগে আহি পৰিছে পৰিৱেশ প্রদূষণৰ কথা। পিছে প্রদূষণ বুলিলে মূলতঃ গ্রীণ হাউচ গেছসমূহকে (কাৰ্বন ডাই অক্সাইড, মিথেন, নাইট্রজেন অক্সাইড, চি এফ চি আদি) দোষী সাব্যস্ত কৰি বাকী দিশসমূহক কমকৈ চকু দিয়া হয়। শব্দ প্রদূষণ, পোহৰ প্রদূষণ, ইলেক্ট্রমেগ্নেটিক ক্রিয়া আদিৰ কথাও আলোচনাত ঠাই পোৱা আৰম্ভ হৈছে। এই বিলাকৰ ওপৰিও উন্নত দেশসমূহত আৰু এক প্রদূষণৰ কথা বিশেষভাৱে আলোচিত হৈছে। হয়তো অনাগত দিনবিলাকত পৃথিৱীৰ সকলো মানৱ সমাজে এই বিষয়টোত গুৰুত্ব আৰোপ নকৰিলে পৃথিৱী এক ভয়াবহ সমস্যাত পৰিব। কাৰণ এই প্রদূষণৰ লগত মানুহৰহে পোনপটীয়া সম্পৰ্ক, অন্যান্য জীৱকুলৰ ইয়াৰ লগত কোনো সম্পৰ্ক নাই। এই প্রদূষণ হৈছে বৈদ্যুতিক আৱৰ্জনাই সৃষ্টি কৰা প্রদূষণ চমুকৈ 'ই-ৱেষ্ট'। ভাৰতবৰ্ষই এই দিশটোৰ প্ৰতি অধিক গুৰুত্ব আৰোপ নকৰিলেও আমেৰিকাৰ দৰে উন্নত দেশসমূহে ইতিমধ্যে 'বৈদ্যুতিক আৱৰ্জনা'ক পৰিৱেশৰ বাবে এক চেলেঞ্জ হিচাপেই গ্ৰহণ কৰিছে। তেওঁলোকে মানুহক সচেতন কৰিছে আৰু ল'ব পৰা পদক্ষেপসমূহ গ্ৰহণ কৰিছে। ওপৰঞ্চি নীতি বহিৰ্ভূত ভাৱে হ'লেও আনদেশৰ ভূমিক গোপনে ডাম্পিং গ্ৰাউণ্ড (পেলনীয়া পথাৰ) হিচাপে গণ্য কৰিবলৈ কুণ্ঠাবোধ কৰা নাই।



এতিয়া চোৱা যাওক, বৈদ্যুতিক আৱৰ্জনা নো কি? যেতিয়া টি ভি, কম্পিউটাৰ, ফেক্স মেচিন, কিবৰ্ড, মবাইল ফ'ন, অভেন, ভেকুৱাম ক্লিনাৰ, ৱাছিং মেচিন বা ল'ৰা-ছোৱালীয়ে খেলিবৰ বাবে ব্যৱহাৰ কৰা বেটাৰীযুক্ত গাড়ী, পুতলা আদি ব্যৱহাৰৰ অনুপযোগী হৈ পৰে, তেতিয়াই ইয়াক 'বৈদ্যুতিক আৱৰ্জনা' বা 'ই-ৱেষ্ট' বুলি কোৱা হয়। অৱশ্যে সাধাৰণ আৱৰ্জনাৰ দৰে সকলোবোৰ বৈদ্যুতিক আৱৰ্জনা দলিয়াই পেলোৱা নহয়। কোনো কোনো ক্ষেত্ৰত এই সামগ্ৰীসমূহৰ আন্তঃউৎপাদনবোৰ বিভিন্ন পদ্ধতিৰে নিষ্কাষণ কৰি পুনৰ ব্যৱহাৰৰ উপযোগী কৰি তোলা হয়। পেলনীয়া পথাৰত ই-আৱৰ্জনা নিক্ষেপ কৰা বা ৰিপ্ৰচেছিং কৰা এই দুয়োটাই প্ৰাকৃতিক পৰিৱেশৰ বাবে ভয়ঙ্কৰ হৈ পৰে। সমীক্ষাত পোৱা গৈছে, প্ৰতিবছৰে পৃথিৱীজুৰি ২০ ৰ পৰা ৫০ নিযুত মেট্ৰিকটন বৈদ্যুতিক আৱৰ্জনাৰ সৃষ্টি হয়। ইয়াৰে আমেৰিকাই প্ৰতিবছৰে ৩ মিলিয়ন টন আৰু চীনদেশে ২.৩ মিলিয়ন টন আৱৰ্জনা নিষ্কাষণ কৰি ক্ৰমে প্ৰথম আৰু দ্বিতীয় স্থান আধিকাৰ কৰিছে। এই তালিকাত ভাৰতৰ স্থান পঞ্চম। কিন্তু যি হাৰত আমাৰ দেশত বৈদ্যুতিক আৱৰ্জনাৰ মান বৃদ্ধি পাইছে, আশঙ্কা প্ৰকাশ কৰা হৈছে যে অনতিপলমে আমাৰ দেশে তালিকাৰ শীৰ্ষ স্থান অধিকাৰ কৰিব। ভাৰতবৰ্ষৰ জনসংখ্যা এনেয়েও বেছি। তাৰোপৰি মানুহৰ ক্ৰয়ক্ষমতাও আগতকৈ বৃদ্ধি পাইছে। সেয়েহে আশংকা সত্যত পৰিণত হোৱাটো স্বাভাৱিক।

বৈদ্যুতিক আহিলাবোৰ অতি সোনকালেই আৱৰ্জনাত পৰিণত হয়। ইয়াৰ প্ৰধান কাৰণসমূহ হৈছে—

১। নতুন নতুন টেক্নলজিৰ আৱিষ্কাৰ। নতুন বস্তুৱে বজাৰত ভূমুকি মৰাৰ লগে লগে পুৰণি টেক্নলজি সম্পন্ন বস্তুবোৰৰ চাহিদা কমি আহে। মানুহৰ হাতত ইতিপূৰ্বে থকা তেনেকুৱা সামগ্ৰী হয় হস্তান্তৰিত হয় নহয় বা পেলনীয়া পথাৰলৈ যায়।

২। পুৰণি সামগ্ৰীৰ মূল্য হ্ৰাস, ফলত সাধাৰণ ক্ৰেতাৰ ক্ৰয় সামৰ্থ্য বৃদ্ধি পায়। নতুন ক্ৰেতাৰ ওচৰত কিছুদিন থকাৰ পিছত এই সামগ্ৰীসমূহৰ বেছিভআগেই ডাম্পিং গ্ৰউণ্ডলৈ যায়।

৩। ইণ্টাৰনেট বা বিজ্ঞাপনৰ প্ৰভাৱত মানুহৰ ইপ্সিত চাহিদাৰ মান বৃদ্ধি পায়। প্ৰয়োজনাধিক ক্ৰয় কৰি বহু সামগ্ৰীৰ অপব্যয় কৰা হয়।

বৈদ্যুতিক সামগ্ৰীসমূহৰ আয়ুকাল (ব্যৱহাৰিক জীৱন) সামগ্ৰী ভেদে ভিন্ন হয়। বহুতো খেলৰ সামগ্ৰীৰ বয়স এবছৰৰো কম হয়। মবাইল ফ'নসমূহৰ গড় আয়ুস দুবছৰ বুলি ধৰা হয়। কম্পিউটাৰ এটাৰ ভিন্ন ভিন্ন উপাদানৰ আয়ুকালো ভিন ভিন হয়। উদাহৰণ স্বৰূপে প্ৰচেচৰসমূহ সোণকালেই আৱৰ্জনাত পয্যৱেক্ষিত হয়। ডিচপ্লে ইউনিট (CRT, LCD, LED, মণিটৰ) আদি মেৰামতিতকৈ নবীকৰণহে হয়। অকল আমেৰিকাতে প্ৰতিবছৰে ৩০ মিলিয়ন কম্পিউটাৰ পেলনীয়া সামগ্ৰীত পৰিণত হয়, ইউৰোপত প্ৰতিবছৰে ১০০ মিলিয়ন ফ'ন ব্যৱহাৰৰ অনুপযোগী হয়। তাৰোপৰি পুনঃশোধন কৰিব লগীয়া (কাগজ-পত্ৰই দেখুৱাব)

সামগ্ৰীৰ কেৱল কিছু অংশহে পৰিশোধন হয়। বাকী সকলো পেলনীয়া পথাৰত জমা হয়। উদ্যোগসমূহেও দুবছৰৰ পিছত আহিব লগীয়া টেক্‌নলজিৰ কথা আগত ৰাখিয়েই বস্তুবোৰ বজাৰত মুকলি কৰে। নতুনৰ প্ৰতি মানুহৰ কৌতুহল সদায়েই থাকে। ইয়াৰ সুবিধা ঔদ্যোগিক প্ৰতিষ্ঠানসমূহে গ্ৰহণ কৰে, ফলশ্ৰুতিত আৱৰ্জনাৰ মান বৃদ্ধি পায়।

এতিয়া চোৱা যাওক বৈদ্যুতিক সামগ্ৰীসমূহ ৰিচাইকল কৰোতে পৰিৱেশৰ ওপৰত কেনেকুৱা প্ৰভাৱ পৰিব পাৰে।

১। কম্পিউটাৰ, কেথডৰে টিউব, ভিডিঅ কেমেৰা আদি খুলি বা ভাঙি ভিতৰৰ মূল্যৱান সামগ্ৰী আহৰণ কৰোতে সীহ, বেৰিয়াম আদি গধুৰ ধাতুৰ নিৰ্গমন ঘটে। এইবিলাক মাটিত মিহলি হৈ পিছত পানীৰ লগত বিক্ৰিয়া কৰি বিষাক্ত পদাৰ্থৰ সৃষ্টি হয়।

২। চিপ বা অন্যান্য সোণ খটোৱা সামগ্ৰীসমূহ নাইট্ৰিক আৰু হাইড্ৰক্লৰিক এছিডৰ দ্বাৰা দহন কৰা হয়। কেতিয়াবা এইবিলাক পোনপটীয়া ভাৱেও জ্বলাই দিয়া হয়। এই দহনৰ ফলত হাইড্ৰকাৰ্বন নিৰ্গত হয়। এইবিলাক পানী আৰু বায়ুত মিহলি হৈ জলজ আৰু স্থলজ দুয়োবিধ জীৱৰে ক্ষতি কৰে।

৩। আকৌ কিবৰ্ড, প্ৰিণ্টাৰ আদি গলোৱা হয়, তাঁৰ সমূহ জ্বলাই দিয়া হয়, ফলশ্ৰুতিত ব্ৰমিনেটেড ডাই অক্সাইড, হাইড্ৰকাৰ্বন আদি নিৰ্গত হয় আৰু পৰিৱেশৰ ওপৰত পোনপটীয়া প্ৰভাৱ পেলায়।

এইবিলাক মাথো কেইটামান উদাহৰণহে। চীনৰ ছাণ্টু অঞ্চলৰ 'গায়ুক' বৈদ্যুতিক আৱৰ্জনাৰ ৰাজধানী বুলি কোৱা হয়। প্ৰায় ১৫,০০০ বনুৱাই দৈনিক ১৬ ঘণ্টাকৈ কাম কৰি এই আৱৰ্জনাসমূহ নিষ্কাষণ কৰাত ব্যস্ত থাকে। হিঅ' জিয়া (Huo Xia) নামৰ এগৰাকী মহিলা গৱেষকে গায়ু অঞ্চলৰ ল'ৰা-ছোৱালীৰ তেজৰ নমুনা পৰীক্ষা কৰি প্ৰায় ৪২% ল'ৰা-ছোৱালীৰে তেজত সীহৰ মান বৃদ্ধিৰ তথ্য ডাঙি ধৰিছিল। সেই অঞ্চলৰ খেতিপথাৰৰ মাটি আৰু পানীত কেড্‌মিয়াম, তাম, নিকেল, পাৰা আদিৰ অধিক উপস্থিৰ তথ্যও আহিছিল।

ই-ৰেষ্টৰ এই ভয়াবহ তথ্যসমূহ আহি পৰাত আমেৰিকাৰ দৰে উন্নত দেশসমূহত ৰিচাইকল পদ্ধতিটোক অধিক বিজ্ঞানসন্মত কৰিবলৈ চেষ্টা কৰিছে। বুলগেৰিয়াৰ নভি ইস্কাৰৰ 'নদিন (NADIN) বৈদ্যুতিক আৱৰ্জনা প্ৰচেচিং প্লেণ্ট তেনেধৰণৰ উন্নত প্ৰকল্প। পিছে পৰিৱেশ সংৰক্ষণ এজেঞ্চিসমূহৰ অনুসন্ধান মতে আমেৰিকাই কাগজে কলমে যিমান ই-আৱৰ্জনা বৈজ্ঞানিক প্ৰণালীৰে ৰিচাইকল কৰাৰ তথ্য দেখুৱাই তাৰ কেৱল ১৫-২০% হে নবীকৰণ হয়, বাকী সকলো ডাম্পিং গ্ৰউণ্ডলৈ যায়। কিছু অংশ গোপনে বন্ধ জাহাজত আন ঠাইলৈ নীতি বৰ্হিভূতভাৱে প্ৰেৰণ কৰে। চীনদেশৰ অনুসন্ধনন সংস্থাই ই-আৱৰ্জনা ভৰ্ত্তি এনেকুৱা বন্ধ জাহাজৰ উপস্থিতি ধৰা পেলাইছিল।

আমাৰ দেশ বৈদ্যুতিক আৱৰ্জনাৰ প্ৰতি এতিয়াও সিমান সজাগ নহয়। সাধাৰণ নাগৰিকে ক্ৰয় সামৰ্থ বৃদ্ধি, ইণ্টাৰনেট চপিং আদিৰ মোহত হকে-বিহকে সামগ্ৰী ক্ৰয় কৰিছে আৰু নজনাকৈয়ে প্ৰত্যেকে এই আৱৰ্জনা বৃদ্ধিৰ অংশীদাৰ হৈছে।❁





# জীৱনৰ অমূল্য সম্পদ ঃ সময়ৰ ধাৰণা আৰু প্ৰতিশ্ৰুতি

টঙ্কেশ্বৰ বৰুৱা
মূৰব্বী, গণিত বিভাগ

সকলো জীয়ই এক নিদিষ্ট সময়হে পৃথিবীত জীয়াই থাকে। অৰ্থাৎ এটা নিদিষ্ট সময়ৰ বাবেহে এই পৃথিৱীলৈ আহে। এনে ক্ষেত্ৰত সময় এই জগতৰ সবাতোকৈ শক্তিশালী সম্পদ। সময় হ'ল অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ ধাৰণা নিৰূপক মাত্ৰা। এই সময়েই মানুহৰ সমস্ত ৰোগৰ মহান চিকিৎসক, যাৰ প্ৰধান সহযোগী হ'ল এক পদাৰ্থ যাৰ নাম ইথাৰ (Ether)। ইথাৰ হ'ল সমস্ত ঠাই বিয়পি থকা এবিধ বৰ্ণহীন, অতি পাতল বায়ৱীয় পদাৰ্থ, যি আনটোক গভীৰভাৱে যুক্ত কৰে। এই সময়েই যুক্তিবাদী হ'বলৈ চিকিৎসকৰ দৰেই কাম

এইটো শাশ্বত সত্য যে সময়ে সময়ৰ নিষ্ঠুৰ আখ্যা দিওঁ, যেতিয়া সময়ৰ ওচৰত হিচাপে মৃত্যুক আঁকোৱালি লোৱা মানুহ বা সকলৰ বাবে দয়াশীল, যি সকলে প্ৰকৃতিৰ সমৰ্থৱান আৰু জীৱনৰ সঠিক অভ্যাস গঢ়ি কঠোৰ শাস্তি দিয়ে— যিসকলে নিজৰ কৰ্তব্য,

পৰিৱৰ্তীত সময়ে সমাজলৈ পৰিৱৰ্তন এজন মহান পৰিচাক বুলি ক'ব পাৰি, যি পৰিৱৰ্তন চক্ৰত আৱদ্ধ কৰি ৰাখে। এটা হয় সময়ৰ বাবেই কোনো কামতে সফলতা সময় সচেতনতাৰ অভাৱক প্ৰধানভাৱে মাৰিব নোৱাৰাটো বিফলতাৰ অন্যতম কাৰণ



প্ৰতিটো বস্তুক বা পদাৰ্থক এটাৰ সৈতে এজন উগ্ৰ ব্যক্তিকো শীতল মনৰ আৰু কৰে।

কাম কৰিবই। সেয়েহে কেতিয়াবা আমি সময়ৰ আমি নিজে হাৰ মানিব লগা হয়। উদাহৰণ জীৱৰ বাবে সময় অতি নিষ্ঠুৰ। সময় কিন্তু এই সকলো নীতি সঠিকভাৱে অনুধাৱন কৰিবলৈ তুলিবলৈ সাজু। সময়ে আকৌ এই সকলক লক্ষ্য আৰু উদ্দেশ্যক অৱহেলা কৰি থাকে।

আনে। সেয়েহে সময়ক পৰিৱৰ্তনৰ নীতিৰ এনে প্ৰতিটো জীৱ আৰু বস্তুক সকলো সময়তে সময়ৰ কেঁচুৱাই আন এটা সময়ত বৃদ্ধা অৱস্থা অৰ্জন কৰিব নোৱাৰা বা ব্যৰ্থতাৰ কাৰণ হিচাপে জগৰীয়া কৰা হয়। ঠিকেই, সময়ৰ শৰ সময়ত মাত্ৰ। সেয়ে সময়ক উচিত ব্যৱহাৰৰ কাৰণে তাৰ ওপৰত কিছুমান ধাৰণা আৰু পালন কৰিবলগীয়া নিয়ম, যাক প্ৰতিশ্ৰুতি হিচাপে ল'ব পাৰিলে একোজন ব্যক্তিৰ জীয়নৰ বাবে মংগলজনক হ'ব পাৰে, তেনে কিছুমান ধাৰণা থুৱতে হ'ল—

১। এই পৃথিৱীত আমাৰ বাবে সময় নিদিষ্ট আৰু সীমাবদ্ধ। সেই বাবে আমি আমাৰ সেই নিদিষ্ট সময়খিনি এনেদৰে ব্যৱহাৰ কৰিব লাগিব যাতে আমাৰ নিজৰ লগতে আনৰো হিত সাধন কৰিব পাৰি। এই ক্ষেত্ৰত কষ্টৰ মাজেদি হ'লেও সময়ৰ সদ্ব্যহাৰ কৰা উচিত।

২। সময় আমাৰ বাবে সবাতোকৈ মূল্যৱান সম্পদ। সেইবাবে আয়-ব্যয়ৰ হিচাপৰ দৰে জীৱনৰ প্ৰতিটো মুহুৰ্ত আমি হিচাপ কৰিহে খৰচ কৰি নিজৰ আৰু আনৰ উন্নতিৰ কামত ব্যৱহাৰ কৰা উচিত।

৩। সময় অপচয় কৰাটো পাপ। ইয়াতকৈ আৰু ডাঙৰ পাপ এই জগতত নাই।

৪। জীৱনত সময়বোৰ মই এনে ধৰণে ব্যস্ত ৰাখিম যাতে এই ব্যস্ততা হ'ব গঠনমূলক আৰু সৎ অৰ্থবহক হয়। এই ব্যস্ততাৰ ফলত যাতে কোনোধৰণৰ ভয়, হতাশা আৰু অকমন্যতা আদিয়ে মোক আৰু সমাজক গ্ৰাহ কৰাৰ সুযোগ নাপায়।

৫। এইটো স্মৰণযোগ্য হ'ব যে সময়ৰ কাম সময়ত নকৰা সকলৰ প্ৰতি সময় কেতিয়াও দয়াশীল নহয়।

৬। এইটো প্ৰতিশ্ৰুতি হিচাপে লোৱা প্ৰয়োজন যে, ভৱিষ্যতে মই মোৰ সময়খিনি এনে দৰে ব্যৱহাৰ কৰিম, যাতে তাৰ পৰা মানসিক প্ৰশান্তি লাভ হয়।

অৱশেষত সময়ৰ মুল্য নিৰ্দ্ধাৰণৰ কথা চৰ্চ্চালৈ আহোতে ইংৰাজ কবি ৰুৰ্দাড কীপলিঙৰ এষাৰ প্ৰণিধান যোগ্য উক্তি উল্লেখ কৰা প্ৰয়োজন বোধ হয় যে—

'যদি আপুনি এটা মিনিটক ৬০ ছেকেণ্ডেৰে ভৰ্ত্তি কৰিব পাৰে তেন্তে মিনিটবোৰে আপোনাক ক্ষমা কৰিব আৰু পৃথিৱীখন আপোনাৰ হাতৰ মুঠিলৈ আহি যাব, তাতোতকৈ ডাঙৰ কথাটো হ'ল আপুনি এজন সফল মানুহলৈ ৰূপান্তৰিত হ'ব'।❁

# অনগ্ৰসৰ শিশু বা ধীৰ গতিৰ শিকাৰু
# (Backward Children or Slow Learner)

ড° প্ৰণীতা কলিতা
অধ্যাপিকা
শিক্ষাতত্ব বিভাগ

শিক্ষা মানৱ সমাজৰ প্ৰগতিৰ এক প্ৰধান আহিলা। বৈদিক যুগৰ পৰা বিভিন্ন ক্ৰমবিকাশৰ মাজেদি আহি শিক্ষাই বৰ্তমান সময়ত সু-সংগঠিত আৰু উন্নত ৰূপ ধাৰণ কৰিছে। আনুষ্ঠানিক শিক্ষাৰ বিভিন্ন স্তৰত শিক্ষকে শিক্ষাৰ্থীক পাঠদান কৰোতে বিভিন্ন শৈক্ষিক আৰু আনুসংগিক সমস্যাৰ সন্মুখীন হ'ব লগীয়া হয়। শ্ৰেণীকক্ষত শিক্ষকে স্বাভাৱিকতে সন্মুখীন হোৱা সমস্যাটো হৈছে শিক্ষাৰ্থীসকলৰ শিক্ষা আহৰণৰ ক্ষেত্ৰত থকা পাৰ্থক্য। শ্ৰেণীকোঠা এটাত থকা সকলো শিক্ষাৰ্থীৰ বোধগম্যতাৰ স্তৰ আৰু বুদ্ধ্যাংকৰ মান সমান মাত্ৰাৰ নহয়। সাধাৰণ দৃষ্টিকোণৰ পৰা শিক্ষাৰ্থীসকলক ১) সাধাৰণ বা গড় মানৰ শিক্ষাৰ্থী আৰু ২) অসাধাৰণ বা ব্যতিক্ৰমী শিক্ষাৰ্থ এই দুটা ভাগত ভাগ কৰিব পাৰি। অসাধাৰণ শিক্ষাৰ্থীসকলক আকৌ মুল চাৰিটা ভাগত ভাগ কৰিব পাৰি—

ক) প্ৰতিভাসম্পন্ন শিশু (Gifted Children)
খ) অনগ্ৰসৰ শিশু (Slow Learner)
গ) বিশেষভাৱে সম্পন্ন শিশু (Specislly Able Children)
ঘ) অপৰাধ প্ৰৱণ শিশু (Deliquent Children)

বিশেষভাৱে সক্ষম আৰু অপৰাধ প্ৰৱণ শিশুৰ শিক্ষাৰ বাবে পৃথকভাৱে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হয়। সাধাৰণ শ্ৰেণীকোঠাসমূহত প্ৰতিভাসম্পন্ন আৰু অনগ্ৰসৰ শিশুসকলক সামৰিয়েই পাঠদান ব্যৱস্থা কৰা হয়। শ্ৰেণীকোঠাত প্ৰতিভাসম্পন্ন শিশুসকলে স্ব-শিক্ষণ আৰু শিক্ষকৰ পাঠদানৰ পৰা পাঠ্যক্ৰমৰ বিষয়বস্তু সহজতে আয়ত্ব কৰিব পাৰে। কিন্তু অনগ্ৰসৰ শিশুসকলে শিক্ষকৰ পাঠদানৰ হাৰৰ লগত খাপ খুৱাই আগুৱাই যাবলৈ যথেষ্ট অসুবিধাৰ সন্মুখীন হয়।

অনগ্ৰসৰ শিশুক ধীৰ গতিৰ বা মন্থৰ গতিৰ শিক্ষা গ্ৰহণকাৰী শিশু হিচাপেও জনা যায়। মনোবিদ বাৰ্টন হ'ল (Barton Hall) ৰ মতে— 'সাধৰণ অৰ্থত অনগ্ৰসৰতা সেইবিলাক ক্ষেত্ৰত প্ৰয়োগ কৰা হয় য'ত তেওঁলোকৰ শৈক্ষিক প্ৰাপ্তি স্বাভাৱিক সামৰ্থৰ সীমাৰেখাৰ তলত অৱস্থান কৰে'।

অনগ্ৰসৰ শিশুসকলৰ বুদ্ধ্যাংক (IQ) নিম্নমানৰ, ৭০-৯০ৰ ভিতৰত বুদ্ধ্যাংক থাকে। শিশুৰ অনগ্ৰসৰতাৰ কাৰণবোৰক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি—

ক) সহজাত কাৰক (শাৰীৰিক আৰু বৌদ্ধিক ধৰণৰ)
খ) পৰিৱেশ কাৰক (পৰিয়াল আৰু বিদ্যালয়)
গ) সামাজিক ব্যক্তি আৰু সামজিক মাধ্যমসমূহৰ প্ৰভাৱ।

অনগ্ৰসৰ শিশুসকলৰ স্মৃতি শক্তি দুৰ্বল, আগ্ৰহ, মনোযোগ আদি ক্ষণস্থায়ী হোৱাৰ বাবে শিক্ষানুষ্ঠনৰ বিদ্যায়তনিক আৰু সহপাঠ্যক্ৰমিক কাম-কাজত অংশগ্ৰহণত দুৰ্বলতা পৰিলক্ষিত হয়। এই সমস্যাসমূহে অনগ্ৰসৰ শিশুসকলৰ ক্ষেত্ৰত বিভিন্ন সামাজিক পৰিৱেশত শাৰীৰিক, মানসিক, সামাজিক আদি সমাযোজনৰ (Adjustment) সমস্যাৰো সৃষ্টি কৰে।।

অনগ্ৰসৰ শিশুসকলৰ বৌদ্ধিক অগ্ৰগতিৰ ধীৰ মাত্ৰাই তেওঁলোকৰ ব্যক্তিত্বৰ বিকাশত যথেষ্ট প্ৰভাৱ পেলায়। হীনমন্যতাবোধ, হতাশগ্ৰস্থতা আদি সামাজিক ৰোগৰ লক্ষণসমূহো পৰিলক্ষিত হব পাৰে। এনে শিশুসকলৰ বিকাশৰ প্ৰক্ৰিয়াত অভিভাৱকৰ সম্পূৰ্ণ মনোনিৱেশৰ লগতে শিক্ষক আৰু সমাজৰ প্ৰতিজন লোকৰে সমানে দায়িত্ব আছে। অনগ্ৰসৰ শিশুসকলৰ আচৰণৰ ধৰণ আৰু বিশেষ বিষয়ত থকা তেওঁলোকৰ অৰ্হতা আৰু প্ৰকৃতিৰ স্বৰূপ নিৰ্দ্ধাৰণ কৰিবৰ বাবে কৃতিত্বৰ অভীক্ষা, প্ৰতিমানীকৃত বুদ্ধিৰ অভীক্ষা, বিশেষ ক্ষমতা নিৰূপনৰ অভীক্ষা, ব্যক্তিত্ব পৰিমাপনৰ প্ৰক্ষেপন পদ্ধতি, পৰ্যৱেক্ষণ পদ্ধতি আদিৰ সহায় ল'ব পৰা যায়। অনগ্ৰসৰ শিশুসকলৰ বাবে এটা সুবিধাজনক পৰিৱেশ গঢ়ি তুলি তেওঁলোকৰ সমস্যাসমূহ সুক্ষ্মভাৱে নিৰীক্ষণ কৰি, উপযুক্ত পাঠ্যক্ৰম প্ৰস্তুত কৰি, সঠিক অভিৰোচন সৃষ্টিৰ জৰিয়তে অনগ্ৰসৰ শিশুসকলৰ ব্যক্তিত্বৰ বিকাশত অৰিহণা যোগাব পৰা যায়।





# শিক্ষাৰ্থীৰ অনুশাসনহীনতা আৰু
# ইয়াৰ নিৰাময়ৰ উপায়

দীপিকা বৰুৱা
অধ্যাপিকা
শিক্ষাতত্ব বিভাগ

শিক্ষাৰ্থীসকল হৈছে দেশৰ ধৰণী স্বৰূপ। আজিৰ শিক্ষাৰ্থী সকলেই হৈছে ভৱিষ্যতৰ সমাজ আৰু দেশৰ গুৰি ধৰোতা। শিক্ষাৰ্থীসকলৰ আচৰণ আৰু কাৰ্যকলাপে পৰিয়াল, শিক্ষানুষ্ঠান আৰু সমাজৰ মান দাঙি ধৰে। সমাজে নিৰ্দ্ধাৰিত কৰি দিয়া নীতি-নিয়মসমূহেই শিক্ষাৰ্থীসকলৰ আচৰণসমূহ সংগঠিত কৰে।

যিবোৰ নীতি-নিয়মৰ মাজেৰে শিক্ষাৰ্থীয়ে নিজৰ স্বভাৱসুলভ আচৰণৰ পৰিৱৰ্তন সাধন কৰে তাকে অনুশাসন বোলা হয়। অনুশাসনক শৃংখলাবদ্ধতাও বোলা হয়।

অনুশাসন (Discipline) শব্দটো লেটিন শব্দ 'Disciplina'ৰ পৰা আহিছে। ইয়াৰ অৰ্থ হৈছে শিষ্যৰ প্ৰতি থকা নীতি নিৰ্দেশনা। ছাত্ৰৰ কৰণীয়, ছাত্ৰৰ চৰিত্ৰ আৰু ব্যক্তিত্ব বিকাশৰ মূল বিষয় হৈছে নীতি-নিয়ম। অভিধানৰ মতে, অনুশাসন হৈছে সমগ্ৰ উপদেশ আৰু শিক্ষাৰ লগত জৰিত বিষয় যিবোৰে শিক্ষাৰ্থীসকলক আত্মনিয়ন্ত্ৰণ কৰিব পাৰে। ব্যক্তি আৰু সমাজৰ নীতি-নিয়ম, শৃংখলাবদ্ধতা ৰক্ষাৰ বাবে অনুশাসন ব্যৱস্থা অত্যন্ত আৱশ্যকীয়।

অনুশাসন সম্পৰ্কত বিভিন্ন শিক্ষাবিদে বিভিন্ন সংজ্ঞা আগবঢ়াইছে। তেওঁলোকৰ ভিতৰত চাৰ পাৰ্চি নানৰ মতে— ব্যক্তিয়ে নিজৰ ইচ্ছা আৰু শক্তিৰ নীতি-নিয়মৰ ওচৰত অৱনত হৈ বিশৃংখলতাৰ মাজত সংগঠনৰ আৰু নিশ্‌ফলতা আৰু অপচয়ৰ মাজত দক্ষতা আৰু মিতব্যয়িতাৰ সৃষ্টি কৰিব পৰা অৱস্থাটোকে অনুশাসন বোলে।

সেয়েহে শিক্ষাৰ্থীয়ে সামাজিক পৰিৱেশত আনৰ কৰ্মৰাজি আৰু আচাৰ-আচৰণ অনুকৰণ কৰি নিজৰ প্ৰবৃত্তি গত কাৰ্যৰ পৰিৱৰ্তন সাধন কৰি যি সংশোধিত আচৰণ শিকি সমাজত উপযুক্তভাৱে খাপ খাবলৈ চেষ্টা চলায় তাকে অনুশাসন বুলি কোৱা হয়। অনুশাসন অবিহনে সমাজৰ নিয়ম-শৃংখলা বজাই ৰখা সম্ভৱ নহয়। সমাজত প্ৰচলিত নীতি-নিয়ম, আইন শৃংখলাসমূহ কিছুমান শিক্ষাৰ্থীয়ে ভঙ্গ কৰি বা অৱজ্ঞা কৰি নিজৰ ইচ্ছামতে কিছুমান অসামাজিক আচৰণ প্ৰদৰ্শন কৰে যাৰ ফলত সমাজত বিশৃংখলতাৰ সৃষ্টি হয়, তেতিয়াই অনুশাসনৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হয়।

বৰ্তমান সমাজত দেখিবলৈ পোৱা এটা সমস্যা হ'ল শিক্ষাৰ্থীসকলৰ অনুশাসনহীনতা। শিক্ষাৰ্থীয়ে প্ৰদৰ্শন কৰা অসৎ, কু-অভ্যাস, অসামাজিৰ আচৰণৰ লগত শিক্ষক, অভিভাৱক আৰু সকলো লোকেই প্ৰায়েই পৰিচিত। অনুশাসনহীন আচৰণ শিক্ষাৰ্থীসকলে নানা কাৰণত কৰিব পাৰে— কিছুমান আচৰণ শিক্ষাৰ্থীয়ে অভ্যাসজনিত কাৰণত, কিছুমান অনুকৰণ কৰি, আৱেগিক উত্তেজনাৰ ফলত, প্ৰবৃত্তিমূলক প্ৰয়োজনীয়তা পূৰণৰ বাবে, নিয়ন্ত্ৰণহীনতাৰ বাবে, অধিক কঠোৰ নিয়ন্ত্ৰণৰ ফলস্বৰূপে আৰু কিছুমান পৰিৱেশৰ লগত কৰা অপসমাযোজনৰ ফলস্বৰূপে প্ৰকাশ কৰে। এনে অনুশাসনহীন আচৰণ সমাজৰ সাধাৰণ নীতি-নিয়ম ভংগ কৰাৰ পৰা গভীৰ অন্যায় আৰু নীতি বিৰোধী তথা সমাজ বিৰোধী কাম-কাজৰ মাজেদি প্ৰকাশ পায়। এনেবোৰ আচৰণক দোষণীয় আচৰণ বুলি গণ্য কৰা হয়।

সাম্প্ৰতিক সময়ত পৃথিৱীৰ উন্নত দেশসমূহে বিজ্ঞান, কাৰিকৰী, প্ৰযুক্তিবিদ্যাৰ লগতে কঠোৰ নাতি-নিয়মৰ জৰিয়তে সমাজত অনুশাসনো বজাই ৰাখিছে। কিন্তু ভাৰতবৰ্ষত বিজ্ঞান আৰু প্ৰভাৱ পৰিছে যদিও কঠোৰ অনুশাসন পৰিৱৰ্তে অনুশাসনহীনতাহে সততে দেখিবলৈ পোৱা গৈছে। ইয়াৰ কাৰণ হিচাপে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ সঁজুলিসমূহৰ অপপ্ৰয়োগকে চিহ্নিত কৰিব পাৰি।

সমাজত দেখিবলৈ পোৱা শিক্ষাৰ্থীসকলৰ অনুশাসনহীনতা নিৰাময়ৰ বাবে কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিব পাৰি—

**১। মৰম স্নেহৰ উপযুক্ত ব্যৱহাৰ ঃ** শিক্ষাৰ্থীসকলক শিশুকালৰ পৰা উপযুক্ত মৰম স্নেহৰ ব্যৱহাৰে তেওঁলোকক আবেগিকভৱে নিৰাপত্তা প্ৰদান কৰিব পাৰে। সঠিক দিশত আদৰ-যত্ন, মৰম-স্নেহ, সুৰক্ষা, নিশ্চয়তা আৰু পৰ্যাপ্ত পৰিমাণে পুষ্টিকৰ আহাৰ পালে শিশুৰ আৱেগিক বিকাশৰ গতি সুষম হয়। শিশুৱে অনুশাসনহীন আচৰণৰ পৰা মুক্ত হৈ পৰে।

**২। ভাৰসাম্য আৰু সম অনুশাসনৰ ব্যৱস্থাৰ প্ৰয়োগ ঃ** ঘৰুৱা পৰিৱেশত শিশুৰ বাবে একে ধৰণৰ অনুশাসনৰ প্ৰয়োগ কৰিব লাগে। মাক-দেউতাক দুয়োজনে যদি দুই ধৰণৰ অনুশাসন ব্যৱস্থা প্ৰৱৰ্তন কৰে তেন্তে তাৰ পৰাও অনুশাসনহীনতাৰ সৃষ্টি হ'ব লাগে। শিশুৰ বোধগম্য হোৱাকৈ সকলো কামৰ ফলাফল সম্পৰ্কে বুজাব লাগে। এজনৰ কঠোৰ এজনৰ সোপাধিলা ধৰণৰ অনুশাসনৰ বিপৰীতে একে ধৰণৰ শাসন দেখুৱাব লাগে। শিশুক সলনি মৰমৰ পৰিৱেশত দিয়া অনুশাসনেহে প্ৰকৃততে ব্যক্তিত্ব বিকাশৰ বাবে উপযোগী হয়।

**৩। প্ৰবৃত্তি প্ৰসূত কাৰ্যৰ বাধাহীনতা ঃ** প্ৰত্যেক জীৱই প্ৰবৃত্তি প্ৰসূত কাৰ্যৰ পূৰণৰ আসক্তি প্ৰকাশ কৰে। শিশুৱেও এনে কাৰ্যৰ প্ৰতি স্বাভাৱিক আসক্তিৰে সেইবোৰ পূৰণ কৰিবলৈ বিচাৰে। ইয়াৰ বাধাপ্ৰদান হ'লে শিশুৱে অনুশাসনহীন আচৰণ কৰে। গতিকে যিমান দূৰ পাৰি এনে স্বাভাৱিক প্ৰবৃত্তিসমূহ পূৰণৰ চেষ্টা কৰিব লাগে। ইয়াৰ বিকল্প হিচাপে কেতিয়াবা আন ধৰণেও পূৰণ কৰাতসহায় কৰিব লাগে। লক্ষ্য ৰাখিব লাগে যাতে শিশুৱে বিকাশৰ স্বাভাৱিক গতিত বাধা প্ৰাপ্ত নহয়।

**৪। বেয়া পৰিৱেশৰ পৰা মুক্ত কৰা ঃ** বেয়া পৰিৱেশে শিক্ষাৰ্থীক কিছুমান অসামাজিক আচৰণৰ প্ৰতি আসক্ত কৰিব পাৰে। যিমান দূৰ পাৰি মাক-দেউতাকে শিক্ষাৰ্থীসকলক লগৰীয়া, খেলাৰ দল নিৰ্বাচন কৰোতে চকু ৰাখিব লাগে। কিছুমান ডাঙৰ লোকেও কেতিয়াবা শিক্ষাৰ্থীক প্ৰৰোচিত কৰি বেয়া কামত লিপ্ত কৰাব পাৰে। সেইবাবে বিদ্যালয়ৰ পৰিৱেশ আৰু ঘৰুৱা পৰিৱেশ সকলো ক্ষেত্ৰতে মাক-দেউতাক, শিক্ষক, অভিভাৱকে শিক্ষাৰ্থীসকলক বেয়া সঙ্গৰ পৰা আঁতৰত ৰাখিবলৈ চেষ্টা কৰিব লাগে।

শিক্ষাৰ্থীসকলৰ অনুশাসনহীনতা নিবাময়ৰ বাবে সুপৰিকল্পিত আৰু সঠিক ব্যৱস্থাৰ জৰিয়তে সমাজৰ প্ৰতিজন ব্যক্তিয়েই পদক্ষেপ গ্ৰহণ কৰি প্ৰতিজন শিক্ষাৰ্থীকে ভৱিষ্যত সমাজৰ বাবে একো একোজন মানৱ সম্পদ হিচাপে গঢ়ি তুলিব পৰা যায়। ইয়াৰ লগতে বিদ্যালয়, মহাবিদ্যালয়ত শৈক্ষিক আৰু ভৱিষ্যতৰ কৰ্ম সংস্থাপনৰ নিৰ্দেশনাৰ সুবিধা প্ৰদান কৰিব লাগে। ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীয়ে যাতে নিৰ্দিষ্ট দিশত নিজকে ভৱিষ্যত জীৱনৰ বাবে প্ৰস্তুত কৰি আগুৱাই লৈ যাব পাৰে। ❁








# ছাত্ৰ উচ্ছৃংখলতা আৰু প্ৰতিৰোধৰ উপায়

ধনদা কোঁৱৰ
অধ্যাপিকা
শিক্ষাতত্ব বিভাগ

ছাত্ৰ সমাজে সমাজৰ প্ৰচলিত নীতি-নিয়মৰ বিৰুদ্ধে গৈ প্ৰদৰ্শন কৰা অশালীন আৰু অমানৱীয় আচৰণকে ছাত্ৰ উচ্ছৃংখলতা বোলা হয়। যেনে নিচাযুক্ত দ্ৰব্য সেৱন, মাৰপিট, যৌন সম্বন্ধীয় অপৰাধ, চুৰি, ডকাইতি, হত্যা, ইত্যাদি।

বৰ্তমান ছাত্ৰ সমাজে তেওঁলোকৰ মহান দায়িত্বক আওকাণ কৰি সমাজৰ কিছুমান অগ্ৰহণীয় আৰু ঘৃণনীয় কাৰ্যত লিপ্ত হ'বলৈ প্ৰয়াস কৰিছে। বৰ্তমান ছাত্ৰ সমাজে বহু সময়ত জ্যেষ্ঠজনক অমান্য কৰি বাটে পথে মুকলিকৈ চিগাৰেট খোৱা, অশালীন কথা-বাৰ্তা, ভাং খোৱা আদি লজ্জাজনক কাৰ্য কৰাও দেখা যায়।

আনহাতে, কিছু সংখ্যক ছাত্ৰই পৰীক্ষা গৃহত অসৎ উপায় অৱলম্বন কৰা, ৰেগিং কৰা আদি কাৰ্যত লিপ্ত হৈ শিক্ষানুষ্ঠানৰ পৰিৱেশ বিনষ্ট কৰাও দেখা যায়। আনকি পৰীক্ষা গৃহৰ পৰা বহিষ্কৃত হোৱা ছাত্ৰই শিক্ষকক বাটে-পথে অপমান কৰা উদাহৰণ আজিৰ সমাজ ব্যৱস্থাত বিৰল নহয়।

বৰ্তমান সময়ত দেখা পোৱা বিভিন্ন সমস্যাসমূহৰ ভিতৰত এটা জলন্ত সমস্যা হৈছে ছাত্ৰ-ছাত্ৰীৰ মাজত বৃদ্ধি পাই অহা অপৰাধ প্ৰৱণতা বা যুৱ উচ্ছৃংখলতা। যি নেকি বৰ্তমান সময়ত দেশৰ ভৱিষ্যতৰ ভাবুকি স্বৰূপ হৈ পৰিছে। উদাহৰণস্বৰূপে ঃ ৮/৬/২০১৮ তাৰিখে কাৰ্বি আংলঙৰ ডকমকা অঞ্চলত সংঘটিত হোৱা নীলোৎপল দাস আৰু অভিজিত নাথৰ হত্যাকাণ্ডৰ কথা আঙুলিয়াই দিব পাৰি।

**Diagnosis and treatment:** Due to very much resemblance of the symptoms, NiV is offer confused with Japanese Encephalitis. The detection of NiV in patients can be made using a combination of fests like virus isolation and real time polymerase chain reaction (RT-PCR)(from throat and nasal swabs, cerebrospinal fluid, urine and blood should be performed in the early stages. Antibody detection by ELISA can be used later on.

Since, there is no particular vaccine for NiV, the treatment is limited to supportive care. Due to high chance of human-to-human transmission, standard infection control practices and proper barrio nursing techniques are important in preventing hospital acquired infections. The antiviral ribavirin has been used for the patients, but very less is found to be effective. The WHO states that a vaccine is being developed and proven successful in cats. Canary pox vectored Nipah F and G vaccine has appeared promising for preventing infection in swines and also has potential as a vaccine for human.

**Prevention:** Remembering the old saying, "Prevention is better than care", has been proven to be most effective against Nipah infections. Preventions can be made by-

i) Avoiding the consumption of fruits and vegetables contaminated by bats. Raw fruits and vegetables should be washed properly before eating.
ii) Utensils used to keep that eating fruits can spread disease through food, hence, should be washed properly.
iii) Consuming of date plain should be avoided in highly disease prone areas.
iv) Since pigs are vectors of NiV, so, consumption of pork should be avoided in the disease prone areas until the conditions come to their normal position. Direct contact with infected pigs should be avoided.
v) Since, NiV can also be transmitted through body excretions. It is suggested to stay away and not to climb trees which are habits of bats.
vi) Street foods from stalls near trees that shelters bats should not be taken.
vii) Neem, tulsi are natural antimiaobials and immunity enhance. Consumption of neem and tulsi leaves can prevent NiV along with many other diseases.
viii) A high alert and proper knowledge about the disease is the most effective way to get rid of such highly transmutable diseases.

Due to high pertange of contaminations and high fatality rate, NiV has become a subject of major concern to the scientists and thinkers all over the world. WHO has taken many steps to create alertness and stop further spread of the diseases? Thinking about its high infection rate, a Hollywood film also has been make named "contagion" in 2011. The virus shown in this film, MEV-1 was inspired by the Nipah Virus. WHO and other scientists have been working for the proper treatment and vaccination against NiV. Their works so far has shown a ray of hope, that future Nipah Virus can be completely eliminated from earth. ✸





# পৱিত্ৰ ভাদমাহ আৰু আধ্যাত্মিকতা

নিজুমণি চাংমাই
সহকাৰী গ্ৰন্থাগাৰিকা

ভাদমাহ পৱিত্ৰ মাহ। ভক্তি ৰসৰ সাগৰ বৈ যায় এই মাহটোত। হৰি বন্দনাৰে মুখৰিত হৈ পৰে অসমীয়াৰ জাতীয় সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ নামঘৰ। প্ৰতিজন অসমীয়াই হেপাহেৰে বাট চাই ৰৈ এই ভাদ মাহটোলৈ। প্ৰায় সমগ্ৰ মাহ জুৰি নাম প্ৰংসগ চলে ৰাজ্যৰ চুকে কোনে থকা প্ৰতিটো নামঘৰতে। গঞাই পাল পাতি নামঘৰত মাহ প্ৰসাদ আগবঢ়ায়। ইয়াৰ অন্তৰালত থকা কাৰণটো হ'ল— অসমীয়া জাতি গঠনৰ ভেঁটি তৈয়াৰ কৰোতা দুই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ তিৰোভাৱ তিথি এই মাহতে পৰে। তদুপৰি শঙ্কৰদেৱৰ আবিৰ্ভাৱ তিথিয়েও ভাদ মাহটোক পৱিত্ৰ কৰি তুলিছে। এই কথাকে সাৰোগত কৰি ভাদমাহটোক অতিকে পৱিত্ৰ মাহ বুলি গণ্য কৰি নামঘৰে নামঘৰে মাহজুৰি নামকীৰ্তন কৰা হয়। অন্যহাতেদি আন এটা দিশৰ পৰাও ভাদমাহক বিচাৰ কৰি চোৱা দেখা যায়। বহাগৰ পৰা শাওনমাহলৈকে কৃষকসকলে অতি ব্যস্ততাৰে কপালৰ ঘাম মাটিত পেলাই খেতি পথাৰত ব্যস্ত থাকিবলগীয়া হয়। কৃষকসকলে শাওনাৰ পথাৰত কঠিয়া ৰুই, দুচকুত আঁকি লয় বছৰটোৰ বাবে সোণালী সপোন। সেয়ে ভাদমাহ যেন জিৰণিৰ সময়, এই জিৰণিৰ সময়ছোৱাত দুয়োজনা গুৰুৰ লগতে শ্ৰীকৃষ্ণৰ নাম গুণ গাই আধ্যাত্মিক ভাৱত বুৰ গৈ পৰম শান্তিৰ বাবে প্ৰাৰ্থনা কৰে। ঘৰৰ মুৰব্বীসকলেও ঘৰখনৰ অপায় অমংগল দুৰ কৰাৰ প্ৰাৰ্থনা কৰি ভকত বৈষ্ণৱৰ চৰণত মূৰ দোঁৱাই আশীৰ্বাদ বিচাৰে। অন্যহাতে আকৌ কিছুমান অসমীয়া ভক্তিপ্ৰাণ লোকে এই মাহতে ঢেকীয়াখোৱা, আঠখেলীয়া, বৰদোৱা, বৰপেটা আদি নামঘৰত শৰাই এখন দিয়াৰ মানস কৰি লয়।

ভক্তি ৰসেৰে পূৰ্ণ এই মাহৰ প্ৰতিটো দিনেই পৱিত্ৰ। পৱিত্ৰ মানতেই আধ্যাত্মিকতাই ঠাই লয় মানুহৰ অন্তৰত। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ভাগৱত পুৰাণৰ পৰা সঁ-সংগ, গীতাৰ একশৰণ আৰু পদ্মপুৰাণৰ সহস্ৰ নামখণ্ডৰ পৰা নামধৰ্ম লৈ অসম, কামৰূপ আৰু কোচবিহাৰত যি ভক্তিধৰ্ম তথা এক শৰণ নামধৰ্ম প্ৰচাৰ কৰিলে তাৰ ফলত নানান ধৰ্ম, নানান আচাৰ, পদ্ধতি, নানান জাতি-উপজাতি আৰু ভাষা আদিৰে বহুধা বিভক্ত হৈ থকা অসমৰ জনসাধাৰণক এডাল সূতাৰে গ্ৰথিত কৰি বৃহৎ অসমীয়া জাতি গঠন কৰি থৈ গ'ল। শ্ৰীমন্ত শঙ্কৰদেৱৰ আধ্যাত্মিক দান প্ৰসংগত ড° বাণীকান্ত কাকতিৰ ভাষাৰে, "বিৰাট পুৰুষৰ আদৰ্শ উদ্ধাৰ কৰি নিস্কামভাৱে তাৰ উপাসনা কৰি, কেনেকৈ সকলো কামনাৰে নিবৃত্তি সাধন কৰি, মুকুতি পথত আগুৱাব পাৰি, তাৰ সন্ধান অসমীয়া সমাজক মহাপুৰুষে দান কৰে। সেই বাটৰ পৰা কৰ্মৰ বিভীষিকা আৰু সামাজিক শ্ৰেণীভেদৰ ব্যৱধানৰ কুঁৱলী আঁতৰাই সকলোকে ভয় নোহোৱাকৈ খোজ কাঢ়িবৰ জন্মগত অধিকাৰ মহাপুৰুষে দান কৰে"।

অসমৰ জাতীয় জীৱনত সাংস্কৃতিক ৰুচিবোধৰ পৰিপুষ্ট সাধনত নামঘৰৰ পৰিকল্পনা বৈশিষ্ট্যপূৰ্ণ। এই নামঘৰে যিদৰে জাতীয় ঐক্য সাধন কৰিছে সেইদৰে ই জনসাধাৰণৰ কলাসুলভ জীৱন চেতনাৰ সঞ্চাৰ কৰি জাতীয় জীৱনত সঞ্জীৱনী সূধা ঢালিছে। সেয়েহে নামঘৰে নামঘৰে, সত্ৰই সত্ৰই জ্বলোৱা ধূপ-ধুনা আৰু মাটি চাকিৰ পোহৰে মানুহৰ মনতো আধ্যাত্মিকতাৰ ভাৱ লৈ যাব পাৰে গভীৰৰ পৰা গভীৰলৈ। য'ত থাকে ঈশ্বৰ চিন্তাৰ প্ৰাসংগিকতা। সত্ৰ, নামঘৰবোৰত পুৱা, দুপৰীয়া, আবেলি আৰু গধূলি চাৰি প্ৰসংগত গোৱা হৰিনামে মানুহৰ অন্তৰত আধ্যাত্মিকতাৰ বিস্তৃতি কৰে। লোভ, মোহ, কাম, ক্ৰোধ, আদি ব্যাধিসমূহৰপৰা আঁতৰি কেৱল ভক্তি মনোনিৱেশ কৰিবলৈ হাত বাউলি মাতে। বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে যিসমূহ পাঠ্যপুথি যুগতোৱা হৈছে, তাত নীতিশিক্ষা বা আধ্যাত্মিকতাৰ ওপৰত পোৱা নাযায়। গতিকে ভাদমাহৰ পৱিত্ৰ দিনকেইটাৰ জড়িয়তে বৰ্তমানৰ প্ৰজন্মক অকণমান হ'লেও নীতি শিক্ষাৰ লগতে আধ্যাত্মিকতাৰ আওতালৈ আনিব পৰা যায়। ড° বাণীকান্ত কাকতিয়ে কৈছিল, "নামঘৰ হ'ল Village parliament"। গতিকে নিসন্দেহে এই parliament য়ে আমাক নীতি শিক্ষা আৰু আধ্যাত্মিকতাৰ পাঠ শিকাত সহায় কৰিব। ✸

সহায়ক গ্ৰন্থ ঃ
১) নেওগ, হৰিপ্ৰসাদ, অসমীয়া সংস্কৃতি, বনলতা, ডিব্ৰুগড়
২) বৰগোহাঁই, যতীন্দ্ৰ কুমাৰ, অসমৰ উৎসৱ আৰু পূজা, জ্যোতিপ্ৰকাশন, গুৱাহাটী
৩) www.xahitya.org

# ড° লীলা গগৈৰ 'নৈ বৈ যায়' উপন্যাসত বিহুৰ চিত্ৰ

কেশৰী ভূঞা
অধ্যাপিকা
অসমীয়া বিভাগ

নৈ বৈ যায়। নদীৰ দৰে বৈ যায় সময়। সময় নদীৰ তীৰত বহি মানুহে সোঁৱৰণ কৰে পাৰ হৈ যোৱা নানাৰঙী দিনবোৰৰ কথা। তেনে সোঁৱৰণৰ আলমতে গঢ় লৈ উঠিছে 'নৈ বৈ যায়'ৰ কাহিনীভাগ। অসমীয়া মানুহ, অসমীয়া সমাজৰ ৰীতি-নীতি, সামাজিক বান্ধোনৰ ৰূপ, আনন্দ-অশ্ৰু-হাঁহি-কৰুণাৰ সান-মিলহি প্ৰকাশেৰে এইখিনি যেন জাতীয় জীৱনৰ এখনি নিখুঁট প্ৰতিচ্ছবি। দিখৌপৰীয়া ডেকা-গাভৰু ভগীৰথ আৰু সুৱাগীৰ প্ৰেম কাহিনী, জীৱন পথৰ লগে লগে অসমীয়া সংস্কৃতি সমাজ জীৱনেও প্ৰাণ পাই উঠা ড° লীলা গগৈৰ নৈ বৈ যায় উপন্যাসখনৰ মাজত প্ৰতিফলিত হৈছে সময়ৰ পৰিৱৰ্তনশীলতা।




পুৰণি অসমৰ বিহু উৎসৱৰ কথা নানাজনে নানা ঠাইত লিপিবদ্ধ কৰি থৈছে। তাৰ ভিতৰত জাকত-জিলিকা ৰজনীকান্ত বৰদলৈৰ উপন্যাসত থকা ৰংঘৰৰ ৰঙালী বিহুৰ মনোমোহা ৰূপ। ৰাতি বিহু এতিয়া প্ৰায় হেৰাই যোৱা বস্তু। এতিয়াৰ ডেকা-গাভৰুৱে ৰাতি বিহুৰ প্ৰকৃত ৰূপৰ উমান নাপায়। বিহু যৌৱনৰ উৎসৱ। ৰাতি বিহুত ডেকা-গাভৰুৰ মুকলিমূৰীয়া নৃত্য আৰু গীতে মনৰ আবেগৰ পাৰ ভাঙি দিয়ে। বুকুত সাঁচি থোৱা কথাবোৰ গীত হৈ ওলাই আহে। সাতখন গাঁৱৰ ডেকা-গাভৰুৱে য'ত একেলগ হৈ বিহু মাৰে তাত কেনে পৰিৱেশৰ সৃষ্টি হ'ব পাৰে সি সহজেই অনুমেয়। তেনে পৰিৱেশৰ বৰ্ণনা দিয়েই ইয়াত কোৱা হৈছে 'সাতখন গাঁৱৰ ডেকা-গাভৰু আহি বিহুতলিত থুপ খাইছেহি। ৰঙা আঁচুৰ ফুলাম গামোচা, ফুলাম টঙালি। ঢোলটো ফুলাম গামোচাৰ মেৰ। গাভৰুহঁতক খোপাত কপৌফুল, ওঁঠত বৰহমথুৰি, কামত জাংফাই থুৰীয়া। কলডিলীয়া, নেঘেৰী ঘিলাচকলীয়া খোপাত কপৌফুল, কেতেকীফুলৰ ৰেণু ঘঁহি গোন্ধত আমোল-মোলাই অহা গাভৰুৰ মুখ জিলিকি উঠিছে। বিহুতলিত ৰং উপচি পৰিছে; দেহতো, মনতো"। নাচোনৰ মাজত ঢুলীয়া-নাচনী নাইবা পেঁপুৱা নাচনীয়ে বাজি মৰা, বিহুগীতৰ মাজেদি ডেকা-গাভৰুৱে মনৰ কথাৰ দিয়া-নিয়া কৰা এইবোৰ মনোৰম বৰ্ণনা ইয়াত জীৱন্ত হৈ উঠিছে। গাঁৱলীয়া ডেকা-গাভৰুৰ মনৰ কবিত্ব শক্তিৰ অপূৰ্ব প্ৰকাশ বিহু গীতবোৰ। তাৰ মাজেদি যৌৱনৰ সকলো বাসনা কেনেদৰে প্ৰকাশ পায় তাৰ আভাস এই উপন্যাস জীৱন্ত। সুৱাগীক পাবলৈ আকুল হৈ পৰা ভগীৰ মনৰ বাসনা প্ৰকাশ পাইছে গীতৰ মাজেদি—

"বতাহৰ ঢালতে গোন্ধাই মলেমলি
কাৰ ঘৰৰ জনীয়া আম;
পাৰিও নিদিয়ে সৰিও নপৰে
তোমাক কেনে কৰি পাম"





সুৱাগীৰো বুকু উজাৰি ওলাবলৈ বিচৰা গীতৰ সুৰ—

"মোৰ ঘৰ ইপাৰে তোমাৰ ঘৰ সিপাৰে
মাজত বৰতনি হাবি
খৰি শুকুৱাদি শুকালো চেনাই
তোমাক দিনে ৰাতি ভাবি"

এইদৰে উপন্যাসখনিৰ বুজন এছোৱা অধিকাৰ কৰি আছে বিহুগীতবোৰে। নায়ক নায়িকাৰ মনৰ ভাব প্ৰকাশত কথাতকৈও এই গীতবোৰেহে বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। বহাগৰ সাত বিহু, প্ৰতিটো বিহুৰ নাম উপন্যাসখনিত জিলিকি আছে। গৰু বিহু, মানুহ বিহু, গোসাঁই বিহু, তাঁতৰ বিহু, নাঙলৰ বিহু, ঘৰচীয়া জীৱন জন্তুৰ বিহু আৰু চেনেহী বিহু চেৰ বিহুত বিহু বিদায় হয়। বিহুক প্ৰতিদিনৰে সন্নিৱিষ্ট বৰ্ণনাই মাজে মাজে উপন্যাসখনি ৰচনাগন্ধী কৰিব খোজে। অৱশ্যে তেনেবোৰ সময়ত নায়ক-নায়িকাৰ মনোভাৱ কৌশলেৰে সংলগ্ন কৰি দিয়াৰ ফলত এইবোৰে সোৱা হেৰুওৱা নাই।

মাঘ বিহুৰ মেজি, ভোজ-ভাতৰ উখল-মাখল, ম'হ যুঁজৰ উত্তেজনা এইবোৰৰ মাজেদি ভগীৰ মনৰ বিচিত্ৰ অনুভূতিৰ উঠা-নমাৰ বিৱৰণ ঔপন্যাসিকে সুন্দৰকৈ দিছে। তাৰ আলমতে জিলিকি উঠিছে ভোগৰে ভৰপুৰ পুৰণি সমাজৰ ৰন্ধন কলাৰ এটি ৰূপ। ভুৰুকীয়া পিঠা, খামুচীয়া পিছা, উখুৱা পিছা, ভাত পিঠাৰ লগতে বন-শাক, বন-টেঙাৰে সোৱাদ লগাকৈ এসাজ খাব পৰা অসমীয়া মানুহৰ সহজ-সৰল ৰন্ধন-প্ৰণালীৰ উমান এটা ইয়াত পোৱা যায়।

সময়ৰ লগে লগে সংস্কৃতিলৈও পৰিৱৰ্তন আহে। কেতিয়াবা সংস্কৃতিৰ অন্যতম সমল কিছুমান সময়ৰ সোঁতত হেৰাই যায়। যেনেদৰে চামে চামে প্ৰজন্ম আহে আৰু হেৰায়ো যায়। পাৰ হৈ যোৱা সময়খিনিৰ লগত একাত্ম হয়। ফলস্বৰূপে পূৰ্বৰ প্ৰজন্মৰ চিন্তা-চেতনা, ধ্যান-ধাৰণাৰ লগত নতুন প্ৰজন্মৰ এক মানসিক দ্বন্দ্ব আৰম্ভ হয়। নৈ বৈ যায় উপন্যাসখনত ভগীৰথ, সুৱাগী, ভগীৰ মাক, ভগীৰ পুত্ৰ-কন্যা আদি চৰিত্ৰসমূহৰ জড়িয়তে সময়ে কেনেদৰে সমাজ জীৱনলৈ পৰিৱৰ্তন আনি দুটা প্ৰজন্মৰ মাজত মানসিক সংঘাটৰ সৃষ্টি কৰে সেয়া ঔপন্যাসিকে মনঃস্তত্ত্বিক দক্ষতাৰে উপস্থাপন কৰিছে।

সুৱাগীয়ে যি সময়ত বা যি বয়সত নৈ ঘাটৰ পৰা পানী আনিছিল, বিহুতলিত নাচিছিল। বিহুৰ পিঠা-পনা খুন্দিছিল অৰুণিমাই কিন্তু সেই বয়সত এটা সম্পূৰ্ণ বেলেগ পৰিৱেশ আকোৱালি লৈছে। সুৱাগীহঁতে নাচিছিল গছৰ তলত কিন্তু অৰুণিমাই নাচিছে ৰভাৰ তলত পতা বিহুতলিত। সাজ-পোচাকৰ ক্ষেত্ৰত অহা পৰিৱৰ্তনেও প্ৰজন্মৰ ৰুচিবোধৰ মাজত আহি পৰা ব্যৱধান দাঙি ধৰিছে। সুৱাগী-ভগীৰথে যিবোৰ বিহুনাম লুকাই চুৰকৈ গাইছিল সেইবোৰ অৰুণিমাহঁতৰ সময়ত মুকলিকৈ গাইছে। বিহুৰ সময়ত সুৱাগীয়ে ঘৰত ঘিলাপিঠা, সুতুলী পিঠা, জোনপিঠা পুৰিছিল। কিন্তু অৰুণিমা সেইসময়ত ঘৰত থাকিবলৈ সময় নাপায়। সুৱাগীয়ে ওচৰ পাজৰৰ মানুহক পিঠা পুৰি, চিৰা খুন্দি সহায় কৰিছিল। য'ত এখন গ্ৰাম্য সমাজৰ সৰল আন্তৰিকতা ফুটি উঠিছে। যিটো পৰৱৰ্তী সময়ত নাইকিয়া হৈছে।

নৈ বৈ যায় উপন্যাসখনে আমাৰ সাংস্কৃতিক জীৱনৰ এখন সুখপাঠ্য বুৰঞ্জীৰ ভূমিকা গ্ৰহণ কৰিছে। কল্পনা আৰু বাস্তৱৰ সুন্দৰ মিশ্ৰনেৰে 'নৈ বৈ যায়' সেয়েহে সকলো শ্ৰেণীৰ পাঠকে সোৱাদ পোৱা উপন্যাস।

# একবিংশ শতিকাৰ যুৱ সমাজ

**মনীষা গগৈ**
স্নাতক তৃতীয় ষাণ্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

**"জিলিকাব লুইতৰে পাৰ**
**অন্ধকাৰৰ ভেটা ভাঙি প্ৰাগজ্যোতিষত বয়**
**জেউতি নিজৰাৰে ধাৰ**
**শত শত বন্তিৰ জ্ঞানৰ দীপালীয়ে**
**জিলিকাব লুইতৰে পাৰ..."**

সংগীতসূৰ্য ড° ভূপেন হাজৰিকাই ৰচনা কৰা এই গীতটি। ১৯৫৮ চনত ৰচনা কৰা এই গীতটিত লুকাই আছে এক অৰ্থ। ধানটোৰে প্ৰতি কণটো, মানুহটোৰে প্ৰতি মনটো। পৃথিৱীৰ প্ৰতিজন মানুহেই একক আৰু অনন্য। এই পৃথিৱীত মন আৰু দেহেৰে মিল থকা সাইলাখ একে দুজন মানুহ বিচাৰি পোৱাটো অকল অসম্ভৱেই নহয় অবান্তৰো।

আমি জানো যে বিশ্বব্ৰহ্মাণ্ডৰ সকলো জীৱৰ ভিতৰত মানুহেই শ্ৰেষ্ঠ। জ্ঞান বুদ্ধিৰ বলত মানুহে আজি যি অসাধ্য সাধন কৰিবলৈ সক্ষম হৈছে ই কল্পনাৰো অতীত। এইখন সমাজত মহামানৱৰ জন্ম হৈছে, কবি, সাহিত্যিক, দাৰ্শনিক, বিজ্ঞানী আদিৰ আৱিৰ্ভাৱ হৈছে। সমগ্ৰ মানৱ জাতিৰ বাবে ই গৌৰৱ। কিন্তু এইখন সমাজতে আকৌ অসামাজিক কাৰ্য সংঘটিত হোৱা আমাৰ বাবে অগৌৰৱ।

**যুৱ উচ্ছৃংখল বৰ্তমান সমাজৰ এক জটিল সমস্যা হিচাপে পৰিগণিত হৈছে।**

যুৱ উচ্ছৃংখল বৰ্তমান সমাজৰ এক জটিল সমস্যা হিচাপে পৰিগণিত হৈছে। ইয়াৰ বিভিন্ন কাৰণ আছে। কাৰণ যুৱ উচ্ছৃংখলতাৰ লগত সমাজ ব্যৱস্থাৰ এক এৰাব নোৱাৰা সম্পৰ্ক আছে। কাৰণ সন্তান এটাই প্ৰথম শিক্ষা ঘৰখনৰ পৰাই পাই। তাৰ পাছত সমাজখনৰ পৰা। প্ৰথম কথা হ'ল আজিকালি যুৱসমাজৰ মাজত ভয়, ডাঙৰক সন্মান কৰা বা গভীৰভাৱে কথাবোৰ চিন্তা কৰি কাম কৰাৰ মানসিকতা কমি গৈছে। দ্বিতীয়তে মাদক দ্ৰব্যৰ প্ৰতি থকা আসক্তিয়ে অন্যতম উদাহৰণ। সমাজত নিচাযুক্ত বা ৰাগিয়াল দ্ৰব্যসমূহ অবাধ প্ৰচলন ঘটা নাইবা এইবোৰৰ নিয়ন্ত্ৰণ নোহোৱাটোৱেই ইয়াৰ একমাত্ৰ কাৰণ।

নিচাযুক্ত বা ৰাগিয়াল বস্তু বুলিলে মদ, ভাং, বিড়ি, চিগাৰেট, ধঁপাত, পাণমচলা, গুটখা আৰু হেৰনি আদি দ্ৰব্যসমূহক বুজায়। আমি সকলোৱে দেখি উপলব্ধি কৰিব পাৰো যে এই দ্ৰব্যবোৰ সেৱনৰ ফলত ব্যক্তিগত জীৱনৰ শাৰীৰিক বা মানসিক স্বাস্থ্যৰ বাবে কিমান ক্ষতিকাৰক আৰু মধ্যবয়সত ই কিমান ধৰণৰ কঠিন ৰোগৰ সৃষ্টি কৰিব পাৰে। সেৱনকাৰীসকলে প্ৰথমতে এই কথা উপলব্ধি কৰিব নোৱাৰে। অথবা কোনো ক্ষেত্ৰত ই উপলব্ধি হ'লেও ইয়াক সেৱন কৰাৰ পিছত সহজে ত্যাগ কৰিব নোৱাৰে।

অভিজাত পৰিয়ালৰ বহু সন্তানে নিজে বিচৰা প্ৰতিটো বস্তু পোৱাৰ বাবেও বহুতো যুৱক-যুৱতী উৎশৃংখল হ'ব ধৰিছে। ঠিক তেনেদৰে অভাৱত পৰা ল'ৰা-ছোৱালী কিছুমানে নিজৰ প্ৰয়োজনসমূহ নোপোৱাৰ ফলতো কেতিয়াবা বিপথে পৰিচালিত হোৱা দেখা যায়। কথাতেই কই অভাৱেই স্বভাৱ নষ্ট কৰে। গোলকীয় পৃথিৱীত আৰু বৰ্তমান ইণ্টাৰনেটৰ যুগত সকলো বস্তু চাবলৈ বা বিচাৰিবলৈ সহলভ্য। এইবোৰৰ ভাল দিশটো নলয় যদি কোনোবাই বেয়া দিশটোৰ ওপৰত বেছি গুৰুত্ব দিয়ে তেতিয়াও যুৱ সমাজৰ মানসিকতা নষ্ট হ'ব। নিবনুৱা সমস্যাৰ বাবেও যুৱ সমাজ বিপথে যাব পাৰে। নিজক প্ৰতিষ্ঠা কৰিব নোৱাৰাৰ বাবে বহুতো হতাশ হৈ যায় আৰু কিছু সংখ্যকে মদ, ভাং, ড্ৰাগচৰ প্ৰতি আসক্ত হৈ সমাজত এক বিশৃংখল পৰিৱেশৰ সৃষ্টি কৰে।





সাম্প্ৰতিক কালত নানা লোমহৰ্ষক ঘটনাৰ লগত বিভিন্ন অসামাজিক কামৰ মাত্ৰ যিদৰে বৃদ্ধি পাইছে এইদৰে কিছুমান প্ৰাণ সংহাৰী ৰোগ সমাজত বাঢ়িছে।

প্ৰচলিত নিচাযুক্ত দ্ৰব্যৰ ভিতৰত মদ এবিধ ক্ষতিকাৰক দ্ৰব্য। ই অকল শাৰীৰিকভাৱেই নহয় মানসিক স্বাস্থ্যৰ বাবেও পৰিপন্থী। এবিধ দ্ৰব্য দীৰ্ঘদিন সেৱনৰ ফলত স্মৃতিশক্তি, দৃষ্টিশক্তি, ধাৰণাশক্তি ক্ষীণ হোৱাৰ ওপৰিও হাওঁফাওঁ, হৃদযন্ত্ৰ, স্নায়ু দুৰ্বলতা আৰু ৰক্তচাপ বৃদ্ধি ৰোগৰ সৃষ্টি কৰে।

যুৱ প্ৰজন্মৰ নিচাযুক্ত দ্ৰব্য সেৱনৰ আসক্তি দ্ৰুতগতিত বৃদ্ধি পাইছে। ই সমাজৰ বাবে এক ভয়ংকৰ সংকট। কিয়নো যুৱশক্তি হৈছে সমাজৰ তথা দেশ গঢ়াৰ মূল ভেটিস্বৰূপ। এই ভেটি সুদৃঢ় নহ'লে সমাজত শান্তিৰ সম্ভৱ নহয়। যুৱশক্তি হৈছে এনে এক চালিকা শক্তি যাৰ ওপৰত নিৰ্ভৰ কৰি কেৱল এটা জাতিয়ে নহয় এটা পূৰ্ণ বিকশিত সভ্যতাই নিজৰ অস্তিত্ব ৰক্ষা, ক্ৰমবিৱৰ্তন অথবা ক্ৰমবিকাশৰ পথ পোহৰাব পাৰে। সমাজখনক বৰ্তমান ৰূপ দিয়া অগ্ৰজ ব্যক্তিসকল শাৰীৰিক মানসিকভাৱে দুৰ্বলী হৈ এসময়ত যেতিয়া বৃদ্ধাৱস্থালৈ গতি কৰে। তেতিয়া এটা জাতিক সঠিক দিশেৰে আগুৱাই নিব পৰা একমাত্ৰ চালক হৈছে যুৱশক্তি।

প্ৰত্যেকজন যুৱক-যুৱতীয়ে এটি সুন্দৰ স্বাস্থ্যৰ বাবে, এটি সুন্দৰ পৰিয়ালৰ বাবে এটি শান্তিৰ পৰিৱেশৰ বাবে হ'ব লাগিব সু-শৃংখল অনাগত ভৱিষ্যতৰ বাবে আমিয়েই হ'লো হ'লো ৰঙৰ পোহৰ। আমিয়েই আমাৰ সেউজীয়া পৃথিৱীৰ ৰক্ষক। আজিৰ সমাজত এখন সুস্থ-প্ৰগতিশীল সমাজ গঠন কৰিবলৈ হ'লে আমি কলীয়া বা মদপী হ'লে নহ'ব। আমি সুস্থ হৈ দেশৰ, সমাজৰ সমস্যাৰ বিষয়ে মাত মাতিব পাৰিব লাগিব। তেতিয়াহে ভৱিষ্যত প্ৰজন্মই এখন সুস্থ সমাজত বসবাস কৰিব পাৰিব।■



# সৌন্দৰ্যময় শৰৎ কাল

**দুলুমণি চেতিয়া**
তৃতীয় যাণ্মাসিক
শিক্ষাতত্ত্ব বিভাগ

বৰ্ষাৰ নেৰা-নেপেৰা বৰষুণৰ অন্তত লাহে লাহে শান্ত হৈ পৰে আকাশখন, মুখৰিত নহয় কলীয়া মেঘৰ মাদলত। মুখলধাৰ বৰষুণজাকে বেশভূষা নিলগাই থৈ বাট-কাটি দিয়ে আহিল অহাৰ বাটলৈ। আলসুৱা মেঘৰ লুকাভাকুত মাতাল হৈ পৰে আকাশ।

পৃথিৱীলৈ আহে ৰিৰ-ৰিৰ মলয়াৰ মৃদুল হিল্লোল তাৰ পৰশ লাগি পথাৰ সেউজীয়া লখিমী হালি-জালি, নাচি-বাগি আনন্দ বিভোল। বিৰল বুকুত শাৰদীয় পূৰ্ণিমাৰ স্নিগ্ধ জোৎস্নাৰ ৰূপালী পৰশত ভেঁটফুলে হাঁহিৰ খলকনি তোলে। দিনমণিৰ আগমণৰ মাহেন্দ্ৰ ক্ষণত শতদলে হাঁহি মাৰে মিচিক-মাচাক। সুনিৰ্মল পৰিধিয়ে বুকুত সাৱটি লয় প্ৰস্ফুটিত ভেঁট আৰু পংকজৰ কোমল ছায়াক আলফুলকৈ। ৰাজহাঁহ, কাম কোঢ়া, শাৰলিয়ে তাৰ মাজে মাজে দাপোনত মুখ চাই সাঁতুৰি নাদুৰি ৰঙৰ মেলা পাতে সৰসীৰ বুকুত। কি যে হিয়া উতলোৱা, হৃদয়জুৰোৱা, শান্তিৰ অমিয়া ঢলা এই মনোৰম দৃশ্য। প্ৰকৃতিৰ বুকুৰ এই মহালীলা চাই চাই প্ৰকৃতি নিজেই নিশ্চুপ হৈ ৰয়।

নীলিম আকাশ, সেমেকা-সেমেকা প্ৰভাতী পুৱা, টোপ-টোপ নিয়ৰৰ লাজুক লাজুক চাৱনি, মৰমসনা, মায়াবী, ৰ'দৰ চিক্‌মিকণিৰ সমন্বয়ে যেন সানি দিয়ে মাদকতা, আহিনৰ মিঠা মাদকতা। কবিৰ ভাষাৰ ভঁৰালতো প্ৰাণ পাই উঠে আহিনৰ শৰৎ শাৰদী জোনাক, কৰ্ণৰাৰ ছন্দ আৰু যে ক'ত কিমান আহিনৰ বেশভূষা।

আহিনৰ প্ৰেমত পৰি বহুতো শিল্পীৰ কণ্ঠত প্ৰাণ পাই উঠে আহিনৰ সৌন্দৰ্যই

"নিয়ৰ ফুল সৰিছে / পদুলি মুৰত"



আহিন যেন এক সৰা শেৱালীৰ দলিচা। আহিনৰো আছে এক মিঠা সুবীয়া আমোল মোল গোন্ধ।

"আমোল মোল শেৱালীৰ গোন্ধ
যাওঁ বুলি যাবই নোখোজে চোন"

ৰূপালী ৰাতিৰ বগা আঁচল, শৰতৰ শেৱালী জুপিয়ে অসমীয়া আদৰৰ চোতালখনক এক মিঠা হাঁহিৰে সজাই তোলে। প্ৰকৃতিৰ বুকুৰ সৌৰভৰ লালিমা কঢ়িয়াই মলয়াই শান্তিৰ সুবাস ঢালে মানুহৰ অন্তৰত। নিশাৰ অন্তত নিয়ৰৰ মুকুতা সৰা দুবৰিৰ বুকুত শেৱালীৰ সৌন্দৰ্যই ৰচে তৰাৰ দীপালি। হাচনাহানাৰ তীব্ৰ গোন্ধত সপোন বিভোৰ মাধৱী নিশা। গুণ গুণ কৈ ভোমোৰাই বকুলৰ বুকুত তোলে মধুৰ গুঞ্জন। গোলাপৰ মিচিক হাঁহিত মানৱ প্ৰাণত গঢ়ি উঠে সপোন ৰজিৎ।

শৰৎ কালৰ ৰাতি অতি বিতোপন। শৰতে মাতাল কৰি তোলে কবিৰ কাব্যিকতাক। ন-ৰূপেৰে, ন-সাজেৰে শৰৎ বাগৰে কবিৰ শব্দৰ কামত। কবিৰ বাবে আহিন এক সঞ্জীৱনী শক্তি স্বৰূপ। আহিলে বোৱাই আনে কৃষকৰ মনলৈ আহিনৰ অনাবিল আনন্দৰ লহৰ।

ৰামধেনুৰ বোল আঁকা আহিনৰ আকাশখন সঁচাই মনোমোহা, ঘৰমুৱা বগলীজাকে বেলিৰ হেঙুলীয়াত দেউ দি, দি আপোন ঘৰলৈ উৰি গৈছে আহিনৰ আকাশত ছবি আঁকি।

কিয়ে মায়াবী, মনোমোহা দৃশ্য। চাই চাই মনটোক বুজাব নোৱাৰো, মনটো যেন উৰি যাই আহিনৰ সতে প্ৰেমৰ মিতিৰালি নকৰিবলৈ।

সঁচাই আহিন এক ৰহস্যময়ী ঋতু। বিভিন্ন সমস্যাৰে জৰ্জৰিত মানুহৰ জীৱন, তথাপিচোন কোনো আপচুচ নকৰাকৈ উপভোগ কৰে প্ৰকৃতিৰ সৌন্দৰ্যক। জীৱনটোক সুন্দৰকৈ চাবলৈ, সজাবলৈ, উদগণি যোগাই শাৰদীয় শৰতে।





# আমি সঁচাকৈয়ে মানুহ নে!

**ৰাণু কুৰ্মি**
তৃতীয় যাণ্মাসিক
বিজ্ঞান শাখা



পৃথিৱীৰ শ্ৰেষ্ঠ জীৱ হ'ল মানুহ। আমি যদি মানুহ হিচাপে জীয়াই থাকিব বিচাৰো তেনেহ'লে জীৱনত বহুতো ন-পুৰণি কৰণীয় কাৰ্য কৰিব লাগিব।

বৰ্তমান যুগত মানুহ যিমানেই শিক্ষিত হৈছে সিমানেই নিবনুৱাৰ সংখ্যা বৃদ্ধি পাইছে আৰু যিমানেই বিজ্ঞানত দ্ৰুত উন্নতি হৈছে সিমানেই সকলো ঠাইতে বিভিন্ন ধৰণৰ অন্যা, হত্যা, লুণ্ঠন, অপহৰণ আদি বৃদ্ধি পাইছে। আমি সচাঁকৈয়ে যদি মানুহ তেনেহ'লে এইধৰণৰ কাৰ্যবোৰ দেখিয়ো মানুহ হিচাপে আমি কৰিছো?? আমি মানুহ হৈয়ো যে মূৰ্খৰ দৰে বাটে-ঘাটে মদ-ভাং খাই হাই-কাজিয়া কৰি ঘূৰি ফুৰিছো, আনৰ হিংসা কৰিছো..। এনে ধৰণৰ মূৰ্খামি কাৰ্য কৰিও আমি আজি চিনাকি দিছো যে— 'আমি মানুহ'। আমাৰ সমাজত যিমানেই আধুনিকতাৰ পোহৰ নপৰক কিয় আমি এতিয়াও বহুতো অতীতৰ অন্ধবিশ্বাস ধৰি আছো। পৌৰাণিক যুগত মানুহবিলাক অশিক্ষিত আছিল সেইবাবে অন্ধবিশ্বাসত ব্ৰতী হৈ বহুতো নকৰিবলগীয়া কাম কৰিছিল। কিন্তু এতিয়া আমি শিক্ষিত হৈয়ো যদি তাহানিৰ মানুহৰ দৰে সমাজত অসভ্য, অহংকাৰ আদি দেখুৱাই নকৰিবলগীয়া কাম কিছুমান কৰো, তেনেহ'লে আমি সচাঁকৈয়ে মানুহ নামৰ উপযোগী নে? নে আমি মানুহৰ বেশ ধৰি এই সমাজত থকা একো একোজন নৰৰূপী অসুৰ। এতিয়া আমাৰ ভাবিবৰ সময় হ'ল পৰিস্থিতিৰ লগত খাপ খোৱাই মানুহ হিচাপে আমি জীৱনত কি কি কাম কৰিব লাগিব আৰু কি কি কাম কৰিলে এজন প্ৰকৃত মানুহ বুলি চিনাকি দিব পাৰিম। আমি সকলোৱে শিকি আহিছো, মহাত্মা গান্ধীয়ে কৈছিল, "সত্যৰ সদায় জয়, সদায় সঁচা কথা ক'বা"। কিন্তু গান্ধীজীৰ এই বাণী আমি কিমানখিনি মানি চলিছো। আমাৰ সমাজত চাবলৈ গ'লে প্ৰতিদিনে আমি ৯৫ শতাংশতকৈও বেছি মিছা কথা ক'বলগীয়া হয় বা কওঁ। ইয়াৰ কাৰণটো যদি চাবলৈ যাওঁ তেন্তে দেখিম যে- দেশৰ মন্ত্ৰী, এম.এল. এ,ৰ পৰা আৰম্ভ কৰি প্ৰায়বিলাক চৰকাৰী কৰ্মচাৰীয়ে অন্যায়, দুৰ্নীতি, অসত্য আদিৰ দ্বাৰা আমাৰ সমাজখন এনেদৰে বিৰ্পযস্ত কৰিছে যে যদি এইবিলাকৰ বিৰুদ্ধে কোনোলোকে অকলে মাত মাতে, তেতিয়া তেওঁক এনেদৰে ৰাজনীতিৰ তোলে বান্ধি পেলাব যিডাল বান্ধোন তেওঁৰ মৃত্যুৰ আগমুহূৰ্তলৈকে হয়তো খুলিব নোৱাৰিব। সেইবাবে এনেবোৰ কাম অকলে নহয় আমি সকলোৱে একেলগে এই দুৰ্নীতি, অসত্যৰ বিৰুদ্ধে মাত মাতিব লাগিব। অতীতৰ কথা আমি বুৰঞ্জীৰ পাত লুটিয়ালে দেখোযে গান্ধীজীৰ দৰে এজন ব্যক্তিৰ নেতৃত্বত যদি এখন দেশলৈ শান্তি আহিব পাৰিছিল, তেনেহ'লে আমি সকলোৱে একেলগে এই দুৰ্নীতি, অসত্যৰ বিৰুদ্ধে প্ৰতিবাদ কৰিব নোৱাৰিম কিয়? এনে দুৰ্নীতি, অসত্য, হিংসা, সন্ত্ৰাস আদিৰ বিৰুদ্ধে এতিয়াই সময় থাকোতে যদি আমি সকলোৱে মিলি প্ৰতিবাদ নকৰো, তেনেহ'লে আমাৰ দেশৰ কোনো অস্তিত্ব নাথাকিব। সেইবাবে আহক আমি সকলোৱে মনতে ভাবি লওঁ যে আমি লাচিতৰ দৰে একো একোজন নিৰ্ভীক মানুহ।

# নাটক

## বিকল্পৰ সন্ধানত

ড° ৰীতা দত্ত
মুৰব্বী
অসমীয়া বিভাগ

(মুকলি মঞ্চ দেখুওৱাৰ পিছতে পৰ্দা পৰিব। নাট আৰম্ভ হ'ব আধা আলো, আধা ছাঁ-পোহৰত। দুফালৰপৰা দুজনী ছোৱালীয়ে হাতত টৰ্চ লৈ মেকুৰী খোজেৰে সোমাই আহিব। দৰ্শকে তেওঁলোকক নেদেখে, কিন্তু টৰ্চৰ পোহৰ দেখিব। পোহৰে 'ক্ৰচ' কৰিব। দৰ্শকৰ ফালেও যাব। বিচনাৰ তলে-ওপৰে, দুৱাৰৰ চুকে-কোণে অলপ সময় চোৱাৰ পিছতহে হঠাৎ কাৰেণ্ট আহিব। লগে লগে লক্ষ্মীয়ে কৈ উঠিব সন্মুখৰ কোনোবা এজনলৈ হঠাতে আঙুলিয়াই)

লক্ষ্মী ঃ সৌজন। সৌজন। চোৱাহঁক। কেনেকৈ পলাই গৈ মানুহৰ মাজত বহি আছেগৈ। হাঃ হাঃ হাঃ হাঃ হাঃ (হাঁহে) ভীৰু, কাপুৰুষ, বদমাচ, নপুংসক .... (গালি পাৰে) মুখ চাব নেপায় তহঁতৰ - (বাকী সৰস্বতী, কাৰ্তিক, গণেশ, সকলোৱে সন্মুখলৈ আহি চাবলৈ চেষ্টা কৰিব)

সৰস্বতী ঃ আজি কি দিন জাননে তহঁতে? আজি মহালয়া।

কাৰ্তিক, গণেশ ঃ তহঁতক বিনাশ কৰিবলৈকে আজি আমি ধৰালৈ নামি আহিছোহঁক।

লক্ষ্মী ঃ শুনা নাই? (ভিতৰত শংখ-ঘণ্টা বাজি উঠে) শুনা নাই সৌৱা পৃথিৱীৰ চৌদিশে বাজি উঠিছে শংখ-ঘণ্টা? (উৰুলি শুনা যাব) উৰুলিৰ মংগল ধ্বনিয়ে কিদৰে আবাহন কৰিছে আমাক; দেখা নাই?
(ভিতৰৰ পৰা কৈ কৈ ওলাই আহে শ্ৰীশ্ৰী দুৰ্গা)

দুৰ্গা ঃ আৰু, আৰু অনুভৱো কৰা নাই? (আবৃত্তিৰ সুৰত) শুনিছা তথাপি— ময়েই শৈলপুত্ৰী, প্ৰজাপতি দক্ষৰ যজ্ঞত প্ৰাণাহুতি দিয়া আছিলো ময়েই দেৱী। নোৱাৰি সহিব স্বামী নিন্দা— পিছৰ জন্মত জন্মিছিলো হিমালয়ৰ ঘৰে শৈলপুত্ৰী হৈ—

লক্ষ্মী ঃ আৰু শুনিছানে— এৱেঁই ব্ৰহ্মাচাৰিণী! সোঁহাতে যাৰ জপমালা আৰু বাঁওহাতে কমণ্ডলু আছে বিৰাজ?

কাৰ্তিক ঃ জানো তুমি অৰ্পণা, আৰাধিলে মনুষ্যে পাই সদাচাৰ, ত্যাগ, সংযম, কৰ্তব্য পথৰপৰা বিচলিত নহয় কদাপি মন।

গণেশ ঃ (সেৱা কৰি) দেৱী তুমি কুষ্মাণ্ডাৰূপিনী। হাস্যময়ী, ব্ৰহ্মাণ্ড সৃষ্টিকাৰিণী। তুমিয়েই স্কন্দমাতা— শুভ্ৰবৰণী! কোলাত যাৰ শিশু স্কন্ধ।

দুৰ্গা ঃ ধন্য বৎস! দেৱী মই কাত্যায়নী। চোৱা চোৱা হাতে সোঁ— অভয়ামুদ্ৰা, বৰমুদ্ৰা আৰু বাঁৱে তৰোৱাল, শতদল। নৱৰাত্ৰিৰ সপ্তম দিৱসে মই কালৰাত্ৰি দুষ্টক বিনাশী লভো আত্ম সন্তুষ্টি।

(গোটেইবোৰে হাত চাপৰি বজায়— "বঢ়িয়া, বঢ়িয়া, ভাল হৈছে, ভাল হৈছে, পাৰিছ.." হাত চাপৰিৰ শব্দ শুনি পিছলৈ চাই দেখে বাকী দুজনীমান ছোৱালী হোষ্টেলৰ বিচনাত বহি কেতিয়াবাৰপৰাই চাই আছেহি। ইহঁতে গমেই নেপায়। মুঠ সাতজনী হয়গৈ)

লক্ষ্মী, সৰস্বতী, কাৰ্তিক, গণেশ, দুৰ্গাদেৱী ঃ (হাঁহে) হাঃ হাঃ হাঃ হাঃ। জমনি দেই। পাৰিছো ন?

লক্ষ্মী ঃ ডাইল'গ একদম পৌৰাণিক নাটকৰ দৰে পাই। মনতে নৰয়। (মূৰত 'লক্ষ্মী' বুলি লিখিথোৱা কপালিখন আঁতৰাই সযতনে থৈ দিয়ে টেবুলত)

দুৰ্গা ঃ পৌৰাণিক মানে? সাইলাখ ভাওনাৰ বচন ন? হাঃ হাঃ হাঃ। (তায়ো কপালিখন খোলে)

কাৰ্তিক ঃ (হাতযোৰ কৰি কয়) কিন্তু দেৱী! নাটকেই হওঁক বা ভাওনাই হওঁক, আপোনালোকৰ আৰ্বিভাৱৰ কিন্তু প্ৰয়োজন আহি পৰিছে।

গণেশ ঃ ঠিকেই কাৰ্তিক। তুমি ঠিক কৈছা। মানুহৰ প্ৰবৃত্তিবোৰলৈ চোৱাচোন। কি সংযমহীন আচৰণ! নিজৰ ভগ্নীতুল্য নাৰীক পণ্য সামগ্ৰী বুলি ভাবিব খোজে। ই কি অন্যায় নহয়?

বৰষা, ৰেখা ঃ (মুখ ভেঙুচাই) ইহ্ বৰ চিৰিয়াচ কথা উলিয়াইছ পাই তহঁতে। ব'ল আমি ইয়াৰপৰা যাওঁগৈ (ইজনীয়ে সিজনিক কয়)

দুৰ্গা ঃ ৰ'বা। কিয়া পলাইছা? আজি তোমালোকৰ একো হোৱা নাই সঁচা। কালিলৈ নহ'ব বুলি ক'ব পাৰিবানে? এওঁলোকে ঠিক কথাই কৈছে। আমি অন্যৰূপ ধাৰণ কৰিব হ'ল। কোৱা পাৰিবা? (দুয়োজনীয়ে ইজনীয়ে সিজনিলৈ চকুৰ ইংগিত দিয়ে)

লক্ষ্মী ঃ আমি সকলো দুৰ্গা হ'ব পাৰিবই লাগিব। উদ্দেশ্য আসুৰিক শক্তি দমন। পৃথিৱীত শান্তি প্ৰতিষ্ঠা।





দুয়োজনী ঃ থোৱা, এনে দুৰ্গা-লক্ষ্মী ওলাইছা তোমালোক। এই যে আমাৰ হোষ্টেলত একেৰাহে হৈ থকা অশান্তিবোৰ তাকে প্ৰথমতে শান্তি কৰাহঁকচোন চাওঁ।

দুৰ্গা ঃ (পুনৰ কপালিখন পিন্ধি) অষ্টম দিৱসে দেৱী মই আৰাধনা, উপাস্য গুণেৰে হয় ধন্যা, হয় সৰে অক্ষয় শক্তিৰ গৰাকী, পূৰ্ণ হয় মনঃকামনা।

লক্ষ্মী ঃ আৰু, আৰু বিজয়াদশমীৰ ৰামলীলা আৰু ৰাৱণ দহনেৰে অন্ত হয় নৱৰাত্ৰি মেলা। (দুয়োজনী ভিতৰলৈ যায়গৈ)

কাৰ্তিক, গণেশ ঃ ৰাৱণ দহন? (একেলগে) (সকলো পুনৰ স্বাভাৱিক হয়। কপালি খুলি চকীয়ে বিচনাই বহি পৰে। তাৰ পিছত কয়)

দুৰ্গা ঃ ৰৈ গ'লি যে? কি হ'ল?

কাৰ্তিক ঃ ৰাৱণ সিমানো বেয়া নাছিল বুজিছ?

গণেশ ঃ সীতাক হৰণ কৰিছিল সঁচা; কিন্তু গাত হাতো দিয়া নাছিল। প্ৰজাই তেওঁক বহুত ভাল পাইছিল।

লক্ষ্মী ঃ কথাটো হওঁতে হয়। (ভাবি ভাবি কয়) তথাপি ৰাৱণ ৰাৱণেই আৰু। সীতাক হৰণ কৰিবলৈনো কি দৰ্কাৰ?

দুৰ্গা ঃ বাৰু থ' এইবোৰ। ভাতৰ বেল দিবৰ হ'ল। কিয় যে নাটকখন কৰিবলৈ ল'লো জানো! পঢ়া-শুনা তেল হ'ল। এইসোপা মুখস্থ কৰোঁতে কৰোঁতে—

লক্ষ্মী ঃ নেপায়। কি কৰিছ সৎ ভাৱেৰে কৰ। ৰামায়ণ-মহাভাৰত চাইছিলি টিভিত? শুনিছো ধাৰ্মিক চৰিত্ৰবোৰ কৰোঁতে তেওঁলোকে বাস্তৱ জীৱনত সঁচাকৈয়ে বহু সদাচাৰ পালন কৰিছিল।

গণেশ, কাৰ্তিক ঃ আচল কথা ভক্তি। আত্মবিশ্বাস। একাত্মতা। ধৈৰ্য। সহনশীলতা (দুয়োটাই এটা এটাকৈ গৈ যাব) এইবোৰ যিকোনো ভাল কাম কৰোঁতে পালন কৰিবলগীয়া কথা। ব'ল এতিয়া ব'ল, ব'ল, ব'ল....
(ভিতৰৰ পৰা বেলদিয়াৰ শব্দ আহে। ইহঁত ওলাই যায় আৰু ৰেখা, বৰষা সোমাই আহে আৰু বাকীকেইজনী সোমাই যায়)

ৰেখা ঃ (মুখ-হাত মোহাৰি মোহাৰি) ভাল ভাতকেইটা খাই ল'লো বুলিহে দেই সোনকালে। এই যে কাৰেণ্টডাল! কিম্মান বাৰযে অহা-যোৱা নকৰে ঐ! শক্তি মন্ত্ৰী নিজৰ ঘৰৰে বুলি ক'বলৈকে কিবা লাজ লাজ লাগে।

বৰষা ঃ এৰা পাই! সেইদিনা এনেকুৱা অন্ধকাৰৰ সুযোগ লৈয়েতো (ৰেখা আগবাঢ়ি আহি তাইৰ মুখত তৰ্জনী আঙুলিয়াই দি সোপা দি ধৰে)

ৰেখা ঃ এ নক'বি ঐ নক'বি! ভাবিলেই ভয় লাগি যায়! ছোৱালী হৈ জনম লভি কিবা পাপই কৰিলো নেকি! অকণমানো নিৰাপত্তা নাই!

বৰষা ঃ সঁচাকৈ। বাটে-পথে, বজাৰে-সমাৰেতো নায়েই ............ এতিয়া হোষ্টেলতো নাই চা-চোন!!

ৰেখা ঃ সেইদিনা কোনফালে সোমাইছিল, গম পোৱা গ'ল জানো! (কৈ কৈ তাই ১ মিনিটমান ইফালে সিফালে তলে-ওপৰে পৰ্যবেক্ষণ কৰি খিড়িকীৰেও টৰ্চ মাৰি বাহিৰলৈ চাব ধৰে)

বৰষা ঃ নাই, গম পোৱা নাই। কেনিবা পাইপ-চাইপ বগাই সোমাইছে হ'বলা। সেইটো ৰূমত আকৌ কোনো নাছিলো নহয়!

ৰেখা ঃ তাৰমানে চোৰ ওচৰৰেই কোনোবা কিজানি ন? কাৰ কোঠাত কোন আছে, কোন নাই সি ভালকৈ জানে। নহ'লেনো ১২০ টা কোঠাৰ ভিতৰত কোনকেইটা খালী সিহঁতে জানিব কেনেকৈ?

বৰষা ঃ সিহঁত মানে? এটা নহয়? এজাক?? (ভয়তে তাইৰ হাতত ধৰেগৈ)
(তেনেতে লক্ষ্মী (জ্যোতি) ভিতৰৰপৰা ওলাই আহে)

জ্যোতি ঃ অঁতো আকৌ। এটা সৰু-সুৰা দলেই। সৰু সৰু ল'ৰা। নহ'লে (চিলিঙৰ ফালে দেখুৱাই কয়- টৰ্চ মাৰে) সৌ ফালেদি জঁপিয়াবহি কেনেকৈ??

ৰেখা ঃ ঐ আই! সেইফালেদি সোমোৱা বুলি তই কেনেকৈ জানিলি? (আগবাঢ়ি গৈ সোধে)

জ্যোতি ঃ (অভিনয় কৰি কৰি) লক্ষ্মী মই! দেৱী সৰগৰ! দেখিলো মজিয়াত সৰু সৰু খোজ। সিহঁত নিশ্চয় চাপৰ!!

বৰষা ঃ (গতিয়াই) যাঃ এইজনী! বচন নেমাতিবিচোন, (নিজে খোজত টৰ্চ মাৰি চাই কয়) মানে (চিন্তা কৰি দেখুৱাই) এনেকৈ! এইফালৰ পৰা জপিয়াই এ-এনেকৈ পৰিবহি (কৰি দেখুৱাই— ভৰি দুটা অগা-পিচাকৈ পেলায়) চা-চোন ৰেখা মিলিছেনে?

জ্যোতি ঃ খোজ প্ৰায় ছটা, ল'ৰা চাগে তিনিটা, একে ঘাপে দুচেও মই কৰি দিম কটা!!

ৰেখা ঃ কিন্তু নিলে কি!
(দুৰ্গাৰূপিনী মিলি সোমাই আহে)

মিলি ঃ নাই, একো নিনিলে মোৰ। ড্ৰয়াৰত আছিল টকা, দেখিলে চাগে চকা-মকা; খুচৰিলে কিতাপ কিন্তু নেপালে একো হয়তোবা ম'বাইল-চ'বাইলতে আছিল চকু (কবিতাৰ দৰে আবৃত্তি কৰে)

একেলগে ঃ কি???

মিলি ঃ মোৰ কিন্তু সৰু সৰু ইনাৰবোৰহে লৈ গ'ল (চিন্তা কৰে); কি কৰিছেগৈ সেইবোৰ বাৰু! সিহঁত মানসিক ৰোগী যেনহে পাইছো দেই।

একেলগে ঃ মানে পাগল??? (ভয় খাব)

বৰষা ঃ বাকীবোৰৰ পৰাও সেইবোৰকে নিলে চাগৈ।

মিলি ঃ মোৰ কিন্তু এটা সন্দেহ হৈছে (এনেতে ভিতৰৰপৰা 'মৰিলো' বুলি চিঞৰ এটা আহে। লাইট অফ হৈ যায়। লগে লগে টৰ্চ জ্বলি উঠে। আটাইকেইজনী লগলাগি থাকে)

বৰষা ঃ কাৰ কি হ'ল অ' (সিটো ব্লকৰ ফালে চায়। দৰ্শকৰ ফালেও টৰ্চ মাৰি চাই) ৰেখা, চকী এখন দে চোন খিড়িকীৰ ওচৰত। টেবুল ওপৰত দে। তহঁতবোৰে ধৰি দে চোন। (সকলোৱে ধৰে। তাই চকীত উঠি খিড়িকীৰে বাহিৰলৈ চায়। কাৰেণ্ট নাই। টৰ্চৰ পোহৰতে তাই মুখত আঙুলি দি সকলোকে মনে মনে থাকিবলৈ কয়। এজনীয়ে মম এডাল জ্বলাই)
(ভিতৰৰপৰা 'পলালে পলালে' বুলি হুলস্থূল কৰা শুনা যায়)

জ্যোতি, মিলি, ৰেখা ঃ (একেলগে) কিবা দেখিছ? (ফুচফুচাই কয় কিন্তু দৰ্শকে শুনে) দেখিছনে?
(বৰষাই মূৰ দোপিয়াই) (লাহে লাহে নামি আহিব)

সকলোৱে ঃ কি দেখিলি?

বৰষা ঃ পিছফালেযে আৰ.চি.চি. ঘৰ এটা দেখিছ! দুটামান ল'ৰা দৌৰি গৈ তাতে সোমাইছেগৈ।

একেলগে ঃ কি ???

বৰষা ঃ অঁ। বাৰান্দাত লাইট জ্বলি আছে সিহঁতৰ। নিশ্চিতভাৱে সেইটোৱেই চোৰৰ ঘাটি বুজিছ?

একেলগে ঃ (ইজনীয়ে সিজনীলৈ চাই বিবুদ্ধিত পৰে)
(হঠাৎ লাইট আহে)

জ্যোতি ঃ য়াহো (নাচে)............। 'তেন্তে বিলম্বৰ নাই প্ৰয়োজন। কৰায়ত্ত কৰি সিহঁতক দিব লাগে পিটন'।

একেলগে ঃ হেই এইজনী! ভাওনাই তহঁতৰ মাথা খালে।

ৰেখা ঃ কিন্তু সিটো ব্লকৰ কোনে চিঞৰিব পাৰে বাৰু! (চিন্তা কৰি ভিতৰলৈ চাই মাত লগাই) ঐ ৰাজু, প্লাবিতা, মৰমী কি হৈছে অ' তাত? (নিজকে নিজে কয়) ক'তনো শুনিব! হৈ হাল্লা চা সিহঁতৰ।

বৰষা ঃ সিহঁতকেইটাই আহিছিল চাগে বুজিছ? কাৰোবাৰ টৰ্চৰ পোহৰ পৰিল চাগে গাত। পলালে। তাকে আমি দেখিছো। চাচোন, ঘড়ীটো। কিমান বাজিছে?

ৰেখা ঃ প্ৰায় দুই বাজো বাজো!!!

জ্যোতি ঃ কিমান আৰু এনেকৈ পহৰা দিবি হয় সদায় সদায়! সদায় টোপনি ক্ষতি ( হামি মাৰে)

মিলি ঃ হ'বদে আৰু। উপায়তো নাই। আজি আমাৰ পাল পৰিছে যেতিয়া সিহঁতক আজি যিকোনো প্ৰকাৰে ধৰাৰহে ফান্দি পাতিব লাগে।

ৰেখা ঃ কিন্তু ধৰিবি কেনেকৈ?

বৰষা ঃ লাইটবোৰ অলপ পিছতে অফ কৰি দিম। চাবি সিহঁত আকৌ আহিব।

জ্যোতি ঃ (দীঘলকৈ হামি মাৰি) কে নে কৈ জানিলি?

বৰষা ঃ কাৰণ সিহঁত মানসিক ৰোগী। কেতিয়া কি কৰে গমেই নেপায়। আহিবই চাই থাক।

সকলোৱে ঃ সঁচা???

বৰষা ঃ সিহঁত নিবলৈ নাহে। চাবলৈ আহে। কি চায় জান? ছোৱালী চায়। সিহঁতে ছোৱালীৰ গাত হাত দিবলৈ আহে। কি কি কাপোৰত কেনে দেখে চায়। কাপোৰবোৰ শুঙে। ফালি-চিৰি পৰীক্ষা চলায়। চিঃ কটা!!! (ওচৰৰ বাগিচাৰপৰা দুই বজাৰ সংকেত আহে। টং টং)

জ্যোতি ঃ লাইট অফ কৰ। আহ। আটাইকেইজনী এই মজিয়াতে বহি থাকো। (অফ কৰে যদিও মমৰ পোহৰত সিহঁতক দেখা পোৱা যায়)

ৰেখা ঃ এইবাৰ নাৰী ধৰ্ষণৰ ঘটনাবোৰযে একেৰাহে ঘটি আছে পাই। সাবালিকা-নাবালিকা-বোৱাৰী-সধবা-বিধবা কোনো সাৰি যোৱা





নাই। ক'ৰ কুক্ষণত জন্ম ল'লো দেই আমি!

জ্যোতি ঃ ম'বাইল বুজিছ? ম'বাইলে এচামক শেষ কৰি দিলে।

বৰষা ঃ ইউ টিউবত যি মন যায় তাকে চাব পাৰেতো। দেউতাক মাকেও ল'ৰাৰ আবদাৰত দামী ম'বাইল কিনি দিয়ে নহয়। (বিচনি এখন আনিবলৈ তাই উঠে) চেঃ বৰ গৰম দেই।

মিলি ঃ ফেনখনকে চলাই দিওঁ নি (উঠিবলৈ লয়)

বৰষা ঃ না না নিদিবি। বৰ ঘেৰঘেৰায়। এইখনৰ মাতত বাহিৰৰ শব্দই নুশুনিম। সিহঁত আহিবই। কাণ পাতি থাকচোন।

মিলি ঃ এটা কাম কৰো বুজিছ? অহা যেন উমান পালে মই বিচনাত অকলে শুই থাকিম। তহঁতে বিচনাৰ তলত লুকাই দিবিহঁক।

জ্যোতি ঃ তোৰ ৰুমলৈকে আহিব বুলি কেনেকৈ জানিলি?

মিলি ঃ চব ৰুমতে লাইট জ্বলি আছে। আমাৰটোহে আন্ধাৰ। সেয়ে এইটোলৈকে আহিব। তাতে চিলিঙৰ ফুটা কৰি থৈ গৈছে। এইটোৱেই সিহঁতৰ প্ৰৱেশ পথ।

জ্যোতি ঃ অ' ফুটাটোচোন কাপোৰ এখনেৰে ঢাকি থোৱাও আছে? (কঁপালত হাত দি টৰ্চেৰে দৰ্শকক দেখুৱাই) হৰি হৰি। সিহঁত দুৱাৰ খোলা দেখিলে ওপৰেদি নাহিবও পাৰে অৱশ্যে। (অলপ ভাবি) নহয় নহয়- আহিব। তোক বিচনাত অকলে দেখিব যে - আহিব আহিব।

মিলি ঃ সিহঁতে কিন্তু গাত হাত দিবলৈহে আহিব। কথাষাৰ মনত ৰাখিবি। চিঞৰাৰ লগে লগেই তহঁত তলৰপৰা ওলাই চুৰ্ণীৰে যেয়ে যাকে পাৰ মেৰিয়াই ধৰিবি। বঢ়িয়া বঢ়িয়া।

বৰষা ঃ (ৰুমটোতে ঘূৰি ফুৰে) আমি সিহঁত ধৰিব পাৰো বা নোৱাৰো সেই মানুহ ঘৰক কিন্তু কথাটো জনাবই লাগিব। (তেনেতে কাৰেণ্ট যায়। মেকুৰীয়ে মেওকৈ চিঞৰি উঠাত আটাইকেইজনী ভয়তে সাৱটা-সাৱটি কৰে)

মিলি ঃ টৰ্চটো জ্বলাওঁনে?

বৰষা ঃ এইটো কলিজাৰে চুৰ ধৰ? ৰুমত অকলে থাক? হাঁ??

জ্যোতি ঃ চুপ, চুপ। মেকুৰীয়ে এনেয়ে চিঞৰা নাই। সিহঁত আহিছে চাগে। (সকলোৱে বেৰত কাণ পাতি শুনে। যিফালে ফুটা আছে সেইফালৰপৰা কাপোৰ এখন উৰি আহি সিহঁতৰ গাত পৰে আৰু প্লেন মতে সকলোবোৰ বিচনাৰ তলত সোমায়)
(বাগিচাত তিনিবজাৰ ঘণ্টা বাজে। টং টং টং) অলপ সময়ৰ পিছত (৫ মিনিট)

বৰষা ঃ (বিচনাৰপৰা মূল উলিয়াই) মিলি, মিলি। কি দেখিছ?

মিলি ঃ নাই দেখা। আমাৰ ৰুমত নহয় বুজিছ। কাষৰ ৰুমত। তহঁত ওলাই আহ।
(ওলাই আহি আকৌ কাণ পাতে)

ৰেখা ঃ আঠুৱা ষ্টেণ্ড এডাল হাতত লৈ ব'ল। ক'ৰিডৰেদি আমি সিটো ৰুমলৈ যাওঁ?

জ্যোতি ঃ দেখিলে মাৰিব পাৰিবি?

বৰষা ঃ ওঁ পাৰিবই লাগিব। ব'ল- ল'।

মিলি ঃ পিছফালৰপৰা সাৱটি ধৰে যদি?

জ্যোতি ঃ চকুলৈ টৰ্চ মাৰি দিবি।
(সকলোৱে ওলাই যাওঁতেই পিছফালেদি চোৰে সিহঁতৰ ৰুমত সোমায়। টেবুলৰ পৰা কিতাপ পৰাৰ শব্দ শুনি সকলোৱে উভটি চায় আৰু চিনেমাৰ কায়দাৰে ঘূৰি চোৰক চুৰ্ণীৰে বান্ধি পেলায়। লাইট জ্বলে)

চোৰ ঃ এৰি দে। এৰি দে মোক (চিঞৰ শুনি গণেশ-কাৰ্তিক আদিৰ ভাওত থকা আন ছোৱালী দুজনীমান মুঠ ৮ জনী সোমাই একেলগ হয়হি) পৰিচালকৰ নিৰ্দেশনা মতে)

বৰষা ঃ (বাকীবোৰলৈ চায়) তাৰ মুখৰ কাপোৰখন আঁতৰাই দে চোন। চাওঁ বেটাক। ইমান সাহ? (খোলে)

জ্যোতি ঃ কোন তই? কি নাম? ক'ত ঘৰ? কি বিচাৰি আহিছ হাঁ- কি বিচাৰি? (এক চৰ দিয়ে)

পিছত অহা ছোৱালী ঃ অ' ই চোন পিছফালৰ খুড়াৰ ল'ৰাটো? ঐ কি লাগে তোক? তোৰ লগৰ কেইটা ক'ত গ'ল? মাতো নেকি তোৰ বাপেৰক? হাঁ? মাতো নেকি?

সকলোৱে ঃ ব'ল তাক ৱাৰ্ডেন চাৰৰ ওচৰলৈ লৈ যাওঁ।

মিলি ঃ ৰ'বি। ৰাতি পুৱাবৰেই হ'ল। সি কওঁক। ঐ কি বিচাৰি কেনি সোমালি তই? চাল্লা চোৰ। মোৰ ম'বাইল নি হেপাহ নপলালে তোৰ? (এক চৰ দিয়ে)

চোৰ ঃ মোক নেমাৰিব ঔ বাইদেউহঁত। মই চোৰ নহয়। সিহঁতে মোক মৃত্যুৰ ভয় দেখুৱাই আপোনালোকৰ সৰু সৰু কাপোৰবোৰ নিবলৈ মোক মৰিয়াই মৰিয়াই পঠিয়াই দিছে (কান্দে) সিহঁতে ৰাতি ৰাতি সেইবোৰ লৈ কি কৰে মই নেজানো। মোৰ খিড়িকীত টুকুৰিয়াই টুকুৰিয়াই মোক বাহিৰলৈ মাতি আনে। নাহিলে মৃত্যুৰ ভয় দেখুৱায়। দেউতা-মাকো ক'বলৈ নিদিয়ে। (আকৌ কান্দে)

জ্যোতি ঃ(আগবাঢ়ি আহি দৰ্শকক কয়) দেখিলে আপোনালোকে? কেনেকৈ এচাম বিকৃত মানসিকতাৰ মানুহে সমাজখন চানি ধৰিছে? আপোনালোকে চিনি পায়নে সিহঁতক?

বৰষা ঃ (আগবাঢ়ি আহি কয়) আমাৰ ক'তোৱেই নিৰাপত্তা নাই। ড্ৰাগচ সেৱন কৰা এইচাম বিকৃত মানসিকতাৰ মানুহক ৰাইজে কিয় দেখিও নেদেখাৰ ভাও জুৰি আছে। কওঁক ৰাইজ কিয়?

মিলি ঃ মদ, চিগাৰেট, ড্ৰাগচ আদিৰ বিক্ৰী কিয় চৰকাৰে বন্ধ কৰিব পৰা নাই। স্বাস্থ্যৰ বাবে অপকাৰী বুলি লিখি কিয় বিজ্ঞাপন দিয়া হয় চিগাৰেটৰ? পৰোক্ষ ভাৱে কিয় উদগণি জগাই আহিছে বিক্ৰেতাক? কওঁক ৰাইজ? আমাক উত্তৰ লাগে।

সকলোৱে ঃ (চোৰক মাজত লৈ) আমাক নিৰাপত্তা লাগে ৰাইজ, নিৰাপত্তা লাগে। আমি দুৰ্বল নহয়। ইহঁতক (তাৰলৈ দেখুৱাই) আমি চিনাক্ত কৰিম।

বৰষা ঃ আপোনালোক যাবনে ৰাইজ আমাৰ লগত? ব'লক ভদ্ৰতাৰ মুখা পিন্ধা সেই মানুহচামৰ মুখা আমি খুলি দিওঁগৈ? কোনে জানে সেইটো দলত কিজানিবা আপোনালোকৰ সন্তানো আছে?

জ্যোতি ঃআপোনালোকৰে নিশ্চয় আমাৰ দৰে আই-বাই-ভনী আছে? কেনেকৈ সহ্য কৰিছে আপোনালোকে? অতবোৰ নাৰী নিৰ্যাতন? পৃথিৱীত কি সৎ মানুহ নোহোৱা হৈ গৈছে? তেন্তে আমিয়েই সেই অস্ত্ৰ হাতত তুলি ল'ম। (এইবুলি নিজৰ নিজৰ কপালিবোৰ প্ৰত্যেকেই পিন্ধি লয়)

যেতিয়াই পৃথিৱীত অশান্তি-অসূয়াই দেখা দিয়ে তেতিয়াই আমি ন ন ৰূপত জন্ম লাভ কৰো।

বৰষা ঃ কাৰ্বি পাহাৰত অভি-নীলক জীয়াই জীয়াই মাৰিছে—

মিলি ঃ ৰেলে-বাচে দুবৃৰ্ত্তই নাৰীক হত্যা কৰিছে—

ৰেখা ঃ জন্মাদাতৃ মাতৃ-পিতৃক জীৱন্তে নদীত পেলাই দিছে—

একেলগে ঃ মানৱতাৰ মৃত্যু হৈছে।

(এজনী এজনীকৈ হাতত বেনাৰ লৈ দৰ্শকৰ সন্মুখেৰে নামি যাব। যাওঁতে শ্ল'গান দি যাব)

আহক ৰাজি সমদলত যোগদান কৰক

(মঞ্চ পোহৰ হৈ আহে)

ক) ধৰ্ষণকাৰীক ফাঁচী দিয়ক

খ) নাৰীয়েই মাতা, নাৰীয়েই দুৰ্গা

গ) সকলোৰে বাবে আইন একে

ঘ) চৰকাৰো আইনৰ উৰ্দ্ধত নহয়

ঙ) নাৰীৰ সন্মানেই দেশৰ সন্মান

[বিভিন্ন বেনাৰত (কাগজত) এইবিলাক লিখি শ্ল'গান দি দি দলটি দৰ্শকৰ আগেৰে গুছি যায়]

*(নাট্যকাৰ অসমীয়া বিভাগৰ অধ্যাপিকা)*





# গল্পৰ সফুঁৰা

গল্প সাহিত্যৰ এক সু-সংগবদ্ধ সৃষ্টি। সত্য, কাল্পনিক প্ৰকৃতিৰ পৰশভাৰ ভাষাৰ সুবৰ্ণ সমাহাৰ। যিয়ে চৰিত্ৰ ৰূপেৰে গৈ কাহিনীৰ দৃশ্যৰ মনোৰম অনুভূতিৰ মহত্ব, উদ্দেশ্য, লক্ষ্য প্ৰকাশ ঘটায়।





# জীৱন আৰু সংগ্ৰাম

কাশ্যপ বৰুৱা
পঞ্চম ষাণ্মাসিক
গণিত বিভাগ

ঘনাই ৰৈ থকাৰ দৰে আজিও সি ৰৈ আছে নদীৰ পাৰত সেই নির্জন পৰিৱেশত। সন্ধিয়া বেলি মাৰ যাওঁ যাওঁ। নদীৰ পাৰৰ সেই মুক্ত বতাহজাকিৰ সতে মাথোঁ হৃদয়ংগম কৰিছে, অতীতৰ সেই অকল্পণীয় ঘটনাবোৰ। সুখৰ সমিধান বিচাৰি যাৰ হৃদয়ে আজিও উচুপি আছে, তেজৰ নদীয়েও যেন চেঁকুৰা বান্ধিছে। তথাপিও ভাগি পৰা নাই সি, ভগ্ন হৃদয়ক আওকান কৰি গতিশীল জীৱনত আগাঢ়ি আহিছে সুখ বিচাৰি।

প্ৰায় ৬.৩০ বাজিছে। হঠাতে সি ছপ্নভগ্ন হৈ উভতি আহিছে বৰ্তমানলৈ। সন্ধিয়া হোৱা দেখি সি পুনৰ সেই একে বাটেৰে গমন কৰিছে নিজ গৃহলৈ। সেই একে পথ, সেই একে মৌন হৈ জ্বলি থকা ষ্ট্ৰীট লাইটবোৰ। মাথোঁ হাওলি-বাওলি গছবোৰে যেন চাই চাই ৰিঙিয়াইছে। সৰি পৰা পাতবোৰৰ দৰে যেনে মৌন হৈ পৰিছে সি। মাথো মুক্ত বতাহজাকৰ পৰশ পাই শীতল হৈ পৰিছে দেহটো। প্ৰায় ৭ বাজিছে, সি ঘৰত প্ৰৱেশ কৰিছে।

মা, অ' মা.. কি কৰিছা নো অ'... ? মই অহা কি তুমি গমেই নোপোৱা নি অ' মা.. হঠাৎ তাৰ চকুত ভাঁহি আহিল চকুপানী, কিয়নো সি বঞ্চিত আজি নিজ পিতৃ মাতৃৰ পৰা। পাহৰি গৈছিল বহুদিনৰ আগতে যে সি হেৰুৱাইছিল তাৰ পিতৃ-মাতৃক। মাথোঁ নিজ পৰিবাৰক লৈয়ে গঢ়িছে জীৱনটো।

তাৰ নাম প্ৰৱাল ফুকন। জন্মসূত্ৰে তাৰ ঘৰ শিমলুগুৰি। পিতৃ ৰত্নাকৰ আৰু মাতৃ দেৱিকা ফুকনৰ সি একমাত্ৰ পুত্ৰ। পিতৃয়ে বাঁহ-বেতৰ সামগ্ৰী তৈয়াৰ কৰিছিল আৰু মাতৃৰ হাতৰ পৰশত প্ৰাণ উঠিছিল ন ন সৃষ্টিৰাজিত শিমলুবাসী ৰাইজ চমকিত হৈ উঠিছিল। যেন সকলোতে লাহে লাহে বিয়পি পৰিছিল পিতৃ ৰত্নাকৰ আৰু মাতৃ দেৱিকা ফুকনৰ নাম।

সেই সময় প্ৰায় ১৯৬০ চন। কাতিৰ কঙালী হৈও যেন সোণৰ পালেঙত জন্ম লৈছিল ৰত্নাকৰ আৰু দেৱিকা ফুকনৰ একমাত্ৰ পুত্ৰ প্ৰৱাল ফুকনে। যেন ঘৰখন ভৰি পৰিছিল প্ৰৱালৰ আগমনত। সকলোতে যেন কিৰিলি পৰিছিল সুখে। এনেকৈয়ে কৰ্মব্যস্ততাৰ মাজতেই আৰম্ভ কৰিছিল এটি নতুন জীৱনধাৰা।

মাথোঁ এটি বাক্য
"কিয় হত্যা কৰিলে মোৰ পিতৃ-মাতৃক ?"
সেয়া যেন আজিও সাঁথৰ হৈয়ে ৰ'ল

সময়বোৰ পাৰ হোৱাৰ লগে লগে তাৰ জীৱনৰ কঠিয়াতলিখনো পৰিৱৰ্তিত হৈছে। প্ৰৱাল এতিয়া গুৱাহাটীত নিবাসী এক চফল যুৱক। সি নিজাকৈ তাত এটা ঘৰ সাজিছে। মৰমৰ দোলেৰে বান্ধ খাই থকা তাৰ এক পৰিবাৰো আছে। প্ৰৱাল এতিয়া এখন কলেজৰ প্ৰৱক্তা আৰু এজন নামী লেখক আৰু তাৰ পৰিবাৰ স্নিগ্ধা এগৰাকী ডিজাইনাৰ। পিতৃ-মাতৃৰ প্ৰতি সন্তানৰ যি শ্ৰদ্ধাশীল ভাৱ, সেই ভাৱবোৰ প্ৰৱালে গুৱাহাটীত থাকিও অতি শুদ্ধতাৰে কৰি গৈছিল আৰু আপোন পৰিবাৰকো সেই কৰ্ম কৰি যাবলৈ কৈছিল। তেনেকৈ সময় অনুযায়ী সিহঁতে পিতৃ-মাতৃৰ সতে কথা বাৰ্তা কৰিছিল আৰু সময় সাপেক্ষে সিহঁতে শিমলুগুৰিৰ নিজ আপোন গৃহলৈ আহ-যাহ কৰিছিল।

প্ৰৱালে নিজ পিতৃ-মাতৃক তাৰ নতুনকৈ সজা ঘৰখনি এবাৰৰ বাবে হ'লেও দেখুৱাবলৈ যি হেঁপাহ আছিল, মাথো সেই হেপাঁহ যেন হৈ ৰ'ল সপোনৰ আগোচৰ। কিয়নো কৰ্মব্যস্ততাৰ মাজত থকা পিতৃ-মাতৃয়ে নিজা ঘৰখন এৰি চলাটো সম্ভৱপৰ হৈ নুঠিছিল। আৰু এনেকৈয়ে দিন বাগৰাৰ লগে লগেই পিতৃ-মাতৃ, পো-বোৱাৰীয়ে যিদৰে সুনাম কঢ়িয়াইছিল। সেই দেখি এচাম চকুচৰহাই প্ৰৱালৰ পিতৃ-মাতৃক সেই সুখৰ মুহূৰ্ত লভাৰ পৰা চিৰদিনলৈ বঞ্চিত কৰিলে। আঁতৰাই পঠালে এই পৃথিৱীৰ মায়া ভেদ কৰি অন্য এক স্থানলৈ। সেই ৰত্নাকৰ আৰু দেৱিকাৰ মৃত্যু বাৰ্তাই গোটেই শিমলুগুৰিবাসী ৰাইজকে চমকিত কৰি কন্দুৱাই পেলালে। সকলোকে ভদ্ৰতা সীমাৰে বান্ধ খোৱাব পৰা যি মহানুভৱতা, সেই ভাৱ কেৱল নিজ পৰিয়ালেই নহয়... তেওঁলোকক পৰিচিত গোটেই ৰাইজৰ মাজতেই যেন তিল তিল কৈ জাগি উঠিছিল সেই ভদ্ৰতাৰ পৰিচয়।

"কৰ্মই নামানে দৰিদ্ৰতাৰ সীমা ৰেখা"— তাৰ এক জলন্ত ৰূপ এই প্ৰৱাল ফুকন। যি দৰিদ্ৰ পিতৃ-মাতৃৰ ভদ্ৰতাক আওকান নকৰি, সুকলমে প্ৰতিটো কৰ্ম কৰি আজি উজলি উঠিছে এখন নতুন মহানগৰত। আক্ষেপ মাথোঁ আদবাটতে পিতৃ-মাতৃক হেৰুৱাৰ বেদনাত। এক অবুজ সাঁথ হৈয়ে শিঁহৰি উঠি বাৰে বাৰে তাৰ হৃদস্পন্দন। মাথোঁ এটি বাক্য, "কিয় হত্যা কৰিলে মোৰ পিতৃ-মাতৃক?" সেয়া যেন আজিও সাঁথৰ হৈয়ে ৰ'ল... মাথোঁ প্ৰৱালৰ শ-শৰীৰত। এয়া যেন দুখৰ এটি আৰম্ভণিহে। তথাপিও ভগ্ন হৃদয় লৈ নিজ পত্নীৰ সৈতে আগুৱাই যাব খুজিছে প্ৰৱাল।

মনত অলেখ সপোন, সেই সপোনৰ বাট বিচাৰি সি নিজকে ধৈৰ্য আৰু বিশ্বাসৰ বলত আগুৱাই নিজৰ দুৰ্বলতাক মোহাৰি পেলাব খুজিছে আৰু এনেকৈয়ে প্ৰতি দিন, প্ৰতি নিশা সিহঁতে নিজ কৰ্মাৱলীৰ মাজেৰেই পাৰ কৰি গৈছে।

প্ৰায় ২০০০ চনৰ মাৰ্চ মাহ। আহিব খুজিছে যেন এক নতুন পোহৰৰ মেলানি। প্ৰৱাল আৰু স্নিগ্ধাৰ যি অবুজ মিলন। সেই মিলনে যেন বাট চাই আছে এক নতুন আশাৰে দিগন্তৰ সূচনা কৰিবলৈ..। মাথোঁ আৰু কেইটামান মুহূৰ্ত... সিহঁত ৰৈ আছে ঘৰখনলৈ এটি নতুন সদস্যৰ আগমনত। কিন্তু....

"জটিলতাৰ মাজেৰে জীৱনটোক আগুৱাই নিব পৰাটো বৰ সৌভাগ্যৰ কথা"। কিন্তু এই সৌভাগ্যই লগ নিদিলে প্ৰৱাল আৰু স্নিগ্ধাৰ মৰমৰ বান্ধোনত। আহিবলগীয়া এক নতুন সদস্যৰ আদিতেই ঘটিল এক অঘটন। যি হয়তো এক হৃদয় বিদাৰক ঘটনা। এটি দুখ নৌমাৰ যাওঁতেই আহিল আন এক যান্ত্ৰণা। হয়তো স্নিগ্ধা হতবাক, তাই নিজেই গম নাপায় যে তাই সেই ভুলটো কেতিয়া কৰিলে। যেতিয়া স্নিগ্ধাৰ পৰীক্ষাৰ বাবে দুয়ো গুৱাহাটী মেডিকেললৈ গৈছিল আৰু সেই পৰীক্ষাৰ ৰিপৰ্টত ওলাইছিল- তাইৰ শৰীৰৰ ভিতৰত থকা সন্তানটি নষ্ট হৈ পৰিছে। কিয়নো স্নিগ্ধাৰ খাদ্যনলীৰে এক বিষজনিত দ্ৰব্যই সেই সন্তানটিক নষ্ট কৰি পেলাইছে। কিন্তু ছাৰ কেনেকৈ এয়া সম্ভৱ হ'ব.. কিয়নো আপুনি দিয়া যি খাদ্যৰ নিয়মাৱলী সেই অনুসৰিয়েই স্নিগ্ধাক আহাৰ যোগান ধৰা হৈছিল। তেতিয়া চিকিৎসকজনে কৈছিল এয়া হয়তো কোনো ফলমূলৰ জড়িয়তে আপোনাৰ পৰিবাৰৰ দেহলৈ বিয়পি পৰিছিল। কিয়নো আজিকালি সকলো খাদ্যতেই দৰৱ ব্যৱহৃত হয় আৰু দুয়ো অৱশেষত যেন নিৰস মনে উভতি আহিছে। নাই আজিচোন কাৰোৰেই মাত বোল নাই। শিল পৰা কপৌৰ দৰে দুয়ো গম্ভীৰ মনেৰে নিথৰ হৈ পৰিছে। নাই কোনেও কাৰোৰে মুখখনো এবাৰো ঘূৰিও চোৱা নাই। না দুয়ো কিবা খাইছে, না দুয়ো কেনিবা নিজ কৰ্মৰ বাবে ওলাই গৈছে।

চিকিৎসকজনে প্ৰৱালক এদিন অকলশৰে আহি তেওঁক লগ ধৰিবলৈ কৈছিল। আৰু অৱশেষত দুখৰ ম্লান গুচাই এদিন সময় প্ৰৱালে চিকিৎসকজনক লগ ধৰিলে। তেওঁলোকৰ মাজক কিছু সময় ঘৰুৱা কথা-বাৰ্তা পতাৰ পাছত, এতিয়া আহিল দুয়ো মূল বিষয়বস্তুলৈ। চিকিৎসকজনে প্ৰৱালক কৈছে— "দুখৰ সংজ্ঞা বিচাৰি নকৰিব সুখক পৰিত্ৰাণ। জীৱন থকা মানেই আগবাঢ়ি যাওঁক প্ৰতি মুহূৰ্ততে আৰু লভক সুখৰ বন্তি গছি"। এই কথাটো মই আপোনাক কিয় কৈছো, এয়া হয়তো আপুনি বুজিছে। প্ৰৱাল মই আপোনাৰ এই দুখ আৰু কষ্টক বুজি পাইছো। তাৰ মাজতে মই আন এটা কথা কম, যি আপোনাৰ মনত আকৌ এবাৰ হয়তো আঘাত হানিব। মাথোঁ আপুনি সেই কথাটোকে লৈ পিছলৈ যাতে দুৰ্বল নহয়, বা আপোনাৰ বিশ্বাসক হেৰুৱাই নেপেলাব। সেই কথা শুনি আকৌ প্ৰৱালৰ লাগিল উগুল-থুগুল। ছাৰ আপুনি কি ক'ব খুজিছে, প্ৰকৃত কথাটো কওঁক। উপায়হীন হৈ ৰৈ আছে মাথোঁ অকল্পনীয় অন্য এক কথা শুনিবলৈ।





তেতিয়া চিকিৎসকজনে কৈছে— আপোনাৰ পৰিবাৰ স্নিগ্ধাৰ যিটো কাৰণত আপোনালোকৰ আহিবলগীয়া সন্তানটি নষ্ট হৈছিল আৰু সেই বিষজনিত দ্ৰব্যই আপোনাৰ পৰিবাৰৰ গোটেই শৰীৰটোত বিয়পি হাড়বোৰ দুৰ্বল আৰু থুনুকা কৰি পেলাইছে। যাৰ পৰিপেক্ষিতত স্নিগ্ধাই এক পংগুৰূপী জীৱন পাৰ কৰিব লাগিব। এই ৰূপটোৰ পৰা হাত সাৰিবৰ বাবে মই কিছু দৰৱ পাতি দিছিলো। সেই আপুনি সময়মতে খুৱাওক আৰু পত্নীক যত্ন ৰাখক। তেতিয়া হয়তো তেৰাৰ আৰ্শীষ মৰ্মে স্নিগ্ধাই সেই ৰূপটোৰ পৰা হাত সাৰিব।

মনত যেন এজাক জোঁৱাৰে হেঁচা মাৰি ধৰিছে প্ৰৱালক। দুখমনেৰে বিদায় মাগি ঘৰমুৱা হৈছে সি। সকলো আজি ব্যস্ত, আজি কোনেও কাৰো মনৰ কথা বুজিবলৈ সময় নাই। কিয়নো এইয়া যান্ত্ৰিকতাৰ যুগ। দুখমনেৰে মাথোঁ ৰৈ ৰৈ সি চাইছে সন্মুখৰ পৰিৱেশটি। সপোনে দিয়া সুখবোৰক আজি সি গৰিহণা দিছে। কিয়নো সুখ দুখ বিচাৰি সি বৰ্তমান যি জীৱন উপলব্ধ কৰিছে, সেই জীৱনটোৱে যেন তাক জীয়াই জীয়াই মাৰিব ধৰিছে। হ'লেও জীৱটোত জীয়াই থকাৰ যি হেঁপাহ, সেই হেঁপাহৰ বলতেই যেন তাৰ মনটোৱে বাৰে বাৰে ধৈৰ্য ধৰিছে।

প্ৰায় ২-৩ ঘণ্টাৰ পিছত সি উপস্থিত হৈছে নিজা ঘৰত। স্নিগ্ধা কি কৰিছা.. এহ আছো এনে বেলকনিতে বহি। ইমান ভাল লাগে জানা বাহিৰা এই বতাহজাকে যেতিয়া মোৰ শৰীৰেদি পাৰ হৈ যায়। অহ এইয়াহে মানে ন.. মই লগত থাকিও মোক মানে তোমাৰ লগত সেই বতাহজাকি উপলব্ধি কৰিব নিদিয়া। হুহ বেয়া পাইছো পাই মই তোমাক...।

এহ নাপাবা না বেয়া আৰু মই জানো পিছে তুমি মোক বেয়া পাবও নোৱাৰা হি হি হি..।

হ'ব এতিয়া হাঁহি মোক ফুচুলাব নালাগে.. হুহ হুহ।

এতিয়া তোমাৰ হাতৰ পৰশত একাপ চাহ খোৱাবানে মোক স্নিগ্ধা? অ' নিশ্চয় মোৰ পতিদেৱ। আপুনি মুখ হাত ধুই লওক আৰু মই সাজু কৰি আনিম আপোনাৰ প্ৰিয় চাহকাপ। আৰু আমি দুয়ো এই বেলকনিতে পাৰ কৰিম এটি সুন্দৰ সন্ধ্যা।

কিছু সময়ৰ পিছত দুয়ো একেলগে বহি চাহৰ জুলি লৈছে। আৰু দুয়ো আপোন ভাৱে বাৰ্তালাপ কৰিছে। বাজিছে মনৰ প্ৰাণৰ সুৰ, যেন মেলিছে আকৌ প্ৰেমৰ মেলানি। বতাহৰ আঁৰে আঁৰে ৰিহিঙাইছে দুয়োকে। সাগৰৰ ঢৌৱেও যেন খুন্দিয়াইছে দুয়োৰে হৃদয়ত। গভীৰ বাৰ্তালাপৰ মাজতে হঠাৎ দুয়ো নিমাত। মাথোঁ চাই আছে ইটোৱে সিটোক।

সময়বোৰ তেনেকৈয়ে বাগৰি গৈছে। লাহে লাহে পুনৰ নিজা কৰ্মত ব্যস্ত হৈ পৰিছে। কেতিয়াবা দুয়োৰে মাজত মাথোঁ অভিমান আৰু সেয়াও নিমিত্তহে মাথোঁ। এক বিৰল প্ৰেমৰ আচ্ছাদনৰ মাজেৰেই পাৰ কৰিছে দুয়ো জীৱন যুঁজত। আকৌ আগবাঢ়ি গৈছে সফলতাৰ মাজমজিয়াত। বোৱাই পেলাইছে নিজৰ শিক্ষকতাৰ জ্ঞানেৰে। পিতৃ-মাতৃৰ আদৰ্শ লগত ৰাখিয়েই আজি প্ৰৱালে নিজ ভৰিৰ ওপৰত থিয় হৈ সমাজৰ আগত কথা ক'ব পৰা হৈছে। আৰু পত্নী স্নিগ্ধাইও নিজ গৃহতে এখন পাৰ্লাৰ খুলি ন ন প্ৰজন্মক ডিজাইন সম্পৰ্কে শিক্ষা প্ৰদান কৰে। লগতে সমাজৰ কল্যাণৰ হকে তাই মাত মাতে।

জীৱনবোৰ বৰ জটিলতাৰে ভৰপূৰ। কোনেও নাজানে কাৰ লগত কেতিয়া কি হয়। সেইবাবে এই পৃথিৱীত জীয়াই থকা মানেই বিষাদক আঁতৰাই ৰাখি মাথোঁ সুখ লভাৰ চেষ্টা কৰিব লাগে। সুখৰ আঁৰত থাকে সফলতা আৰু বিষাদৰ আঁৰত থাকে মাথোঁ যান্ত্ৰণা। যান্ত্ৰণাক লৈ জীয়াই থাকিব নিশিকিবা, ই মানুহৰ জীৱন পৰিসমাপ্তি ঘটাব পাৰে নিমিষতে। যদি জীয়াই থকাৰ ইচ্ছা আছে তেন্তে জীৱনৰ প্ৰতিটো সুখ আৰু আনন্দক লভিবলৈ চেষ্টা কৰা। মানুহৰ মাজত বিশ্বাস আৰু একতাক জীয়াই ৰখাৰ চেষ্টা অব্যাহত ৰখোৱা। ইয়ে জীৱন গঢ়াৰ এক সুন্দৰ বাট।

এহ, কি ভাবি আছো মই..? এনেই ভাগৰত জুৰুলা হৈ আছো। তাতে আকৌ বাহিৰা সাজযোৰো খোলা নাই। আজিনো মই ইমান হতবাক হৈ কি কৰিম, যি পালো, যি হেৰুৱালো সকলো চোন মা-দেউতাহঁত থকা সময়তে পাইছিলো। নাজানো আৰু অতীতৰ এই পৃষ্ঠাখনে আজি মোক কি দোহাৰিছে। অতীতৰ সেই সুমধুৰ পৃষ্ঠাখন চোন পাহৰিব খুজিও পাহৰিব পৰা নাই। সঁচাকৈ সেয়া সুমধুৰ আছিল, কিন্তু তাতো পাইছিলো এক দুৰ্দশাগ্ৰস্ত জীৱন। তথাপিও ভাগি নপৰো মই আৰু নপৰিবা ভাগি কাহানিও তোমালোক। জীয়াই থকাৰ যি প্ৰয়াস সেয়া মাথোঁ সফল কৰা। এয়াই আমাৰ জীৱন....

# সপোনৰ সমাধিত এপাহ ৰঙা গোলাপ

নাৰায়ণ বসুমতাৰী
স্নাতক তৃতীয় বৰ্ষ

ঃ তুমি কিয় তেনে কৰিলা ? ছয়নিকাৰ প্ৰশ্ন।

ঃ তোমাক কোনোবাই বেয়াকৈ জোকাব, আৰু মই বাৰু চাই থাকিব পাৰোনে ? আকাশে উত্তৰ দিলে।

ঃ তথাপিও তেনে কৰিব নালাগিছিল। একো নক'লে আকাশে। মাথো সোণাপুৰ কলেজৰ চৌহদৰ সেউজীয়াখিনিলৈ চাই থাকিল। ফাগুনৰ খৰাং বতৰৰ পাছত ন-বাৰিষাৰ প্ৰথমজাক বৰষুণ পাই লঠঙা গছৰ ডালবোৰত নৱপল্লৱিত হৈছে। থিক তেনেদৰেই আকাশ আৰু ছয়নিকাৰ প্ৰেমৰ বননিখনো সেউজীয়া হৈ পৰিছে। সিহঁত দুয়ো সহপাঠী হোৱাৰ লগতে উভয়ে প্ৰণয়প্ৰাৰ্থী। ঘটনাটো ঘটিছিল পাৰ হৈ যোৱা সৰস্বতী পূজাত। এই বিশেষ দিনটো শিক্ষক আৰু ছাত্ৰসমাজৰ আধ্যাত্মিকতাৰ এদিন। অৱশ্যে ছাত্ৰীসকলৰ বাবে এক পৰম আকাংক্ষাৰ দিন। নিজকে কিদৰে সজাব, কি সাজে শুৱাব, সেই বিষয়ত সিহঁতে মন কৰে। আন ছাত্ৰীৰ সৈতে খোজত খোজ মিলাই ছয়নিকাও আহিছিল সেইদিনা ছিল্কৰ কাপোৰ এসাজ পিন্ধি আৰু জাকত জিলিকা নহ'লেও সোণত সোৰগা চৰা লাগিছিল। সিহঁতক দেখি ৰক্তিম আৰু তাৰ লগত থকা কেইজনমান উদণ্ড ছাত্ৰই জোকাবলৈ ধৰে আৰু দুই এষাৰ বেয়াকৈও কয়। কথাটো শুনি আকাশে লগে লগে গৈ প্ৰচণ্ড বাক্-বিতণ্ডা লাগে আৰু ৰক্তিমক এটা কাণতলীয়া চৰ সোধাই দিয়ে। এক হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। কাজিয়াখন ডাঙৰ নহ'বলৈ কেইজনমানে দুয়োজনকে দুটা দিশত আঁতৰাই লৈ যায়। কিন্তু অহাৰ আগতে আকাশে শুনিছিল এটা সাৱধানবাণী অথবা হুংকাৰ— “এই চৰটোৰ বহুত মূল্য দিব লাগিব ৰক্তিম... বহুত দিব লাগিব”। এই কথাষাৰেই এদিন আকাশৰ জীৱনলৈ কাল সন্ধ্যা নমাই আনিছিল।

জীয়াই থকাৰ বাসনা হেৰুৱাই পেলাইছিল সি। জীৱনটো চিৰকালৰ বাবে শেষ কৰি দিব বিচাৰিছিল। কিন্তু সি মৰিব নোৱাৰে, জীয়াই থাকিব লাগিব। কাৰণ ছয়নিকাই তাৰ নামতেই সেন্দুৰ লোৱাৰ শপত লৈছে।

ঘটনাটো হে যোৱা বহুকেইটা দিন পাৰ হ'ল। লাহে লাহে সকলোৱে পাহৰিছে। আকাশ নিজৰ লিখা-পঢ়া, গান শুনা আৰু ছয়নিকাৰ মৰমৰ অভিমানবোৰতে ব্যস্ত। পাহৰা নাই একমাত্ৰ ৰক্তিমে। প্ৰতিশোধ লোৱাৰ বাসনাৰ জুইকুৰা দপ্দপকৈ জ্বলিছিল তাৰ বুকুত আৰু মগজুত। কিন্তু কিদৰে? দুষ্ট ল'ৰাৰ দুষ্ট বন্ধুৰ অভাৱ নাই। তেনে এক দগাবাজে এদিন ৰক্তিমক কাণে কাণে এটা বুদ্ধি দিলে। তাৰ কথা শুনিয়েই ৰক্তিমৰ চকুযুৰি তিৰ্বিৰাই উঠিল আৰু এক আসুৰিক আনন্দত হাঁহি হাঁহি বন্ধুজনক ধন্যবাদ দিলে আৰু ক'লে যে আজি সন্ধিয়াৰ পাৰ্টী সিয়ে দিব।

ইফালে ছয়নিকা আৰু আকাশৰ প্ৰেমৰ ভৰ বাৰিষা। দুয়ো তিতিছে ভালপোৱাৰ বৰষুণজাকত গাইছে আনন্দৰ গীত। ক্লাচৰ মাজে মাজে কেতিয়াবা কেতিয়াবা দীঘলীয়া বিৰতি থাকে। সেই সময়খিনিত সিহঁতে কলেজৰ লেবত বহি আড্ডা মাৰে। কোনো ৰেষ্টোৰালৈ গৈ খোৱা বোৱা কৰে। কেতিয়াবা দুয়ো পাৰ্কলৈ গৈ প্ৰেমালাপ কৰে। ছয়নিকা কিছু সহজ-সৰল, মৰম আকলুৱা ছোৱালী আৰু আকাশ কিছু গহীন-গম্ভীৰ, সৰল মনৰ ল'ৰা। বন্ধুবৰ্গই কেতিয়াবা সিহঁতক যোৰাটোক পাভযোৰা বুলিও জোকায়। আকাশ সমান্য অপ্ৰস্তুত ভাৱ দেখুৱাই যদিও ভিতৰি আনন্দিত হয়। ছয়নিকাৰ মৰমৰ উত্তাপত তাৰ হৃদয় বৰফ গলাৰ দৰে গলিব ধৰে।





কেতিয়াবা আকাশ ভাবে বুলেট প্ৰুফ জেকেটৰ দৰে অত্যাধিক মৰমক বাধা দিব পৰা জেকেট আছে নেকি ? কাৰণ সি তাইৰ মৰমত জীয়াই থাকিব বিচাৰে, এনেকৈ গলি গলি শেষ হ'ব নিবিচাৰে।

কিন্তু হঠাতে এদিন পৰিস্থিতিয়ে ভয়াবহ ৰূপ ধাৰণ কৰে। সোণাপুৰ কলেজৰ লেবত বহি থকা আকাশক পুলিচে এৰেষ্ট কৰে ড্ৰাগচৰ সৰবৰাহৰ অপৰাধত। মহাবিদ্যালয়ৰ ছাত্ৰাবাসৰ আকাশে শোৱা বিচনাৰ গাৰুৰ তলত যথেষ্ঠখিনি ড্ৰাগচৰ পেকেট পুলিচে উদ্ধাৰ কৰিছে বুলি খবৰটো বনজুইৰ দৰে বিয়পি পৰে। পৰিস্থিতিৰ বুজ ল'বলৈ সকলোৱে উধাতু খাই আহিল। আহিল ছয়নিকাও। আকাশক তেনেদৰে দেখি তাইৰ দুগালেদি দুধাৰি চকুলো বৈ আহিল। ইফালে আকাশৰ মুখৰ মাত যেন হেৰাই গ'ল। চকুৰ পচাৰতে কি হৈ আছিল আৰু কি হৈ গ'ল সি উমান নাপালে। আদালতে তাক এবছৰ কাৰাদণ্ড আৰু বিশ হাজাৰ টকা জৰিমনা বিহে।

জিলা কাৰাগাৰলৈ অহা কিছু দিন পিছত আকাশে চিঠি এখন পাইছিল ছয়নিকাৰ। যিখন চিঠিয়ে তালৈ কঢ়িয়াই আনিচিল এক বিষাদৰ বাৰ্তা। তাই লিখিছিল— “... ভবা নাছিলো তুমি এনে কাম কৰিব পাৰিবা বুলি। এজন চূড়ান্ত বিশ্বাসঘাতক হ'বলৈ তোমাৰ অলপো লাজ নালাগেনে ? সমাজৰ প্ৰতিজন ব্যক্তিৰে মান সন্মান আছে একমাত্ৰ তোমালোকৰ দৰে মানুহৰ বাদে। মই জানো যে তুমি গাঁৱৰ এজন কৃষকৰ সন্তান। টকা-পইচাৰ অভাৱ হয়তো তোমাৰ আছে; কিন্তু সেইবাবেই অভাৱ পূৰণ কৰিবলৈ এনে গৰ্হিত কাম কিয় কৰিলা ? কিয় ?...

আৰু এটা কথা শুনা ঘৰৰ মানুহে মোৰ বিয়াৰ যা-যোগাৰ কৰিছে। কিন্তু মা-দেউতাক বাৰু কিদৰে কওঁ তোমাৰ কথা! কেনেকৈনো কওঁ যে মোৰ এজন প্ৰেমিক আছে, যি এতিয়া জিলা কাৰাগাৰৰ বাসিন্দা। কিন্তু তুমি নাভাবিবা যে মোৰ প্ৰেম মিছা আছিল বুলি। মই কেৱল ঘৃণা কৰো তোমাৰ কু-কৰ্মক; কাৰণ মই তোমাক ভাল পাওঁ, বহুত ভাল পাওঁ জানা ... নিজতকৈয়ো বেছি। বিয়াৰ পিছতো শিৰৰ সেন্দুৰকণ তোমাৰ নামতেই ল'ম। যদিহে পাৰা, তুমি মোক ক্ষমা কৰি দিবা। আশা কৰো তুমি মোক অভিশাপ নিদিয়া যেন। ইতি তোমাৰ ছয়নিকা”।

চিঠিখন পঢ়ি সামৰি থৈছিল আকাশে। চকুলোৱে ভৰি পৰে দুগাল, সৰু ল'ৰাৰ দৰে ফেকুৰি ফেকুৰি কান্দে কাৰাগাৰৰ ভিতৰতে। গোটেই সৰগখনেই যেন খহি পৰিছিল তাৰ মূৰত! জীয়াই থকাৰ বাসনা হেৰুৱাই পেলাইছিল সি। জীৱনটো চিৰকালৰ বাবে শেষ কৰি দিব বিচাৰিছিল। কিন্তু সি মৰিব নোৱাৰে, জীয়াই থাকিব লাগিব। কাৰণ ছয়নিকাই তাৰ নামতেই সেন্দুৰ লোৱাৰ শপত লৈছে। প্ৰথমবাৰৰ বাবে আকাশে অনুভৱ কৰিলে জীয়াই জীয়াই মানুহ কেনেকৈ মৰে আৰু ভৱিষ্যতে কেনেকৈ মৰি মৰি জীয়াই থাকিব লাগিব। চৌদিশে শূণ্যতাই আৱৰি ধৰিছে তাৰ মন আকাশ। অথচ শূণ্যও এটা সংখ্যা। প্ৰতিজন মানুহৰ জীৱন শূণ্যৰ পৰাই আৰম্ভ হয়। হয়তো তাৰ বাবে এয়াই জীৱন যাত্ৰাৰ আৰম্ভণি! এয়াই তাৰ সান্তনা। ক'ৰ সেই আইপিএছ হৈ ভাৰত কঁপাই তোলাৰ মন। ক'ৰ সেই বুকুত খলকণি তোলা ছয়নিকা আৰু ক'ত আছে সি। অৱতৰীয়া ধুমুহাত বিধ্বস্ত তাৰ জীৱনৰ পঁজাটি।

উপসংহাৰ ঃ সম্পূৰ্ণ এবছৰৰ পাছত জিলা কাৰাগাৰৰ পৰা মুকলি হয় আকাশ। কাৰাগাৰৰ মূল দুৱাৰখন পাৰ হৈয়ে হতবাক হৈ পৰে সি। তাৰ সন্মুখত সেইজনী ছয়নিকা। বাকী সকলোবোৰ একেই আছে। একমাত্ৰ শিৰত জিলিকি থকা দগ্মগীয়া সুমথিৰা আবেলিটোৰ বাদে। “মোক ক্ষমা কৰি দিবা আকাশ”— বুলি কৈ ছয়নিকাই আৱেগত সাৱটি ধৰে তাক। আকাশেও তাইক দুবাহুত আলফুলে আকোৱালি লয়। কিছু দূৰত বৈ থকা ছয়নিকাৰ স্বামীয়ে এটি মিচিকিয়া হাঁহিৰে মাথো চাই ৰ'ল বিচ্ছেদিত প্ৰেমিক-প্ৰেমিকাৰ আলিংগনাবদ্ধ নয়নাভিৰাম দৃশ্যটি। (সমাপ্ত)

# পুৰতি নিশাৰ সপোন

**বাবুল তেলী**
পঞ্চম ষাণ্মাসিক
ৰাসায়ন বিভাগ

...... পুৰতি নিশাৰ সপোনটোৰ কথা। তই যে সপোনত নিৰলাই স্কুলৰ বাইদেউ হৈ বাচ্চাবোৰক পঢ়াই থকা দেখিছিলি ......

এলাৰ্ম ঘড়ীটোৱে পুৱা চাৰি (৪) বজাৰ সংকেত দিছিল। নিৰলা চক্ খাই যেন সাৰ পাইছিল। খৰখেদাকৈ গৈ তাই বাঁহৰ ঝাৰুডাল ধৰিলে। চোতালখন চিকুনাই গাটো তিয়ালে। "বাবা চাহপানীটো খাই লওঁক" নিৰলাই দেউতাকৰ হাতত ৰঙা চাহৰ বাটিটো তুলি দিলে আৰু লগতে দুটা কাটা বিস্কুট। নিৰলায়ো থিয় হৈয়ে চাহখিনি গিলি থ'লে। টিউচনৰ ল'ৰা-ছোৱালীবোৰ আহি পাবৰে হ'ল।

দেউতাকে ভাতখিনি পাতিছিলেই। আলু দুটা দি দিলে আৰু খৰখেদাকৈ পিন্ধি কলেজলৈ সাজু হ'ল। ইতিমধ্যে আলুখিনি পিটিকা কৰি ভাত বাঢ়ি তেনেতে তাই পাকঘৰত সোমালে আৰু হাতৰপৰা থাল লৈ নিজে ভাত বাঢ়ি গ'ল— "বাবা আপুনি ইমান এই কামবোৰ মই আছো নহয়!" তেনেতে দেউতাকে "তই সোনকালে খাই ওলাই নগ'লে গাড়ী পাবি জানো আৰু ...? পাম ... পাকঘৰৰ পৰাই মাত লগালে, এতিয়া ভাতকেইটা খাই লওঁকচোন, মইয়ো এইবুলি কৈ নিৰলাই দেউতাকক পীৰাখন আৰু বহিলে।



তাই দাইলতে কাপোৰযোৰ দেউতাকে লৈছিলেই। দেউতাকৰ দেউতাকক কৈ নকৰিবচোন। মাত লগালে, কলেজলৈ বুলি নিৰলাই আহক খাইছো..। আগবঢ়াই দিলে

নিৰলা ওলাই গ'ল কলেজলৈ। দেউতাকৰ দৰৱ সময়মতে খাবলৈ সুঁৰৱাই যাওঁতে থ'লে। নিৰলা ওলাই যোৱাৰ পিছত দেউতাক নগেন সম্পূৰ্ণ অকলশৰীয়া হৈ পৰে ঘৰখনত। ঘৰখনৰ লগতে লাগি থকা সৰু বাৰীখনতে দেউতাকে ইটো-সিটো কৰে, দুই এটা বতৰৰ পাচলিৰ খেতি। বৰ টান কাম কৰিব নোৱাৰে নগেনে এতিয়া। আছিল এনে এটা সময় আজিৰ পৰা তিনি বছৰ আগত যেতিয়া নগেনে চাহ বাগানত কাম কৰিও নিজৰ নামত থকা চাৰি বিঘা মাটিত ধান খেতি কৰিছিল। লগত আছিল সহধৰ্মিনী সঞ্জা। তিনিটা সদস্যৰে আছিল এখন সুখৰ ঘৰ। সঞ্জাও আছিল এটি কলি দুটি পাতত হাত বুলাই সপোন ৰচা এগৰাকী সচেতন নাৰী। একমাত্ৰ জীয়াৰী নিৰলাক উচ্চ শিক্ষাৰে শিক্ষিত কৰি তোলাৰ সপোন ৰচিছিল সঞ্জা আৰু নগেনে। কিন্তু সময় বৰ নিষ্ঠুৰ। সময়ে সকলো সলনি কৰি দিলে সঞ্জা-নগেনৰ সংসাৰখন, সপোনবোৰক। হঠাৎ নিৰলাৰ মাক আক্ৰান্ত হৈছিল এক অচিন ৰোগত। পযেকটোত পোৱা নগেনৰ দৰমহা পইচাখিনি আৰু সাঁচি থোৱাখিনিৰে সঞ্জাৰ বেমাৰ ভাল নোহোৱাত বেচিব লগা হ'ল খেতিৰ মাটিখিনি। সৰ্ব্বোচ্চ শেষ কৰি চিকিৎসা কৰিও নিয়তিৰ হাতত হাৰ মানিলে সঞ্জা। আন্ধাৰ নামি আহিল ঘৰখনত। দেউতাক শোকত ভাগি পৰিল। আৰু নিৰলা? খুউব কান্দিলে ফেকুৰি ফেকুৰি। মাক জানো আহিব উভতি? তেতিয়া তাই উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষা দি উঠিছিল। মাকৰ বেমাৰৰ মাজতে পৰীক্ষা দিছিল তাই। প্ৰেৰণা আছিল মাক। নৰিয়াত পৰি





থাকিও সাহস দিছিল তাইক। তাইও মাকৰ চকুত দেখিছিল জল্‌জল্ পট্‌পট্‌কৈ সেই সপোনৰ ৰং। মৃত্যুৰ সময়ত কিবা এটা ক'ব খুজিছিল নগেনক। নোৱাৰিলে... ক'ব নোৱাৰিলে .... নগেনে খুব আগ্ৰহেৰে চাই ৰৈছিল পত্নীৰ মুখলৈ। হয়তো নিৰলাৰ কথাই ক'ব বিচাৰিছিল? নগেনে বুজিলে।

মাকৰ মৃত্যুৰ এমাহৰ পাছতেই নিৰলাৰ উচ্চতৰ চূড়ান্ত বৰ্ষৰ ৰিজাল্ট ওলাইছিল। পাছ কৰিছিল পৰীক্ষাত। কিন্তু হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ তুলনাত ৰিজাল্ট ভাল নাছিল। দেউতাকৰ কোনো আক্ষেপ নাছিল। কাৰণ মাকৰ বেমাৰৰ মাজতে পৰীক্ষা দিও যে তাই উত্তীৰ্ণ হ'ল, সেয়াই যথেষ্ট।

দিনবোৰ বাগৰি গৈ আছিল। নিৰলাই ওচৰৰ কলেজখনতে বি এচচি প্ৰথম বৰ্ষত নামভৰ্তি কৰিছিল। দেউতাৰ পাৰিশ্ৰমিকখিনিয়েই আছিল সকলো। ঘৰৰ খা-খৰছৰ লগতে নিৰলাৰ পঢ়াৰ খৰছলৈকে। লাহে লাহে ওচৰৰে কিছুমান ল'ৰা ছোৱালীক নিৰলাই টিউচন ল'বলৈ ধৰিলে। তাৰ পৰা যি টকা পাইছিল; তাৰে পঢ়াৰ খৰচ তথা অহা-যোৱাৰ ভাড়া উলিয়াইছিল। নিৰলাৰ সহজ-সৰল আচৰণত মহাবিদ্যলয়ৰ প্ৰৱক্তাসকলেও আপ্লুত হৈছিল আৰু পৰাপক্ষত সহায় কৰিছিল।

বিপদ আৰু দুখবোৰ আহিলে অকলে আহেনে? নিৰলাহঁতৰ জীৱনতো বিপদবোৰে লগ এৰা নাছিল। বাগানত কাম কৰি থাকোতেই এদিন নগেনৰ হাত এখন আৰু ভৰি এটা বৰ বেয়াকৈ আঘাতপ্ৰাপ্ত হ'ল। চিকিৎসা বাগানৰ কৰ্তৃপক্ষৰ ফালৰ পৰা কৰোৱা হ'ল যদিও নগেনে আগৰ দৰে সুস্থ হৈ নুঠিল। নিৰলাৰ মূৰত যেন আকাশখনহে খহি পৰিছিল। মাকৰ বন্ধোৱা ফটোখন বুকুত সাৱটি খুউব কান্দিছিল তাই। মাকে যেন তাইক সাহস দিছিল। সঁচাকৈ তাই সাহসী হৈ পৰিছিল। ইতিমধ্যে তাইৰ বি এচচি ৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষা শেষ হৈছিল। তাইৰ পঢ়োৱা ভাল পাই টিউচনত ল'ৰা-ছোৱালীৰ সংখ্যাও আগতকৈ বাঢ়িছিল। দেউতাকক ঘৰতে থাকিবলৈ দিলে। কেতিয়াবা ভয় খাইছিল তাই। মাকৰ দৰে দেউতাকেও আঁতৰি যাব নেকি বহু দূৰলৈ..। কোনো দিনে ঘূৰি নহা দৈশলৈ? নাই ভগৱান তুমি আছা, তুমি ইমান নিষ্ঠুৰ নহয়।

ঘড়ীটোলৈ চালে নগেনে। নিৰলা আহিবৰ হৈছে। কি বা হৈছে চিন্তা এটি লাগি থাকিল। খাবলৈ বুলি অলপ জলপান যতনাই থ'লে, লগতে খাবহি। অকলে কোনোদিনে নাখায় নগেনে। সদায় জীয়েক নিৰলালৈ বাট চাই ৰয়। আচলতে মুখলৈ একোৱে নিব নোৱাৰে অকলে অকলে। ভাগৰৰ চাপ পৰা নিৰলাৰ মুখলৈ চালে নগেনৰ বুকুত শোকে খুন্দা মাৰে। ইমান কম বয়সতে ইমান কষ্ট কৰিছে তাই। পৃথিৱীলৈ আহি কেইটানো বসন্ত গৰকিছে। ভাবিলে চকু সেমেকি উঠে। ভগৱানক প্ৰাৰ্থনা কৰে, সহায় কৰক তাইক আগুৱাই যাবলৈ দিয়ক, সপোনবোৰ পূৰ্ণ হওঁক। আজিৰ দিনটো বিশেষ। কলেজৰ সাক্ষাৎকাৰটোৰ ফলাফল দিব। ভগৱানে চাব, নগেনৰ প্ৰাৰ্থনা। বাবা..... বাবা....... বাবা...... ক'ত আছেনো? কেতিয়াবাৰ পৰাই মাতি আছো মই। শুনাই নাই যে? এয়া মিঠাই লওক। মই চাকৰিৰ বাবে উপযুক্ত বুলি বিবেচনা কৰিলে। বাবা মই কাইলৈ পৰা চাকৰিত জইন কৰিম। মা'কো কৈ আহিম বুলি দেউতাকক ৰ'বলৈ কৈ নিৰলাই মাকৰ ফটোখনৰ ওচৰত থকা থাপনাতে মিঠাই এটা দি হুকহুকাই কান্দি পেলালে, "মা, তোৰ সপোন পূৰণ হ'ল, মা, তই বিচৰাৰ দৰে মই আজি চাকৰি পালো, স্বাৱলম্বী হোৱাৰ... মা তই শুনিচনে মা.....”।

দেউতাকে নিৰলাক দুবাহুত ধৰি উঠাব খোজোতেই নিৰলাই দেউতাকক সাৱটি ধৰি কান্দিব ধৰিলে। বাবা.. । নগেনৰ দুগালেদি বৈ গ'ল শোকৰ চকুলো। ফটোত আৱদ্ধ হৈ থকা সঞ্জাৰ চকুলৈ চাই নগেনে নিৰৱে ক'লে, 'সঞ্জা তোৰ মনত আছেনে সিদিনাৰ কথা, যিদিনা নিৰলাই ফাৰ্ষ্ট ডিভিজন লৈ মেট্ৰীক পৰীক্ষা পাছ কৰিছিল। তাৰ পাছদিনাৰ পুৰতি নিশাৰ সপোনটোৰ কথা। তই যে সপোনত নিৰলাই স্কুলৰ বাইদেউ হৈ বাচ্চাবোৰক পঢ়াই থকা দেখিছিলি আৰু সাৰ পাইয়েই যে সপোনটোৰ কথা মোক কৈছিলি? আজি তোৰ সপোনটো সঁচা হৈ গ'ল অ'। আজি আমাৰ ছোৱালী স্কুলৰ নহয় কলেজৰ বাইদেউ হৈ গ'ল। দৰিদ্ৰতাই সপোনৰ যে হেঙাৰ হ'ব নোৱাৰে, তই যে কৈছিলি...। নগেনে আৰু নিজক চম্ভালিব নোৱাৰি হুকহুকাই কান্দি দিলে.............

# মৃত্যুৰ সপোন

ইন্দুৰাণী বৰুৱা
পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ



সপোন এটা দেখিছো। পুৱতি নিশাৰ সপোন। ডাৱৰীয়া বতৰত স্কুলীয়া জোতা যোৰ পিন্ধি চাহগছৰ তলে তলে লুকাই ফুৰিছো। বুকুখন ধপ্‌ধপাইছে। কান্দিছো নে হাঁহিছো ধৰিবই পৰা নাই। কাণেৰে শুনিছো বুট জোতাৰ গিৰিপ গাৰাপ শব্দ। বুকুখন আকৌ ধপ্‌ধপাবলৈ ধৰিছে! গুলিয়া গুলিৰ শব্দ। কাৰ লগত কাৰ কাজিয়া বা যুদ্ধ হৈছে ধৰিব পৰা নাই। চকুৰে স্পষ্টকৈ দেখিও পোৱা নাই। মাথোঁ দেখিছো মই নৈ এখনৰ এটা পাৰে আনটো পাৰে সি। তাক বচাব লাগে মই। মোৰ উশাহ ক্ৰমে ঘন হৈ আহিছে। দুহাত মেলি চুব খুজিও চুব পৰা নাই। চকুৰ পানীৰে নাকৰ পানীৰে একাকাৰ হৈ পৰিছে মুখমণ্ডল? অৱশ্যে এটাই আশা আছে মোক মৃত্যুৰ পূৰ্বে যাতে তাক এবাৰ চাব পাৰে। প্ৰত্যেক সময়তে মাত্ৰ এটা কথাই আছে মনলৈ আহি আছে যে মৰিলেও মৰিম কিন্তু এবাৰ মাথো তাক চাই ল'ব পাৰো।

নৈখন পানীৰে পূৰ হৈ থকা নাই যদিও একাঠুমান পানী আছে। চাহ গছ এজোপাৰ তলত তেতিয়াও মই শুই পৰি আছো। কাণে-নাকে-মুখে জোকে খাই তেজেৰে ৰাঙলী হৈ পৰিলো। তেতিয়াও কাণত বাজি আছে গিৰিপ গাৰাপ শব্দ; বুট জোতাৰ। বাৰুদৰ গুলিত হয়তো কাৰোবাৰ বুকুৰেদি বাগৰি ওলাইছে ধাৰাসাৰ তেজ। চাৰিওফালে মাথো বিভীষিকা। ধোঁৱা ধোঁৱা সকলো। মই চাহ গছৰ তলৰ পৰা উঠিলো। উঠি তাৰ কাষেলে যোৱাৰ অপ্ৰাণ চেষ্টা কৰিলো। কিন্তু মই লৰচৰকে কৰিব পৰা নাই। চুচৰি বাগৰি গৈছো। নৈৰ মাজভাগ পালোগৈ তেনেকৈয়ে। আহ! ইমান অসহ্য বিষ। ক'ৰবাৰ পৰা ওফৰি অহা গুলি এটাই দেখোন মোৰ বুকুতে বিন্ধিলে।

সি ক'তা। তাক চোন দেখাই নাপালো। বাগৰি পৰিছো নৈৰ বালিতে। লাহে লাহে চকুৰপতা জাপ খাই আহিছে। তথাপিও মনে মাত্ৰ এবাৰ চাব খুজিছে। ক'ত গ'ল সি। লোতক বাগৰি অহা চকুজুৰি ক্ৰমশঃ জাপ খাই গ'ল। তাক এবাৰ চুই চাবৰ বাবে উঠা হাতখনো পৰি যায় নৈৰ বুকুতে। আৰু নোৱাৰিলো মই উঠিব।

সপোনটো দেখি নিজে নিজেই ওলাই গ'ল চকু পানী। শোকে খুন্দা মাৰি ধৰিলে বুকুত। শোৱাৰপৰা উঠ বহি ল'লো। বুকুখন তেতিয়াও ধপ্ ধপ্ কৰি আছে বহুত জোৰেৰে। সঁচাই বাৰু তাক দেখিম নে মৃত্যুৰ আগমুহূৰ্তত?



# কবিতা কানন

কবিতা সাহিত্যৰ এনে এক ছাঁ-পোহৰৰ ৰূপ, ছবি, যাক কোনো ৰীতি বা সীমাৰে আৱদ্ধ কৰিব নোৱাৰি। আত্মাৰ অনুভূতিৰ ব্যক্তৰূপ। ই হৃদয়ৰ পৰা উদ্ভৱ হৈ সহৃদয় হৃদয়ত তাৰ ৰস আনন্দ আৰু মহত্ব সম্পৰ্কে হৃদয়ঙ্গম কৰায়।







# সপোন

প্ৰিয়ংকা বৰগোহাঁই গগৈ
প্ৰাক্তন ছাত্ৰী

কাৰনো মন নাযায়
ধুনীয়া হ'লৈ
সেই ছোৱালীজনীৰো মন গৈছিল
ধুনীয়া হ'বলৈ
জাকত জিলিকা হ'বলৈ
মন গৈছিল বহুজনৰ হৃদয়ত জোঁৱাৰ তুলিবলৈ
চাবোনৰ খাৰে খাই পেলোৱা তাইৰ দহো আঙুলিত
সস্তীয়া নেইল পলিচকণ লগাই
তাই দেখিছিল বিয়াৰ আঙুঠি পিন্ধাৰ সপোন
বসন্তৰ দাগে ফুলবছ মুখখনিত
স্ন' পাউদাৰ ঘঁহি
পাঁচ টকীয়া আইনাত দেখিছিল
মুৰত ৰাঙলী সুৰুজ উদয় হোৱাৰ সপোন
অমিতাৰ চাকিত মনোৱা কাজল
দুই নয়নত সানি
তাই ৰচিছিল বিয়াৰ প্ৰথম দিনাৰ সপোন
আৰু ...
আৰু সপোন দেখিছিল
মিঠাতেলেৰে আলপৈচান ধৰা
নেজীয়া চুলিকোচাত
প্ৰিয়জনে কপৌফুল গুজি দিয়াৰ।
মাহৰ পিছত মাহ
বছৰৰ পিছত বছৰ
আৰু যুগৰ পিছত ...
আজিও তাই সপোন দেখে
বিয়াৰ আঙুঠি পিন্ধাৰ
মূৰত ৰাঙলী সূৰুজ উদয় হোৱাৰ
চুলিত প্ৰিয়জনে কপৌফুল গুজি দিয়াৰ
কাৰণ তাইৰ যে মন যায়
ধুনীয়া হ'বলৈ
বহুজনৰ হৃদয়ত জোঁৱাৰ তুলিবলৈ ❁



## পৰিচয়

মানস প্ৰতীম চেতিয়া
পঞ্চম ষাণ্মাসিক
শিক্ষা বিভাগ



বগা কাগজৰ অভাৱত মই নোৱাৰিলো
ৰাজত্ব কৰিব কিতাপৰ মজিয়াত,
য'ত মই লিখিলোহেঁতেন কিছু কাহিনী,
অন্ত নোহোৱা, বিশ্লেষণ কৰিব নোৱাৰা,
শৃংখলাবদ্ধতা নোহোৱা।

অবিশ্বাসী— যি বিশ্বাসৰ যোগ্য নহয়
যদিহে পাৰিলোহেঁতেন পৃথিৱী সৃষ্টি কৰিবলৈ
জগত জিনিলোহেঁতেন,
কাষে কাষে সপোনত উৰা মৰা সপোনৰ সৈতে।
কিন্তু অভাৱ আছিল প্ৰচেষ্টাৰ ...

বিস্ময় নামৰ সমাধিত
নাজানো কিমান সত্য, বয় অশ্ৰুৰ ধাৰা,
নিৰৱে মাতি নিয়ে জোনৰ কাষলৈ
সৰু সৰু মনৰ পাক লগা গাঁঠিবোৰৰ
অৰ্থবোৰৰ সৈতে মন মেলিবলৈ।

নিদ্ৰাৰ পাছে পাছে লাগি ফুৰা
কাল্পনিক ছবিৰ সেই পৃষ্ঠাবোৰৰ ভাষাবোৰ
সদায়েই বিচাৰে বন্ধুত্ব গঢ়িবলৈ,
তথাপিও দি যায় দুৰ্লভ সমাধিৰ দৰে
বিয়পি পৰে অংশবোৰৰ কোণে কোণে সময়ৰ।
'ফুৰিবলৈ যাওঁতে সেই নিজান নিশাত
দুৱৰিৰ সৈতে জাগিল কবিতাৰ ভাগ
আৰু লিখি পেলালে এটি কবিতা'
আমুলীয়া কুঁহিপাতবোৰে যে বৰণ সলালে
বৰষুণৰ ভয়ত
প্ৰভাতৰ আত্মাই আমোলমোলাই
শান্ত কৰিছিল বৰষুণৰ মন যিদৰে
আকৌ ফুৰিবলৈ গ'ল বৰষুণজাক
নিৰৱ দেশলৈ।

বাট চাই চাই ভাল লগা হ'ল
নোপোৱা এটা বাস্তৱৰ আশালৈ
অপেক্ষাই জানো জীৱনৰ সফলতা হ'ব পাৰে
যদিহে অপেক্ষা পুতলাৰ সজীৱ চিত্ৰ
কিন্তু গুণ গাবলৈ ত্যাগ কৰা নাই এতিয়াও

ঘিন লগা মুখখনিলৈ এবাৰ চোৱাৰ সাহস
লগতে মিহলি কিছু মিঠা মিঠা ৰস,
কণ কণ হাঁহিৰ পৰিৱৰ্তে প্ৰাপ্ত হোৱা
ফুলাম ৰুমালৰ বিলনীত
ক'ত বিচাৰিম কাৰোবাৰ বিদেশী আচৰণবোৰ।

পৰিচয় আদান প্ৰদানেই পুনৰুদ্ধাৰ
জীৱনক যে কচুপাতৰ পানী বুলি কওঁ
তাতে থাকিব,
কণমানি চৰিত্ৰৰ অন্তৰালবোৰ,
নিজান নিৰাশাবোৰ।

একাণপতীয়া একোজন গৰাকী
কিন্তু কাপুৰুষ মুৰ্খামি,
দিন আহে ৰাতি আহে, দিন যায় ৰাতি যায়
কবিতাৰ দৰেই জীৱন
অবুজন, সহজ আৱেগিক, আনন্দ ইত্যাদি ইত্যাদি।





## আধুনিকতা

ভাস্কৰ বৰুৱা
পঞ্চম ষাণ্মাসিক



জানানে?
আধুনিকতাৰ প্ৰকোপ যি দৰে পছিে
সকলোবোৰ যেন সলনি হৈ পৰিছে।
এফালে যদি হাঁহি-উল্লাস
আনফালে আকৌ হিয়াভঙা কান্দোন।
এফালে যদি কোনোবাই অট্টালিকা সাজিছে
আনফালে কোনোবা বানপানীৰ তলত
ডুব যাব ধৰিছে।

গাড়ী-মটৰৰ সংখ্যা বাঢ়িছে
কিন্তু তাৰ অনুপাতে দুৰ্ঘটনা!
এক নিত্য-নৈমত্তিক ঘটনা হৈ পৰিছে।
আহ! কি বেদনাদায়ক! সন্মুখত ভয়লগা দৃশ্য।
শুনিলেই বুকু শিয়ৰি উঠে।
তেজ্যোদীপ্ত চেঙেলীয়াহঁতে
গাড়ীৰ পিছত ফুৰিছে।
আৰু ...
আৰু পথাচাৰীৰ বুকু কঁপি উঠিছে
উহ! এইটো ইমান বেগত গৈছে।
তদুপৰি মানুহ যিমান শিক্ষিত হৈছে
জ্ঞানৰ পৰিমাণ কমি গৈছে
অনুশাসন, নিয়মানুৱৰ্তিতা সকলো পাহৰি
আজি যান্ত্ৰিকতাৰ কৰাল গ্ৰাহত পৰিছে।
সোঁতত সোঁত মিলাবলৈ ভদ্ৰ সমাজে
মোখা পিন্ধিব ধৰিছে
আৰু সকলো নিৰৱে সহ্য কৰি
হৈ পৰিছে নিৰৱ দৰ্শক।
ক'ত গ'ল বাৰু সেই দিন
যেতিয়া মানুহৰ ভয় নাছিল বৰ্হিজগতৰ প্ৰতি
নাছিল পাহাৰ সদৃশ দুৰ্নীতি।
য'ত সপোন দেখিছিল হাতে হাত ধৰি
সুন্দৰ সমাজ গঢ়াৰ।
গঢ়িব খুজিছিল শান্তিৰ পৰিৱেশ।
কিন্তু, বৰ্তমানটো এয়া নহয়
তেন্তে এয়া কি?
প্ৰকৃতিৰ ওপৰত মানৱৰ তাণ্ডৱ
লগে লগে সৃষ্টিৰ সংসাৰী ৰূপ।

## অপেক্ষা

মনোমতী দাৰিগ্
তৃতীয় ষাণ্মাসিক

অপেক্ষা কৰি আছো তোমালৈ
আশাৰে বাট চাই ৰ'লো
তুমি আহিবা বুলি।
কিন্তু নাহিলা,
আকৌ এদিন অপেক্ষা কৰিছো পদুলি মুখত
নাৰ্জি, তগৰ, গোলাপৰ লগত কথা পাতি।
গোলাপৰ কলিয়ে মিঠা সপোন জগাই তুলিছে।
তুমি অহা পদুলিত সদায় থাকিব
সুগন্ধ ফুলনি।

## ফাগুন আৰু তুমি

সীমান্ত হাজৰিকা
তৃতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ



ফাগুনৰ পৰশত ...
উদং পথাৰত নৰাবোৰ ফুটিছে,
দূৰৈত পলাশ, শিমলু ফুলিছে,
উন্মনা মন মোৰ দূৰলৈ উৰা মাৰিছে ...।

যেতিয়া মই ফাগুনৰ বৰ্ণনা দিওঁ ...
তুমি অভিমানি হৈ উঠা,
অভিযান ভৰা দুচকুৰে তুমি,
মোলৈ ৰ লাগি চোৱা ...।

সেইদিনা যে তুমি সুধিছিলা,
মই তোমাক কিমান ভাল পাওঁ ...?
উত্তৰ হ'লে দিব পৰা নাছিলো মই,
কেৱল নিমাত হৈ ৰৈছিলো ...।

তুমিয়ে কোৱাচোন বাৰু ...
কেনেকৈনো মই তোমাক,
আকাশৰ বিশালতা আৰু
সাগৰৰ গভীৰতাৰ জোখ দিম।

ফাগুনক ভাল পাওঁ যদিও ...
যেতিয়া ফাগুনে তোমাৰ মৌন ওঁঠত,
যৌৱনৰ ৰঙ সানি দিয়ে ...
মই ফাগুনক ঈৰ্ষা কৰো।

## শিক্ষাগুৰু

শ্বৰীফ কামাল
ষষ্ঠ ষাণ্মাসিক
কলা শাখা

শ্ৰদ্ধাৰ আমাৰ শিক্ষাগুৰু
আমাৰ জীৱনৰ প্ৰাণ
সু-নাগৰিক বনাই আমাক
ৰাখিব দেশৰ মান।
গুৰু আদৰ্শ শিৰত লৈ
আমি আগুৱাই যাম
ভাল কাম, ভাল চিন্তাই
কৰিম সমাজৰ কাম।
সমাজৰ কাম কৰি
ৰাখিম দেশৰ মান।
শিক্ষা গুৰু, পিতৃ-মাতৃক
সদায় সেৱা জনাম
কেতিয়াবা কিবা ভুল
কৰিছিলো যদি।
ক্ষমা কৰিব ছাৰ-বাইদেউ
নিজৰ সন্তান বুলি।





## শৈশৱৰ সোণালী সময়

মিনাক্ষী সৎনামী
ষষ্ঠ ষাণ্মাসিক
শিক্ষা বিভাগ



এদিন
জোনাকৰ জোনাকী সন্ধিয়াত,
শৈশৱৰ গুৱলা মাত।
অন্তৰৰ দুখৰ সাগৰখনত
যেন সুখৰ হাঁহি আহি পৰিল।
মোৰ মন বোলা পখিটিও
সৌ মাতৰ দিশেই আগবাঢ়ি গ'ল।
সেই সেমেকা বাটত
মনৰ পখিটিৰ সতে
জোন, তৰা আৰু মাতৃ স্নেহে
সখী ৰূপে থিয় দিলে।
সিহঁতৰ সোণালী হাঁহিয়ে
মোৰ কৰ্ণ ভেদি
নাই কোনো আবেগ ভৰা কথা
নাই কোনো দুখ সনা বেথা
আজিও শৈশৱৰ চিন্তাহীন মন।
মইয়ো মনৰ পখীৰ দৰে
ডেও মাৰি উৰা দি
পাৰিম নে যাবলৈ শৈশৱলৈ।
জীৱনৰ এই দুদিনীয়া সূচীত
আহিবনে আকৌ শৈশৱৰ সময়।
ইয়াৰেই প্ৰত্যুত্তৰত
উচুপি থকা অশ্ৰুভৰা নয়নে ক'লে
'আগবাঢ়ি গ'লে নোপোৱা
পাছফালে থকা
তোমাৰ শৈশৱৰ সোণালী সময়'।

## হেৰুৱা কবিতা

প্লাৱিতা বুঢ়াগোহাঁই
তৃতীয় ষাণ্মাসিক
প্ৰাণী বিজ্ঞান বিভাগ

(১)

জন্মিলে স্বজিলে ৰচিলে ইতিহাসে
বিষাদৰ কবিতাটিনো ক'ত হেৰাল
থমকিছো বাৰে বাৰে তোমাৰ কবিতাৰ উমান ল'বলৈ
মই অপৰাধী
ক্ষমাৰ যোগ্যতাও হেৰাল।
মোৰ যে জীৱনৰ নতুন অধ্যায় ...

সেই সুৰ যে কিমান ছুটি আছিল
কবিতা যে আকৌ লিখিব ধৰিছো মই
তুমি যেন বাৰে বাৰে উভতি চাইছা
আৰু সেইয়া মোৰ উশাহ
কেতিয়াকৈনো ওলাব পূৰ্ণিমাৰ জোন।

(২)

হেৰুৱা কবিতাৰ সাহসতে একলম ধৰিছো
কোনেনো বিচাৰিছিল
সাঁচিপাতত লিখিবলৈ তোমাৰ কবিতা
নাই নো কোন ...
জোনবাইৰ সৈতে আন্ধাৰৰ মিতিৰালি কৰিবলৈ
কিন্তু
আজি হেৰুৱাই পেলাইছো মই নেদেখা সপোনৰ
কাহিনীভাগ।

ধেৎ! কিদৰে পূৰ হৈছে মোৰ
ডায়েৰীৰ পৃষ্ঠাবোৰ

কবিতাৰ সাহসত তোমালৈ সাজিছিলো এমুঠি
একমাত্ৰ কবিতাৰ মাজতে লুকুৱাই ৰাখিছিলো
মোৰ অধ্যয়নৰ পাতনি
ক'ত যে পেলাইছিলো দুমুঠি বান্ধোনৰ ৰসাল
সন্ধিয়াবোৰ ...।
বিচাৰিছো ধূলিৰ সৈতে বন্ধুত্ব গঢ়া
সাধু সাধু লগা কথাবোৰ
এতিয়া, মই নো কোন ...।

বছৰৰ লগতে শুকাই যোৱা কুঁহিপাত
কিমাননো বাৰু কবিতাক শাস্তি দিম বাৰে বাৰে
কলমটিৰ সৈতে
মইয়ো দেখোন হেৰুৱাইছিলো কবিতা ইত্যাদি ইত্যাদি
কাৰোবাৰ লাজতে দেখোন শিকিছিলো কবিতা লিখিবলৈ
মাজনিশা
আৰু মেলি দিছিলো নিৰাশাৰ ৰামধেনুখনত।

(৩)

নিলাজ মনটোৱে বিচাৰিছিল
হেঁপাহবোৰৰ মালা গাঁথিবলৈ
বিচাৰিছিল সেই চাৰনিবোৰৰ তৰা সাজিবলৈ
য'ত কন কন পখিলাবোৰে কাষে কাষে
খেলিবলৈ বিচাৰিলেহেঁতেন।
মোৰ যে শেষ নহ'ব জোন তৰাৰ ধেমালিবোৰ কেতিয়াও
কিন্তু মই নো সঁচাকৈয়ে কোন ...।

কবিতাত মই প্ৰায়চিত্ত কৰিছো হেৰুৱাৰ
অভিমানৰ কথাবোৰ
সোণোৱালী চিঠিখনৰ নীলা খামৰ গৰাকী দেখোন মই
প্লাৱন প্লাৱিতাৰ চেচাঁ প্ৰহৰত ৰাত্ৰি ফুলি উঠা
অকণি হাঁহিবোৰ
কবিতাৰ মাজত লুকাই ফুৰা সুৰৰ কলিবোৰ।
মই নো কোন ...।।❁





## হৃদয়ত সাঁচি ৰখা সপোন

প্ৰিয়া দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

জানা
আজি বহু দিনৰ মূৰত
তোমালৈ বুলি এখন চিঠি লিখিছো
হৃদয়ত সাঁচি ৰখা কিছুমান শব্দ জনাম বুলি
কিন্তু ... মই যে কবি সাহিত্যিক একোৱেই নহওঁ
তুমি জানো বুজি পাবা
মোৰ হৃদয়ৰ শব্দবিলাক।
জানা
তোমাকলৈ বহুত সপোন দেখিছো
কিন্তু ... ভয় লাগে কিজানি বাস্তৱ নহয়
হৃদয়খন বৰ থুনুকা
কিজানি বা কাঁচৰ দৰে ভাগি যায়
তথাপিও হৃদয়ত বহু আশা ৰাখিছো
তোমালৈ বুলি এখন চিঠি লিখিছো।❁



## নাৰী

সুজাতা সেন
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
কলা শাখা

নাৰী মই সন্তান সম্ভৱা
পাইছো আমি নতুন জীৱন
জন্ম দিয়াৰ আশীৰ্বাদ
কিয়নো মই যে নাৰী
ৰূপহী অপৰূপা।
লাঞ্চিত হৈছো বাৰম্বাৰ
বঞ্চিতাত পৰিছো হাজাৰবাৰ
যদিও ধৈৰ্য্যৰ বান ছিঙা নাই
কিয়নো মই যে নাৰী
সহিষ্ণুতাপূৰ্ণ।
ধৰ্য্যৰ বান ছিঙিব সিদিনা
কালৰ পৰ্বত নিবিচাৰা ধ্বংস
সকলো মাৰ যাব সিদিনা
নিবিচাৰো প্ৰলয়, মই যে সৃষ্টিৰ প্ৰতীক
মই যে নাৰী
সৃষ্টিৰ মূল।
মই অনন্যা, মই কন্যা
মোৰ গৰ্ভত জন্ম
পাৰ্বতী প্ৰসাদ, শংকৰদেৱ, ৰবীন্দ্ৰনাথ
কিয়নো মই যে নাৰী
জন্ম দায়নী আই মাতৃ
মোৰ হাঁহিৰ ঝংকাৰত গুঞ্জিত মই পৃথিৱী
মোৰ পৰশত সেউজীয়া সংহাৰ
সিদিনা মই ধৰ্ষিতা
হৈ পৰো নিস্তব্ধ
নীৰৱ মাথো নীৰৱ❁

## চৰাই

পূৰ্ণকান্ত সিং ৰাজপুত
দ্বিতীয় যাণ্মাসিক
বুৰঞ্জী বিভাগ



অতীতৰ পৰা ৰৈ আছা
আমাৰ ধৰণী কোলাত
অ' চৰাই মোৰ মৰমৰ
তুমি ক'তনো আছা
তোমাক দিনে দিনে
নাই যে দেখা
তোমাৰ কথাই মনতে
প্ৰতিচ্ছবি জগাই তুলে
ৰামায়ণত জটাই পক্ষীয়ে
প্ৰাণ দিছিলে
চৰাই তোমাৰ অংশই
আছিল জটাই
কৰিছিল ৰামক সহায়
তুমি সিচৰিত বিশ্বব্ৰহ্মাণ্ডত
শুৱলা, শুফলা বিভিন্ন গীতৰ আধাৰত
আই ধৰণীক জগতৰ সুধ্বনি
তথা সুন্দৰ গায়িকা
সুন্দৰ জীৱ তথা নায়িকা
শীতৰ পুৱাত কুঁৱলী ধোৱাত
মইনা তোমাৰ মাতে
মন মুগ্ধ কৰে
তোমাৰ মাত শুৱলা, তোমাৰ মাত শুযালা
তোমাৰ মাত ভয়লগা
অতীতৰ পা'ৰ চৰাইৰ ৰূপে
তুমিয়েই ডাকঅলা
অ' মোৰ প্ৰিয় প্ৰকৃতিৰ সন্তান
তুমিয়েই ৰাখিছা বৃক্ষত
গৃহৰ স্থান
তুমিয়েই ৰাখিছা বহাগী আইৰ স্থান
পৱিত্ৰময় গীতেৰে আইক কৰা সন্মান
তোমালৈ নাজানে জনতা আৱাহন
কৰিছে ধ্বংস প্ৰকৃতি জগতখন
নিজ স্বাৰ্থত জনতাই
তৰু তৃণক আতৰাই
গঢ়িছে নিৰ্বাসিৰ ঠাই
গঢ়িছে উদ্যোগ, কাৰখানা, বৃহৎ অট্টালিকা
তোমাক কৰিছে গৃহহাৰা
এয়েতু তোমাৰ বিলুপ্তিৰ ধাৰা
এয়েতু তোমাৰ দুখৰ নিজৰা ❁





## ধ্বংসৰ বিভীষিকা

ৰুণালী গগৈ
পঞ্চম যাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

একবিংশ শতিকাৰ
এই ৰক্তাক্ত পৃথিবী
ঠায়ে ঠায়ে নৰৰক্তৰ যজ্ঞ
বাতৰিৰ শিৰোনাম দখল কৰা
তেজেৰে ৰাঙলী হোৱা নশ্বৰ দেহ
আজিৰ জীৱন এখনি ভগ্ন দাপোন
প্ৰস্ফুটিত হৈ পৰিছে
ক্লেদাক্ত সভ্যতাৰ
হৃদয়হীন মানৱৰ প্ৰলাপ
কাৰ্বি আংলঙৰ তেজেৰে ৰাঙলী হৈৰৈ
দুটি নৰতনু
ৰঘুমলাৰ দৰে ক্ৰমশঃ বিয়পি পৰিছে
একবিংশ শতিকাৰ
সমগ্ৰ পৃথিৱীত
হৃদয়ৰ পৰা ক্ৰমশঃ নিঃশেষ হৈ গৈছে
হৃদয়তা মানৱতা
বিচাৰ্যৰ বিষয় হৈ পৰিছে
ইয়াৰ উদ্দেশ্য
ফলাফল পৰিণতি
মাথো ধ্বংসৰ বিভীষিকা। ❁



## প্ৰতিশ্ৰুতি

জাহ্নৱী শ্যাম
পঞ্চম যাণ্মাসিক
বুৰঞ্জী বিভাগ

মোৰ দুচকুৰ পৰা নিগৰা
এটুপি চকুলোৱেও
এটোপাল সুখৰ সন্ধান দিছে
বুজা নুবুজা এই ক্ষণতও
মোৰ ওঁঠত হাঁহি বিৰিঙিছে
ভাল লগা এটি মিঠা অনুভৱে
মোক বাৰুকৈয়ে আমনি কৰিছে
আহ!
কিযে মধুৰ আছিল সেই
অনাগত দিনবোৰ।
আজি বহুদিনৰ মূৰত
মোৰ মনত পৰিছে
বাৰিষা সেই দিনবোৰলে
তুমি আৰু মই
আবেলিৰ বৰষুণত তিতি
কত যে ধেমালি কৰিছিলো
তোমাক লৈ কত যে কবিতা লিখিছিলো
কিয় যে অভিমান কৰি
আঁতৰি গৈছিলো তোমাৰ পৰা দূৰ দিগন্তলৈ
এইয়া চোৱা
মই পুনৰ উভতি আহিছো
তোমাৰ সেই মেঘালি জনী হৈ
আমাৰ সপোনবোৰ পুনৰ জীপাল কৰিব খোজিছো
আৰু
এতিয়া মই আকৌ অভিমান কৰিম
কিন্তু তোমাৰ পৰা কেতিয়াও
আঁতৰি নাযাওঁ
দূৰ দিগন্তলৈ
এইয়া মোৰ তোমাৰ ওচৰত
লিখিত প্ৰতিশ্ৰুতি। ❁

## হে মোৰ অচিনাকী কোঁৱৰ

ৰাণু কুৰ্মি
তৃতীয় ষাণ্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

হে মোৰ অচিনাকী কোঁৱৰ
তোমাৰ প্ৰতিটো শব্দই মোৰ চিনাকি
চিনাকি তোমাৰ দুচকুৰ চাৱনি
ওঁঠৰ খিলখিল হাঁহি
হে মোৰ অচিনাকী কোঁৱৰ
ভাল লাগে তোমাৰ
আচাৰ-ব্যৱহাৰ শিষ্টাচাৰ
গহীন গম্ভীৰ সেই মুখখন।
হে মোৰ অচিনাকী কোঁৱৰ
তোমাৰ দুচকুত সপোন
বুকুত এখন নদী ...
য'ত বিশ্বাসৰ জাহাজেৰে
উটি ভাঁহি থাকিব পৰা যায়।
হে মোৰ অচিনাকী কোঁৱৰ
তোমাৰ প্ৰতিটো কথাই
মোৰ হৃদয়ত খুন্দা মাৰে।
হে মোৰ অচিনাকী কোঁৱৰ
তোমাৰ দুচকুত এবুকু আশা
তোমাৰ ওঁঠত ভালপোৱা গান।



## আঘোন

প্ৰভাত তাঁতী
দ্বিতীয় ষাণ্মাসিক
ইংৰাজী বিভাগ

হেমন্তৰ হিমৰ পৰশ পাই তাই
আৰু স্নিগ্ধ জোনৰ এচেৰেঙা পোহৰ
তাই পৃথিৱীত চতিয়াই সোণগুটি
আশা আৰু প্ৰেমৰ ফল্গুধাৰা বোৱাই,
তাই দেখি পকা ধানে তলমূৰ কৰে
তাই পৃথিৱীলৈ অহাৰ বাবে
শেহনিশা কুঁৱলীয়ে জোনৰ পোহৰৰ পৰা
এধানিমান মৰম বিচাৰে।
তাই লৈ আনে হেজাৰ আশা আৰু স্বপ্ন
খেতিয়কৰ দুচকুলৈ,
ছন্দ আনে কবিলৈ, কবিতা সৃষ্টিৰ বাবে
প্ৰেমিক কবিৰ বুকু দুৰু দুৰু কৰে
কবিতা সৃষ্টিৰ বিপুল আশাত।
শস্য সম্ভৰা বসুন্ধৰাৰ বুকু কঁপি উঠে
শস্য বহনৰ বিপুল সম্ভাৱনাত
আকাশত বগা বগলী উৰে....
তাই আশা দিয়ে সকলোকে
কেচাঁ হালধিৰ বোল লাগি
দুটি অচিন হিয়া এটি হোৱাৰ
ৰ'দৰ পৰশত ৰঙিলীহঁতে ধান দাই
'তোলৈ চাই ৰাঙলী, বান্ধি যাওঁ ডাঙৰী'
বুলি ডেকাহঁতে ৰিঙিয়াই
সোণগুটি আৰু সৰিয়হ ফুলেৰে
তাই সাজি-পাৰি উঠে
লখিমিক আদৰিবলৈ।







## তেজাল মমতা

ৰবীন গগৈ
পঞ্চম ষাণ্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

শেষটি ক্ষণত আছো
জালি কটা তাঁৰৰ সীমনাত।
জুৰিটি বোঁৱাই দিছো
ক্ষাৰে কুটা গুলিৰ আঘাত।
জুকিয়াই যাওঁ এইয়ে শেষটি ক্ষণ
জ্বলি জ্বলি গলা মমতাৰ সোৱাদ।
বতাহী মনে গৈ আইৰ কোলা পালোগৈ
আঁচলৰ আঁৰৰ মিচিকণি মাত।
আছে যদি অলপ সোৱাদকে লৈ যাওঁ,
সান্দহ সনা পিঠা মমতা সোৱাদ।
এটোপা খুৱাই চোতাল নচোৱাম
নাভাগৰি খুৱাবিহি মুখত।
ছায়াটি হৈ তাৰে কাষত
দুগালত হাতে থৈ চাওঁ
তথাপিও
মমতাৰ অৰ্থ বুজি নাপাওঁ
বুকুৰ গুঞ্জননিত।
হেপিয়াই চাও
শেষটি ক্ষণৰ প্ৰথমটি সময়।
কি ৰূপে পঠাইছিল? কি ৰূপে ভটিয়াম মই?
এটি সৈনিকৰ
নশ্বৰ দেহেৰে
তথাপিও তোৰ চকুলো মিচিকনি হৈ ওলাব
গৰ্বিত মিচিকনি।
আকৌ ওভটিম তোৰে কোলা লৈ
মিচিকনিটি আকৌ জগাবলৈ।
জাগ্ৰত উৰণিৰে
সজাগতা বোলনি লৈ।

## স্বাধীনতা

ৰিণা চাংমাই
ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ

জীৱনৰ পথবোৰত
আগুৱাই আছো
লাহে লাহে ধীৰে ধীৰে ...

ধূসৰৰ পৰা যেন ধূসৰ হৈ গৈ আছে
জীৱনৰ পথবোৰ, সময়বোৰ।
সন্ত্ৰাসবাদৰ বাৰুদৰ গুলীৰ শব্দৰ লগতে
নিজৰ ঘৰতে জীৱন্মৃত হৈ থকা সময়বোৰ
এতিয়া বাৰু কেনেকৈ পাৰ কৰো?
ওলাই যাব নোৱাৰো আজি বন্ধ কোঠালিৰ পৰা
আমি বিচাৰো এনে সময়
এনে এটা সুন্দৰ জীৱন।
য'ত থাকে জীৱনৰ সুন্দৰতা জীয়াই থকাৰ
এক স্বাধীনতা।

# শাওনৰ শৈশৱৰ গাঁওখন

(কথা কবিতা)

**প্ৰতীক্ষা বকল**
পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ

বৰ্ণিলময় ৰামধেনুৰ অতীত পাঠৰ সৈতে ধৰালৈ
বৰষিলে শাওনৰ পথাৰৰ সুন্দৰতাৰ বৃষ্টি ...
দৌৰি গৈছিলো দুহাত মেলি
কণ কণ হাতেৰে খামোচিলো হেঁপাহৰ টোপালক।
দেউতাৰ মুখত বিৰিঙিল এমোকোৰা সেউজীয়া হাঁহি ...
কান্ধত পানী গামোচাখন, হাতত নাঙল লৈ ওলাইছিলি তই।
বোকা-পানীৰে জলংজপংকৈ গৈছিলি
পাছে পাছে দৌৰিছিলো মই ... খেদিছিলি মোক তই
হাতত লৈ থকা ডাঙৰ গাঁঠি লগা এচাৰি ডালেৰে।
কেতিয়াবা গাত নালাগিছিল কিন্তু কেতিয়াব ঘপকৈ
পৰিছিলহি তই নজনাকৈয়ে ...
খঙতে ভাঙিছিলো তেৰতেৰীয়া ৰ'দত কপালৰ
ঘাম পথাৰৰ বুকুত চটিয়াই গঢ়া তোৰ একা-বেকা
কেঁচা আলিবোৰ, তোৰ কেতেৰা মাতত বুজিছিলো।
তোৰ অফুট ভাষাৰ কৰুণ কাহিনীবোৰ ...
পুৱাৰ হেঙুলী আঁচল মেলাৰ আগতেই
তোৰ স্বপ্নৰ বাটত দিছিলো গৈ এখামোচ চেনেহৰ
কোমল মাটি, সুবাস পাইছিলো কেঁচা মাটিৰ লগত
মিহলি হৈ থকা তোৰ কষ্টৰ টোপালবোৰ ...
মোৰ আইজনীয়ে ফেঁকুৰিছিল প্ৰকৃতিৰ ৰূপত লিখা
তোৰ কাহিনী কৰুণ গাঁথা দেখি ..., অন্তৰৰ এটি কোণত।
আঠিয়া কলেৰে পিটিকি দিয়া ভাত মুঠি আধা খোৱাকৈ
দৌৰ মাৰিছিলো, বাৰিষাৰ বানৰ ৰূপালী মাছৰ কল-কলনি শুনি।
মহঙাৰ মাছ গাঁঠি লৈ চালনিত শুকুৱা
গাঁওখনৰ এক প্ৰাচীন প্ৰবৃত্তি।
বলদৰ খোজ ৰোৱণী আই হাতৰ পৰশ
দেউতাৰ কপালৰ ঘামে জীপাল কৰিল আশাৰ পাপৰিবোৰ
ধৰাই সিঁচি দিলে প্ৰাণৰ সেউজী ৰং
শৈশৱৰ গাঁওখনৰ শাওনৰ ৰামধেনুত।







## অনুভৱৰ স্বৰ







# আহ! বাৰিষা উন্মাদ নকৰিবা

সজল দাস
পঞ্চম ষাণ্মাসিক
ইংৰাজী বিভাগ

প্ৰকৃতি স্থবিৰ নহয়। একেটা বছৰত পলে পলে নিজৰ ৰূপ সলনি কৰি কেতিয়াবা আমাৰ মনত আনন্দ দিয়ে, কেতিয়াবা দি থৈ যায় এবোজা এঙেৰুবা বিষাদ। প্ৰতিটো ঋতুৱে নিজৰ স্বকীয়তা বৈশিষ্ট্যতাৰ মাদকতাৰে আমাৰ বাস্তৱ সময়বোৰ সপোনৰ দৰে ৰঙীণ কৰি তুলিছে। প্ৰাণৱন্ত ঋতুবোৰেই আজিৰ যান্ত্ৰিকতাৰ পৰা অলপ সময়ৰ বাবে বাহিৰলৈ উলিয়াই আমি যন্ত্ৰৱত মানুহবোৰক ক্ষন্তেক সময়ৰ বাবে আমোদ-প্ৰমোদ কৰিবলৈ, জিৰণি ল'বলৈ সুবিধা কৰি দিয়ে।

প্ৰত্যেকটো দিনতেই উঠে প্ৰকৃতিৰ লহৰ
প্ৰতিটো সময় আমাৰ কল্পিত সপোনৰ
প্ৰতিটো নতুন ৰং বাস্তৱৰ কেনভাছত বোলোৱাৰ
অপ্ৰকাশিত অভিলাষ ঋতুৰ

সেয়ে ঋতুৰ পৰিৱৰ্তনৰ লগত পৰিৱৰ্তন হয় আমাৰ মনবোৰ, সলনি হয় ভাল লগা, বেয়া লগাবোৰো কেতিয়াবা হয়তো বেয়া লগাবোৰ তৰ্জমা হয় ভাল লগাকৈ। সেই ঋতুবোৰেই এটা হ'ল বৰ্ষা অৰ্থাৎ বাৰিষা। আহ! এই নামটো শুনিলেই আকাশৰ মাজকোলাত সাৰি থোৱা শুকুলা আঁচলৰ পৰা নীলাভ মণি হ'বলৈ উচপিচাই থকা বৰষুণৰ সালসুলা টোপালবোৰৰ কথা মনলৈ আহে। বৰ্ষাই বৰ্ষাই গ্ৰীষ্মৰ তৃষ্ণাৰ্ত ওঁঠত জীপাল মৌৰস ঢালি দিয়ে।

বৰষা তুমি প্ৰণাময়ী
তোমাৰ সুগন্ধি স্পৰ্শই
ফুলনিক হহুৱাই নচুৱাই
বতাহৰ লাচে নাচে।

এই বাৰিষাৰ বৰষুণে ধূলিৰ নিহালীখন আঁতৰাই পৃথিৱীখন চফা আৰু প্ৰকৃত ৰঙলৈ পৰিৱৰ্তন কৰোৱাই। সেউজীয়া ডাল পাতবোৰ সেউজীয়া হৈ পৰে। লগতে মনৰ পৰা পাহৰণিবোৰ মচি স্মৃতিবোৰ সজীৱ কৰি তোলে।

## অনুভৱৰ একলম

**পাপৰি গগৈ**
শিক্ষতত্ব বিভাগ

একোগৰাকী শিক্ষাৰ্থী তথা ছাত্ৰ-ছাত্ৰী জীৱনত শাৰীৰিক, মানসিক বৌদ্ধিক, নান্দনিক দিশৰ বিকাশ ঘটাই একোগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে নিজকে সুস্থ ভাৱে সমাজখনত প্ৰতিষ্ঠা হ'বলৈ হ'লে বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ আনুষ্ঠানিক শিক্ষাৰ ওপৰিও খেলা-ধূলা, শাৰীৰিক কাম, কবিতা আবৃত্তি, নাচ-গান, বক্তৃতা, অভিনয় আদি কলাসমূহৰ প্ৰয়োজন অধিক। এই কলাসমূহে আমাৰ জীৱনৰ উপৰোক্ত আটাইকেইটা দিশৰে বিকাশ ঘটাই আৰু নিজকে নিজৰ মনপুট এটা সু-নিৰ্দিষ্ট পথেৰে আগুৱাই যোৱাত সহায় কৰে। শিক্ষাৰ্থীসকলৰ শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু নান্দনিক আদি দিশসমূহৰ বিকাশৰ বাবে এই কলাসমূহ বিশেষভাৱে প্ৰযোজ্য। কিয়নো এই সমূহে আমাৰ মাজত ভাতৃত্ব, একাগ্ৰতা, নতুনত্ব ভাৱেৰে একতা স্থাপন কৰে। এই কলাসমূহৰ ভিতৰত নাট্যকলাক মইয়ো আগস্থান দিওঁ। এখন সমাজৰ এটা জাতিৰ পৰিচয় দাঙি ধৰাৰ উপৰিও কোনো এখন অঞ্চলৰ এখন সমাজত দৈনন্দিন চলি থকা ঘটনাৰাজীৰ ছবি একোখন কেইজনমান শিল্পীৰ নিযুত অভিনয়ৰে মানুহৰ আগত দাঙি ধৰি তেওঁলোকৰ মন সেই ঘটনা প্ৰকৃত কাৰণ তাৰ সমাজত থকা মৰ্যদা, ভাল বা বেয়া দিশবোৰ দেখুৱাবলৈ প্ৰয়াস কৰা হয়। সেই বাবে নাট্যকলা মাধ্যমটো এই কলা মাধ্যমসমূহৰ ভিতৰত মই আটাইতকৈ উপযোগী বুলি ভাবো।

মই অতি কম বয়সৰ পৰাই এই অভিনয়, নৃত্য, নাচ-গানৰ লগত জড়িত হৈ পৰিলো। আমাৰ গাঁৱৰ ওচৰৰ তথা স্থানীয় মইনা পাৰিজাত। 'কিশলয় মইনা পাৰিজাত', এই অনুষ্ঠানৰ পৰাই আৰম্ভ হৈছিল মোৰ অভিনয়ৰ আৰু নৃত্যৰ প্ৰতি থকা হাবিয়াসবোৰৰ খোজ। সৰুৰেই পৰা এইসমূহ প্ৰতি মোৰ মনৰ ইমানেই আসক্তি আছিল যে মই আইনাৰ সন্মুখত মিল হ'লেই যি তি ভংগীমাৰে কথা কওঁ মনৰ হেঁপাহ পলোৱাই। এখন নাটক কৰিছিলো একাংকিকা নাট নাম আছিল 'আন্ধাৰৰ অৱসান'। ৰচনা আৰু পৰিচালনা কৰিছিল আমাৰ মইনা পাৰিজাতৰ দায়িত্বত থকা শ্ৰীযুত অনিল শৰ্মা ছাৰে। নাটখনত মোৰ চৰিত্ৰ আছিল এজনী ঘাট মাউৰা কণমানি অনাথ ভিক্ষাৰী ছোৱালী, নাম সৰলা। এই খিনিতেই কওঁ যে অভিনয়ৰ ক্ষেত্ৰত মোৰ প্ৰথম আদৰ্শ আছিল শ্ৰদ্ধাৰ শৰ্মাচাৰ আৰু মোৰ ককাইদেউ শ্ৰীযুত জ্যোতি প্ৰসাদ গগৈ।

এতিয়া কওঁ মোৰ প্ৰথম অভিনয়ৰ নাটকখনৰ অভিজ্ঞতাৰ কিছু কথা। আমি শিৱসাগৰ জিলা সদৌ অসম মইনা পাৰিজাতৰ একাংকিকা নাট প্ৰতিযোগিতাৰ বাবে সাজু হৈছিলো। নাটখনৰ আখৰা কৰি আহি ৰাতি ভাত-পানী খায়ে বিচনাত পৰিছিলো। সেই দিনা আনদিনাতকৈ অলপ আগতীয়াকৈয়ে বিচনাত মই কাৰণ ৰাতিপুৱা সোনকালে উঠিব লাগিব আৰু প্ৰয়োজনীয় বস্তুবোৰ লগত নিবলৈ সাজু কৰিব লাগিব। মন উগুল-থুগুল। সেই কেইদিনত আৰু পঢ়া-শুনা কৰবাতে এৰো। খাওঁতে, শুওতে কেৱল নাটকৰ চৰিত্ৰবোৰৰ সংলাপহে মুখত। ৰাতি সপোনতে বোলে কৈছিলো— অই সৰুকন, মোৰ হ'লে ভয়হে লাগিছে, তই যি কৰ কৰ, ইফালে আন্ধাৰো নামি আহিছে।

মায়ে মোক জগাইছিলে কিবা বেয়া সপোন দেখিছিলো বুলি। মই সাৰ পাই এখন্তেক মৌন হৈ ৰ'লো। মাক সুধিলো— মই কিবা কৈছিলো নি মা বুলি। মায়ে ক'লে— তুমি বেয়া সপোন দেখিছা ... কিবা আন্ধাৰ হোৱা আৰু ভয় লগাৰ কথা কৈছা। হাঁহি উঠিল সেই ৰাতিখনত মাক ক'লো— মই কোনো বেয়া সপোন দেখা নাই, সেইয়া মোৰ নাটকখনৰ চৰিত্ৰৰ সংলাপহে আছিল। হাঁহিলে মায়েয়ো আৰু ৰাতিপুৱা মোক জোকাইছিল তোৰ নাটক মূৰত উঠিল বুলি মোৰ দাদাহঁতে কথাটো মাৰ পৰা জানি।





নাটখন মঞ্চস্থ হ'ল। ফলাফল ঘোষণাও হ'ল— আমাৰ নাটখনে শ্ৰেষ্ঠ নাট, শ্ৰেষ্ঠ নাট্যকাৰ, শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠ অভিনেত্ৰীৰ পুৰস্কাৰ। সকলোৰে মাজত সীমাহীন আনন্দ-স্ফূৰ্তি। এনেদৰে কৰি গ'লো শৰ্মাচাৰৰ নেতৃত্বত মোৰ জীৱনৰ প্ৰথম অভিনয়, ছাৰো বহুত সুখী হৈছিল। তেওঁৰ কষ্ট সাৰ্থক হৈছিল প্ৰায় ২৪-২৫ খন নাটকৰ ভিতৰত আমি জয়ী হৈছিলো।

এনেদৰে কৰি গ'লো। 'প্ৰেতাত্মাৰ ক্ৰন্দন', 'এডাল চেইন', 'আন্ধাৰৰ পৰা পোহৰলৈ' আদি ভালে কেইখন একাংকিকা নাট আৰু সফলতাৰে। ইয়াৰোপৰি তিনি-চাৰিবাৰ 'জয়মতী নাটকত লাই-লেচাইৰ অভিনয়, ডাঙৰ হৈ ডালিমীৰ অভিনয় কৰি গ'লো লগতে নৃত্যকো আগুৱাই নিলো।

২০০৫ চনত মই সোণাৰি মহাবিদ্যালয়ত শিক্ষাতত্ব বিভাগত নামভৰ্তি কৰিলো প্ৰথম যান্মাযিকত আৰু মহাবিদ্যালয়ৰ 'সাতসৰী' ছাত্ৰী নিবাসৰ আৱাসী হৈ পৰিলো। সাতসৰীৰ প্ৰতিটো দিনেই মোৰ বাবে নতুন অভিজ্ঞতা আছিল। সাতসৰীৰ যোগেদিয়েই মোৰ আশাসুধীয়া প্ৰচেষ্টাবোৰে প্ৰাণ পাই উঠিছিল। মহাবিদ্যালয়ত মোৰ প্ৰথমটো ক্ৰীড় সপ্তাহত নাটক, নৃত্য, একক অভিনয়, মূক অভিনয়, কবিতা আবৃত্তিৰ বাবে সাজু হৈছিলো। শোভাযাত্ৰাৰ বাবেও সাজু হৈছিলো। আমাৰ সাতসৰীৰ আৱাসীসকলো সাজু হ'ল, সেই কেইটা দিনত আৰু আমাৰ কিতাপ-বহীবোৰেও আমাৰ স্পৰ্শ নাপায়। কেৱল কোনে কিহত অংশগ্ৰহণ কৰিব , কেনেকৈ কৰিব সেইবোৰৰহে আলোচনা। কোনোবা জনীয়ে গা ধুবলৈ যাওঁতে নাচি নাচি যায়, সংলাপ মাতি যায়, কোনোজনীয়ে পাকঘৰলৈ যাওতেও সংলাপ আওঁৰাই যায়। সকলো আবাসীৰ যে সেই কেইটা দিনত ব্যস্ততা অধিক। সেই কেইটা দিনত আমাৰ হোষ্টেলখন সাংস্কৃতিক চৰ্চাৰ কেন্দ্ৰ যেনহে লাগে। গোটেই হোষ্টেলখন আনন্দমুখৰ হৈ পৰে ৮০-৮৫ জনী জেষ্ঠ্যা-কণিষ্ঠা আবাসীৰ মাজত বাই-ভনীৰ দৰে এটা মধুৰ সম্পৰ্ক অধিক দৃঢ় হয়। সেই কেইটা দিনত আমাৰ বোৰৰ নিজৰ আচল নামবোৰ নাইকীয়া হৈ তাৰ ঠাইত নাটক কেইখনৰ চৰিত্ৰৰ নামবোৰহে স্থান পায়। কিমান যে ভাল লাগে সেই নিদিষ্ট দিনকেইটাত। ২০১৬ বৰ্ষৰ সেইটো ক্ৰীড়া সপ্তাহত অৰ্থাৎ ২০১৫-১৬ বৰ্ষৰ ৪৫ সংখ্যক মহাবিদ্যালয় ক্ৰীড়া সপ্তাহত আমাৰসাতসৰীৰ পৰা তিনিখন নাট মঞ্চস্থ বাবে সাজু হৈছিল। তাৰে ভিতৰত আমি (মই) অভিনয় কৰা নাটখনৰ নাম আছিল 'মুখ্য অতিথি'। পৰিচালনাৰ দায়িত্বত আছিল আমাৰ সাতসৰী ছাত্ৰী নিবাসৰ সেই বৰ্ষৰ মণিট্ৰেছ শ্ৰীমতী পূজা গগৈ। সেই বৰ্ষৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ নাট্যদলৰ সন্মান পাইছিল আমাৰ 'মকৰাজাল' নামৰ নাট্যদলটোৱে। প্ৰায় ৰষ্ঠ-ৰপ্ত খন নাট (একাংকিকা)ৰ ভিতৰত। নাট্যদলটোৱে শ্ৰেষ্ঠ পৰিচালিকা বঁটা লাভ কৰিছিল, শ্ৰীমতী প্লাৱিতা বুঢ়াগোহাঁয়ে, শ্ৰেষ্ঠ সহ-অভিনেত্ৰী আৰু শ্ৰীমতী পাপৰি গগৈয়ে (মই) দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা পাইছিল। আমাৰ নিবাসৰ পৰা অংশগ্ৰহণ কৰা 'এজাক ৰঙীন পখিলাৰ সপোন' নামৰ নাটখনে দ্বিতীয় শ্ৰেষ্ঠ নাট্য দলৰ সন্মান পাইছিল, প্ৰথম শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা পাইছিল আমাৰ সাতসৰীৰ আবাসী শ্ৰীমতী সুৰঞ্জনা চেতিয়াই। ইয়াৰোপৰি সেই ক্ৰীড়া সপ্তাহটোত মই কেইবাটাও পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছিলো। মাৰাথন দৌৰত প্ৰথম, একক অভিনয়ত দ্বিতীয়, একক নৃত্য, দলীয় নৃত্য, কবিতা আবৃত্তি, ঠাইতে লিখা কবিতা আদি ভালেকেইটা বিষয়ত। মাৰাথন দৌৰ থকা দিনা আমি দুই-এজনী আন্ধাৰ হৈ থাকোতেই উঠো আৰু বাকী ছোৱালীবোৰক জগাই দিওঁ, তেতিয়া কোনোজনীৰ পৰা ধমকো খাই যাওঁ, 'তঁহতৰ এই ৰাতিখন কিহে পাইছে বুলি কয় তেতিয়া চুপচাপ থাকো ফুচফুচকে কথা কওঁ। এতিয়া মনত পৰিলে হাঁহি উঠে, ভাল লাগে সেইবোৰ। আমি যে মাৰাথনদৌৰলৈ যাম এই কথাটো। আমাৰ তত্বাৱধায়ক জেপি ছাৰ (জ্যোতি প্ৰসাদ ফুকন) ছাৰক ক'বলৈ ইজনীয়ে সিজনীক ক'ব 'ক গৈ যা'। সিজনীয়ে ইজনীক ক'ব 'তই ক গৈ যা বুলি', তেতিয়া আমাৰ মাজত বেয়া পোৱা পৰ্যন্তও হৈ গৈছিল, কিন্তু সেইবোৰ ক্ষন্তেকীয়া।

মোৰ দৌৰ মৰাৰ অভ্যাস নাছিল, লগৰবোৰৰ লগতে স্ফুৰ্তিতেই ওলাই গৈছিলো। মাৰাথন দৌৰ দিবলৈ বুলি প্ৰায় ২০-২৫ জনী ছোৱালীৰ লগত হোষ্টেলৰ আমাৰ মহাবিদ্যালয়ৰ কেইবাজনীও ছাত্ৰী আছিল প্ৰায় ৪০ জনী মান আছিলো। মই কিন্তু ১৫-১৬ বৰ্ষৰ মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহৰ সেই মাৰাথন দৌৰৰ দিনটো কেতিয়াও পাহৰিব নোৱাৰো। ৪০ জনী

ছোৱালীৰ ভিতৰত মই প্ৰথম হৈছিলো। প্ৰায় ১০ কিলোমিটাৰ দৌৰ মাৰি আহি থাকোতে ৰাতিপুৱা উঠা বাটৰ মানুহক সুধি সুধি আহিছিলো মোৰ লগত অহা লগৰ জনী আৰু মই 'সোণাৰি কলেজ'লৈ আৰু কিমান দূৰ আছে বুলি! এই ডোখৰ ঠাইৰ নাম কি? ক'ৰ পাইছোহি? ইত্যাদিবোৰ। সঁচাকৈয়ে মোৰ নিজৰেই বিশ্বাস নহৈছিল মইযে ইমান দূৰ দৌৰ মাৰি আহিলো বুলি! তাৰ পিছ দিনাৰ পৰা উঠিব-বহিব নোৱাৰা হ'লে ভৰিৰ বিষত। হ'লেও কিন্তু মনটো আনন্দৰে ভৰি আছিল। বৰ মধুৰ সময় আছিল সেই ক্ৰীড়া সপ্তাহৰ দিনকেইটা। সেই কেইটা দিনত প্ৰাণ পাই উঠে শিক্ষাৰ্থীসকলৰ শিল্পীসুলভ মনবোৰ।

২০১৬-১৭ বৰ্ষৰ মহাবিদ্যালৰ ৪৬ সংখ্যক ক্ৰীড়া সপ্তাহত কোনো এটা কাৰ্যসূচীতেই মই অংশগ্ৰহণ কৰিব নোৱাৰিলো মোৰ শৰীৰৰ অসুস্থতাৰ বাবে। আৰু এক অভিজ্ঞতাৰ পৰা বঞ্চিত হৈছিলো। তথাপিও বঁটা বিতৰণী সভাৰ সেই নিদিষ্ট দিনটোত শাৰীৰিক অসুস্থতাৰ সত্বেও উপস্থিত হৈছিলোগৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত, ভাল লাগিছিল আমাৰ সাতসৰী নিবাসীসকলে মঞ্চত বঁটা লোৱাৰ সময়ত।

২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয়ৰ ৪৭ সংখ্যক ক্ৰীড়া সপ্তাহ। আগৰটো ক্ৰীড়া সপ্তাহত অংশ গ্ৰহণ কৰিব নোৱাৰাৰ অসন্তুষ্টিৰ ভাৱটো মনত আছিল। সেইবাবে ভাবিছিলো এই বাৰ মই সকলোতে অংশ গ্ৰহণ কৰিম বুলি। কাৰণ সেইটো আছিল আমাৰ (মোৰ) মহাবিদ্যালয়ৰ শেষৰটো ক্ৰীড়া সপ্তাহৰ সেই নিদিষ্ট দিন কেইটা।

আকৌ সাতসৰীত একতা বোধে নতুনকৈ শিথিল হ'ল। সকলো আবাসীৰেই ব্যস্ততা। আমাৰ ব্যস্ততা অলপ বেছি। কাৰণ আমিবোৰ তেতিয়া হোষ্টেলৰ জেষ্ঠা আবাসী, সকলোকে আমিয়েই নেতৃত্ব দিব লাগিব। হোষ্টেলৰ আবাসী আৰু মণিট্ৰেছৰ লগত আলোচনা কৰি ৩ খন একাংকিকা নাট প্ৰতিযোগীতাৰ বাবে অতি কম দিনৰ ভিতৰত (তিতনি দিনৰ) সাজু হৈছিলো। নাটককেইখনৰ আখৰা আৰম্ভ কৰিছিলো। তিনিখনকৈ নাটকৰ আখৰা কৰোতে আমাৰ প্ৰায় ৰাতি ১/২ বাজি গৈছিল। হ'লেও কেনেকৈ সময় পাৰ হৈছিল গমেই পোৱা নাছিলো। সকলো আবাসীয়েই নাটকৰ প্ৰয়োজনীয় সামগ্ৰী, শোভাযাত্ৰাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীবোৰ গাঁৱৰ ঘৰৰ পৰা যোগাৰ কৰিছিল। কিমান যে মধুৰ সময় আছিল সেই দিন কেইটা। গাঁৱৰ পৰা নিজেই নাঙল, যুৱলী, জাকৈ, খালৈ, কোৰ, জাল, জুলুকী, চেপা, ধান ইত্যাদি প্ৰয়োজনীয় বস্তু কেইপদ গাড়ীত তুলি আনোগৈ। কোনোজনীয়েই এই ক্ষেত্ৰত নাযাও-নথও কোৱা নাছিল অথচ দুগুণ উৎসাসেহে কাম কৰি গৈছিল।

ক্ৰীড়া সপ্তাহৰ সেই নিদিষ্ট দিন কেইটা আমাৰ নতুন-পুৰণি তথা জেষ্ঠা-কণিষ্ঠা আবাসীসকলৰ কলাসুলভ মনবোৰে প্ৰাণ পাই উঠিছিল। আৰু তেওঁলোক অক সুকীয়া মঞ্চ বিচাৰি পালে তেওঁলোকৰ (আমাৰ) সুপ্ত প্ৰতিভাৰ বিকাশৰ বাবে। সকলোৱে নিজ নিজ প্ৰতিভাৰ পাৰদৰ্শিতাৰে সফলতা লাভ কৰিলে। মইয়ো দুই-এটা পুৰস্কাৰ বুটলিবলৈ সক্ষম হ'লো। মাৰাথনত তৃতীয়, একক অভিনয়ত প্ৰথম, সাজ-পাৰ প্ৰতিযোগিতাত দ্বিতীয়, একক - দলীয় নৃত্যত প্ৰথম, দলীয় আধুনিক নৃত্যত প্ৰথম, কবিতা আবৃত্তি, ঠাইতে লিখা কবিতাৰ প্ৰতিযোগিতাত। সকলোৱে অপেক্ষা কৰা সেই নিদিষ্ট দিনটোত আমাৰ নাট কেইখন মঞ্চস্থ হ'ল। ফলাফল ঘোষণা হ'ল। প্ৰায় দহখন নাটকৰ ভিতৰত মই পৰিচালনা কৰা আৰু অভিনয় কৰা নাটখন শ্ৰেষ্ঠ হ'ল। ৮০-৮৫ জনীৰ হাত চাপৰিত মোৰ মন ভৰি পৰিল। মোৰ কিঞ্চিতমান হ'লেও কষ্ট সাৰ্থক হ'ল। আমাৰ সাতসৰী দুখন নাটকে প্ৰথম আৰু দ্বিতীয় শ্ৰেষ্ঠতাৰ পুৰস্কাৰ পালে। ২০১৭-১৮ বৰ্ষৰ মাহাবিদ্যালয় ক্ৰীড়া সপ্তাহ মোৰ বাবে এক নতুন অভিজ্ঞাতা আছিল কাৰণ মই সৰুৰে পৰা এনে এটা আশা বা সপোন মনত পুঁহি ৰাখিছিলো, এখন ডাঙৰ মঞ্চত নিজে সফলতাৰে আগুৱাই যোৱাৰ হেঁপাহ। কাৰণ এই মঞ্চবোৰেই হ'ল আমাৰ সাংস্কৃতিক এখন মঞ্চৰ সফলতাৰ প্ৰথম খোজ। বহুত সুখী আছিলো মই সেই দিনটোত, এখন মঞ্চ পাইছিলো মোৰ ক্ষুদ্ৰতম প্ৰতিভা বিকাশৰ বাবে। মই সেই ক্ৰীড়া সপ্তাহত একাংকিকা নাট প্ৰতিযোগিতাত পোৱা শ্ৰেষ্ঠ পৰিচালিকা





আৰু প্ৰথম শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মানে মোক ভৱিষ্যত দিনৰ এই ক্ষেত্ৰত জড়িত হোৱাত দুগুণ উৎসাহ প্ৰদান কৰিলে আৰু এখন সুকীয়া মঞ্চও দিলে সোণাৰিৰ সেই সাংস্কৃতিক মঞ্চখনে।

প্ৰত্যেক গৰাকীৰ শিক্ষাৰ্থীৰ শিক্ষা লাভৰ লগতে তেওঁলোকৰ মাজত লুপ্ত হৈ থকা প্ৰতিভাৰ দিসবোৰো প্ৰস্ফুটিত হৈ উঠে এই সুকীয়া মঞ্চবোৰৰ যোগেদি। তেওঁলোকৰ অন্তহীন আশাবোৰেও সেউজীয়া পাহি মেলে।

প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়েই নিদিষ্ট প্ৰতিভাৰ গৰাকী, সেই প্ৰতিভাৰ বিকাশৰ বাবে তেওঁলোকক প্ৰয়োজন নেতৃত্বৰ আৰু সুকীয়া সুযোগ সুবিধাৰ।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়খনৰ কিছুমান দায়িত্ব আছে। তেওঁলোকক প্ৰয়োজনীয় নেতৃত্ব, সুযোগ-সুবিধা দিবৰ বাবে সেই দায়িত্বত থকা ব্যক্তিসকলৰ কৰিব লগীয়া বহুত কামেই থাকে। কোনো ছাত্ৰ-ছাত্ৰীয়েক অনুপ্ৰেৰণা দি তেওঁলোকৰ প্ৰতিভাসমূহ বিকাশৰ বাবে সুযোগ প্ৰদান কৰিব লাগে। আমাৰ মহাবিদ্যালয়ত বহুতো প্ৰতিভাৱান শিক্ষাৰ্থী আছে। কিছু কিছু কাৰণত তেওঁলোক ইচ্ছা থকা সত্বেও আগুৱাই নাহে। ভয়, সংকোচ কৰি, তেনে ক্ষেত্ৰত তেওংলোকক ভয়, লাজ, সংকোচবোধ নাইকীয়া কৰিবৰ বাবে মহাবিদ্যালয়ত নাট কৰ্মশালা, আবৃত্তি কৰ্মশালা, নৃত্যৰ কৰ্মশালা আদিবোৰ মাজে-সময়ে সুবিধা মিলাই অনুষ্ঠিত কৰিব লাগে। তেতিয়া মই ভাবো তেওঁলোক উপকৃত হ'ব বুলি। বহুক্ষেত্ৰত দেখা পাওঁ যে মহাবিদ্যালয়খনিত অনুষ্ঠিত কৰা যি কোনো এটা অনুষ্ঠানত অংশ গ্ৰহণ কৰিবলৈ যাওতে বা কৰি থাকাৰ অৱস্থাতে, বাদ্যযন্ত্ৰী, শব্দযন্ত্ৰীৰ বিজুতি ঘটে এনে কাৰণ বোৰেও ছাত্ৰ-ছাত্ৰীৰ মনক সংকোচিত কৰি তোলে। এই ক্ষেত্ৰত সেই দিশৰ দায়িত্বত থকা লোক সকলো তৎপৰ হ'ব লাগে।

শেষত মই কওঁ যে সোণাৰি মহাবিদ্যালয়ে মোক সাংস্কৃতিক ক্ষেত্ৰখনত আগুৱাই যোৱাত বহুখিনি সহায় কৰিলে। আগলৈ যিয়েই নহওক অতীত আৰু বৰ্তমানে মই সুখী কিয়নো মহাবিদ্যালয়খনে মোক এখন মঞ্চ দিলে, মোৰ ক্ষুদ্ৰতম প্ৰতিভাৰ বিকাশৰ বাবে।

এখন নাটকে ছাত্ৰ-ছাত্ৰীসকলৰ বাস্তৱ জীৱনটোত বিশেষ প্ৰভাৱ পেলায়। যাৰ বাবে ই ছাত্ৰ-ছাত্ৰীসকলৰ আনুষ্ঠানিক শিক্ষাতো সহায়ক হয়।



# বিদায় বেলাৰ অনুভৱ

দিব্যজ্যোতি দত্ত
শিক্ষাতত্ব বিভাগ

কিনো লিখিম একোৱেই ভাবি পোৱা নাই। সঁচাই এক অবুজ বেদনা। 'বিদায়' শব্দটি সঁচাই বৰ করুণ। যিটো শব্দই সকলোৰে মনত যথেষ্ট কষ্ট দিয়ে। ২০১৫ চনৰ জুন মাহত এক নতুন আশা বুকুত বান্ধি সোণালী ভৱিষ্যতৰ বাবে ভৰি দিছিলো সোণাৰি মহাবিদ্যালয়ত। প্ৰথম অৱস্থাত মহাবিদ্যালয়ৰ পৰিৱেশ আছিল মোৰ বাবে সম্পূৰ্ণ অচিনাকী। ক্ৰমান্বয়ে এই অচিনাকীবোৰ সকলো চিনাকি হৈ উঠিছিল। মহাবিদ্যালয়ত প্ৰৱেশ কৰিয়েই পোৱা শাৰী-শাৰী গছবোৰ, সন্মুখৰ খেল পথাৰখন, লগতে ফুলৰ বাগিছাখনে প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰি তুলিছিল। আকৌতো নাপাম সোণাৰি মহাবিদ্যালয়ৰ সেই সোণসেৰীয়া দিনবোৰ। কলা পেন্ট আৰু বগা ৰঙৰ চাৰ্ট পিন্ধি মহাবিদ্যায়লৈ যোৱা সেই মুহূৰ্তবোৰে ভৱিষ্যতে বৰকৈ আমনি কৰিব।

প্ৰথম অৱস্থাত অচিনাকী- অচিনাকী লগা মহাবিদ্যালয়ৰ প্ৰত্যেকটো অংশৰ লগত ক্ৰমান্বয়ে এক সুন্দৰ আত্মীয়তা গঢ়ি উঠিছিল। চাৰি নম্বৰ শ্ৰেণী কোঠাত আৰম্ভ কৰা সোণাৰি মহাবিদ্যালয়ৰ শিক্ষা জীৱন দুই নম্বৰ শ্ৰেণীকোঠাত সমাপ্ত হৈছিল। বিভাগীয় শিক্ষাগুৰুসকলৰ লগতে আন আন শিক্ষাগুৰুসকলৰ লগত অতিবাহিত কৰা সময়বোৰ যথেষ্ট আনন্দদায়ক আছিল। বিশেষকৈ বিভাগীয় শিক্ষাগুৰুসকলৰ লগত কটোৱা নিবিড় সম্পৰ্কবোৰে আকৌ যেন মহাবিদ্যালয়খনলৈ হাত বাউল দি মাতে।

প্ৰকৃতিৰ চিৰাচৰিত নিয়ম অনুসৰি যদিও আজি সোণাৰি মহাবিদ্যালয়ৰ পৰা যাবগৈ লাগিব তথাপি লগত লৈ যাম হাঁহি-কান্দোন আৰু সুখ-দুখেৰে ভৰা এক মধুৰ স্মৃতি। সোণাৰি মহাবিদ্যালয়ৰ মৰম আৰু আশীৰ্বাদ কেতিয়াও পাহৰিব নোৱাৰো।

জিণিৰ সময়ত গছৰ তলত বহি লগৰবোৰৰ লগত পাৰ কৰা মুহূৰ্তবোৰ, মহাবিদ্যালয়ৰ পৰা বনভোজৰ বাবে বিভিন্ন ঠাইলৈ যোৱা সুন্দৰ তথা তিতা-মিঠা অভিজ্ঞতাবোৰে সদায় মানসপটত ভাঁহি থাকিব। বিভাগৰ পৰা 'Field Report' ৰ বাবে দিখৌমুখলৈ যোৱা সেই স্মৃতিবোৰেও বৰকৈ আমনি কৰিব। পুথিভঁৰালত কটোৱা সেই সময়কণ, বাতৰিখন পঢ়িবলৈ পুথিভঁৰাললৈ আকৌ যাবলৈ নাপাম।

মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ প্ৰত্যেকটো ক্ষেত্ৰতে অংশ গ্ৰহণ কৰিছিলো। তদুপৰি মহাবিদ্যালয়ত অনুষ্ঠিত কৰা বিভিন্ন অনুষ্ঠান তথা কাৰ্যসূচীৰ লগতো অতি নিবিড়ভাৱে জড়িত হৈ পৰিছিলো। সেই কথাবোৰে যে সঁচাকৈয়ে মনত বৰকৈ আমনি কৰিব। সোণাৰি মহাবিদ্যালয়ত দুটা বৰ্ষৰ শ্ৰেষ্ঠ তাৰ্কিকৰ লগতে ২০১৮ বৰ্ষত যেতিয়া শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী হিচাপে বিবেচিত হৈছিলো সেই সময়কন আছিল মোৰ বাবে আনন্দদায়ক তথা এক ভাল লগা মুহূৰ্ত। যিটো মুহূৰ্তই ভৱিষ্যতে মোক সোণাৰি মহাবিদ্যালয়ক মোৰ হৃদয়ৰ ভিতৰত সজীৱ কৰি ৰাখিব। মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰিয়েই অসমৰ বিভিন্ন প্ৰান্তত যথেষ্ট তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিলো। যি মোক অনাবিল অভিজ্ঞতা প্ৰদান কৰিলে।

সদৌ শেষত, সোণাৰি মহাবিদ্যালয় ভৱিষ্যতৰ উন্নতিৰ শিখৰত আগবাঢ়ি যাওঁক তাৰেই কামনা থাকিল।

'জয়তু সোণাৰি মহাবিদ্যালয়' ❁





# এৰি অহা পদূলিত স্মৃতিৰ খোজ

ৰেৱতী তেলী
প্ৰাক্তন ছাত্ৰী
শিক্ষা বিভাগ

গতিশীল জীৱনৰ বাচত কেতিয়াবা অতীতে বৰকৈ নষ্টালজিক কৰি তোলে। উভতি যাবৰ মন যায় অতীতৰ পৰা অতীতলৈ য'ত আছিল মুক্ত আকাশ, মুক্ত জীৱনৰ গান, চকুত আছিল হেজাৰ সপোন। এৰা, সপোনবোৰেই জীৱনটোক সাৰ্থক কৰি তোলে। ময়ো হেজাৰ সপোন বুকুত বান্ধি প্ৰথমবাৰৰ বাবে খোজ দিছিলো আজিওঁ মোৰ স্মৃতিৰ পটত জিলিকি থকা এই সোণাৰি মহাবিদ্যালয়ত। বহুতৰ লগতে মোকো মহাবিদ্যালয়খনৰ সেউজীয়াবোৰে যেন সাদৰেৰে আদৰিছিল। সঁচাকৈয়ে মহাবিদ্যালয়ৰ সেউজ পৰিৱেশে মোক খুউব আপ্লুত কৰিছিল। মহাবিদ্যালয়খন মোৰ বাবে সম্পূৰ্ণ এক নতুন পৰিৱেশ আছিল। বন্ধু-বান্ধৱী সকলো প্ৰায় নতুন আছিল। মই শিক্ষা বিভাগৰ এগৰাকী ছাত্ৰী আছিলো। আমাৰ বিভাগটোত স্নাতক প্ৰথম বৰ্ষৰ সেই বছৰটোত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আন বিভাগৰ তুলনাত কিছু কম আছিল। দুই-তিনিগৰাকীৰ বাহিৰে আমি সকলোৱে প্ৰায় লগতে কলেজৰ সময়বোৰ পাৰ কৰিছিলো। লাহে লাহে বন্ধুত্বৰ এনাজৰীডাল মজবুত হৈ পৰিছিল। আমাৰ বেছিভাগ বিৰতিৰ সময় কলেজৰ লাইব্ৰেৰীত নোট লিখা, উপন্যাস, আলোচনী পঢ়াত অতিবাহিত হৈছিল আৰু কেতিয়াবা মহাবিদ্যালয়ৰ সন্মুখত থকা আহল-বহল সেউজীয়া খেলপথাৰখনৰ দাঁতিয়ে দাঁতিয়ে থকা আমলখি গছৰ তলত। আজিও মনত পৰে সেইবোৰ দিন জলজল পটপটকৈ। সেই সময়ত শিক্ষা বিভাগৰ প্ৰধান আছিল মাণিক ছাৰ। তেখেতৰ অনুপ্ৰেৰণা জীৱনত পাহৰিব নোৱাৰো। লগতে ৰাণু মোহন বাইদেউ আৰু ৰাজীৱ কটকী ছাৰ। প্ৰথম অৱস্থাত মোহন বাইদেউৰ ক্লাছত খুউব ভয় খাই থাকো। কিন্তু পাছলৈ বাইদেউ মোৰ বাবে খুউব প্ৰিয় হৈ পৰিছিল। ভাল পাইছিলো বাইদেউৰ পাঠদান, বুজি পাইছিলো অনুশাসন। Teaching Practice ৰ বাবে আন বিদ্যালয়লৈ যাওঁতে বাইদেউৱে যথেষ্ট সহায় কৰিছিল আৰু বিশেষ guide দিছিল।

স্নাতক চূড়ান্ত বৰ্ষৰ ফলাফল ঘোষণা কৰা দিনটোত যিহেতু মই মহাবিদ্যালয়লৈ যোৱা নাছিলো তেতিয়া ছাৰে ফোন কৰি মোক অভিনন্দন জনাই পৰৱৰ্তী আঁচনিৰ কথা সুধিছিল। এক বুজাব নোৱাৰা আনন্দ লভিছিলো। কটকী ছাৰে আমাৰ লগত সদায় বন্ধুসুলভ ব্যৱহাৰ কৰিছিল। বিশেষকৈ practical class বোৰত ছাৰে খুউব সুন্দৰকৈ guide কৰিছিল। খুবেই ভাল লাগিছিল কলেজীয়া জোৱনটো। শিক্ষা বিভাগৰ সন্মুখত থকা ফুলনিখনও পাহৰিব নোৱাৰা। এদিন-দুদিনকৈ এনেকৈয়ে বাগৰি গৈছিল তিনিটা বছৰ। শেষ হৈছিল কলেজীয়া জীৱন। আঁতৰি আহিছিলো বন্ধু-বান্ধৱী আৰু শ্ৰদ্ধাৰ শিক্ষাগুসকলৰ পৰা। মুক্ত আকাশখনত যেন বিষাদৰ ডাৱৰে আৱৰি ধৰিছিল। বিদায় মাগিছিলো মহাবিদ্যালৰ পৰা। আৰম্ভ কৰিছিলো নতুন এটি সপোনৰ পম খেদি অন্য এক যাত্ৰা। ❁



# এটা দিন আৰু কিছু অনুভৱ

নিতুল মানকী
তৃতীয় যাণ্মাসিক
প্ৰাণী বিজ্ঞান বিভাগ



প্ৰতি বছৰে সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত শৰীৰ চৰ্চা প্ৰতিযোগিতা অনুষ্ঠিত কৰি অহাৰ দৰে এই বছৰো ইং ২৫-০১-২০১৮ তাৰিখে সোণাৰি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত শৰীৰ চৰ্চা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। এই প্ৰতিযোগিতাত মই সামৰ্থ অনুসৰি মিষ্টাৰ সোণাৰি কলেজ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হওঁ। এই দিনটো মোৰ বাবে এটা বহুত আনন্দ আৰু উৎসাহৰ দিন আছিল। এই বিশেষ দিনটোত মই মোৰ জীৱনৰ গতিপথত আগুৱাই যাবলৈ বহুতো অনুপ্ৰেৰণা লাভ কৰিলো।

আগতে মোৰ মিষ্টাৰ সোণাৰি কলেজ হোৱা বা বডিবিল্ডিং কৰাৰ কোনো সপোন বা আশা নাছিল। কেৱল মই সৰুৰে পৰাই ভাল পাইছিলো শাৰীৰিক ব্যায়াম। সেয়েহে মই প্ৰতিদিনে শাৰীৰিক ব্যায়াম কৰিছিলো। ক্ৰমান্বয়ে দিনবোৰ বাগৰি যোৱাত ২০১৫ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ সোণাৰি মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিলো। লাহে-লাহে বন্ধুবৰ্গৰ সৈতে চিনাকি হোৱাৰ পিছত তেওঁলোকে মোক এই শৰীৰ চৰ্চাৰ ক্ষেত্ৰত বহুতো অনুপ্ৰেৰণা দিবলৈ ধৰিলে। বন্ধুবৰ্গৰ তথা জেষ্ঠসকলৰ অনুপ্ৰেৰণাত অনুপ্ৰাণিত হৈ ঘৰতে 'হোম জীম'ত দৈনিক নিয়মিতভাৱে ব্যায়াম কৰিবলৈ আৰম্ভ কৰিলো আৰু এইয়াই মোৰ জীৱনৰ লক্ষ্যৰ প্ৰথম খাপ বুলি মনত ভাৱি সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত অনুষ্ঠিত শৰীৰ চৰ্চা প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি মিষ্টাৰ সোণাৰি কলেজ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হ'লো।

শাৰীৰিক ব্যায়াম এটা ভাল অভ্যাস। ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী সকলোৱে প্ৰতিদিনে নিয়মিত শাৰীৰিক ব্যায়াম কৰা উচিত। নিয়মিত শাৰীৰিক ব্যায়াম কৰিলে আমাৰ দেহত উৎপন্ন হোৱা অলাগতিয়াল পদাৰ্থ, যিয়ে আমাৰ শৰীৰক অসুস্থ কৰি তোলে। সেই বৰ্জিত পদাৰ্থবোৰ ঘামৰ জৰিয়তে দেহৰ পৰা বাহিৰ হৈ যায় আৰু দেহৰ বিভিন্ন অংগ-পেশীবোৰে সুচাৰুৰূপে কাম কৰি এক সুস্থ-সবল শৰীৰ আৰু মন গঢ়ি তোলাত সহায় কৰে। জীৱনৰ সঠিক বাটেৰে আগুৱাই যাবলৈ আমাৰ এটা সুস্থ শৰীৰ আৰু মনৰ খুৱেই প্ৰয়োজন।

শাৰীৰিক ব্যায়াম তথা শৰীৰ চৰ্চাৰ জৰিয়তে ভাৰতবৰ্ষৰ লগতে বিভিন্ন দেশৰ বহুতো ব্যক্তিয়ে বিশ্বজিনাৰ পথত আগুৱাই যাবলৈ সক্ষম হৈছে। বহুতো ব্যক্তিয়ে শৰীৰ চৰ্চা কৰি সক্ষম হৈছে। বহুতো ব্যক্তিয়ে শৰীৰ চৰ্চা কৰি সমগ্ৰ অসমলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে নিজকে একো একোজন সুস্বাস্থ্যৱান, প্ৰতিষ্ঠিত ব্যক্তি হিচাপে পৰিচয় দিবলৈ সক্ষম হৈছে।

সেয়েহে মই ভাবো দৈনিক নিয়মিত শাৰীৰিক ব্যায়াম আমাৰ অতি প্ৰয়োজন আৰু সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে নিয়মিত শাৰীৰিক ব্যায়মৰ অভ্যাস কৰি এক সুন্দৰ-সুস্থ-সবল শৰীৰ আৰু মন গঢ়ি এটা সবল সমাজ গঢ়াৰ চেষ্টা কৰে।

অৱশেষত এই লেখাৰ জৰিয়তে মোক এই শৰীৰ চৰ্চাৰ ক্ষেত্ৰত অনুপ্ৰাণিত কৰা তথা সহায় কৰা বন্ধ-বৰ্গ আৰু জেষ্ঠ সকলোকে অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।





# নীলা খামৰ চিঠি









প্ৰতীক্ষা বকল
পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ

পূজনীয়

'মা'

প্ৰথমে মোৰ অন্তৰৰ 'সঁফুৰা'ৰ পৰা তোমালৈ একাঁজলি মৰম যাচিলো। মোৰ 'খবৰ' বৰ্তমান ভাল। তোমাৰ ভালনে মা? দেউতাৰ ঔষধসমূহ 'দৈনিক' খুৱাইছা নে? মা, পঢ়া-শুনা মই 'সময়'মতে কৰি আছো। তুমি পঠোৱা 'নীলাখামৰ চিঠি'খন পালো। মা, 'প্ৰতিদিন' তোমাৰ কোলাত মূৰ থৈ শুই 'সপোন' দেখিবলৈ বৰ মন গৈছে। মোৰ 'সপোনৰ সোণাৰু' পাহেও মোৰ অন্তৰত 'ৰংমন' হৈ নাচি উঠে'। 'জনমভূমি'ৰ সুবিশাল বাৰ্তা কঢ়িয়াই আনে। 'সন্ধ্যা' উজ্বল আশাৰ বন্তি গছিয়ে 'জীৱনৰ বাটত' আগুৱাই যাবলৈ মোক দুগুণে 'প্ৰেৰণা' যোগালে। কেতিয়াবা বৰ নিসংগতাত ভূগো জানানে? তোমালোকৰ অবিহনে তেতিয়াই 'নাহৰৰ নিৰিবিলি ছাঁ'ত বহি 'সেউজী পাতৰ কাহিনী' শুনিবলৈ মন যায়। অ মা তুমি যে কোৱা 'দেউলাংখুই'ৰ কথা, এবাৰ কিন্তু হাতত তুলি চাবৰ মন আছিল। 'ছিয়েন নদীৰ ঢৌ'ত উঠা 'প্ৰতিচ্ছবি'ত। অ এটা কথা মোৰ 'প্ৰিয় সখী' 'জয়ন্তী'ক কবা মই এতিয়া 'ৰামধেনু'ৰ ৰঙবোৰ পাহৰি নাযাওঁ। মা ইয়াত থাকি মই তোমালোকৰ 'নিয়মীয়া বাৰ্তা'ও ভালদৰে নোপোৱা হ'লো। সুখত-দুখত একেলগে 'খোজ' পেলাবলৈ নাপাওঁ। তোমাৰ পৰা দূৰত থাকি কিছু হেৰুৱাইছো। তোমাৰ 'দৈনন্দিন' 'আশীৰ্বাদ'ৰে ভৰা সেই হাতৰ 'স্পৰ্শ'। কিন্তু কি কৰিম? পোৱা-নোপোৱা মাজতে 'এয়েইতো জীৱন'। 'জীৱন জীৱন বৰ অনুপম' এই জীৱনটো অকালতে মৰহি যাবলৈ নিদিও মই, মা তুমি 'চিন্তা' নকৰিবা।

শেষত, 'জোনাকী' ভন্টিক মৰম দিবা। ভালকৈ পঢ়িবলৈ ক'বা। দেউতা লগতে মা তোমাৰ 'স্বাস্থ্য' 'যত্ন' ল'বা আৰু দেউতাক মোৰ 'প্ৰণাম' জনাবা।

ইতি
তোমাৰ জীয়ৰী
'নন্দিনী'



**মানস প্ৰতিম বৰুৱা**
ষষ্ঠ ষাণ্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

**মৰমৰ**

প্ৰিয়া, কেনে আছা! আশাকৰিছো অদৃশ্য জনৰ কৃপাত সকলো ভালে-কুশলে অতিবাহিত হৈছে। মৰমৰ আৰু শ্ৰদ্ধাৰ বাইদেউক মোৰ শ্ৰদ্ধা আৰু মৰম যাচিলোঁ। দেউতা-মাঁলৈও মোৰ প্ৰণিপাত জনাইছো।

তুমি জানা প্ৰিয়া! জীৱনৰ সকলোবিলাক সময়ৰ সতে চলি গৈ আছে যদিও মই আজিও সেই ঠাইতে অকলশৰে ৰৈ আছো যি ঠাইতে তুমি মোক এৰি আহিছিলা। তোমাৰ সেই কাজল সনা চকুযুৰি সজল সজল চাৱনী, অভিমানেৰে ভৰা মৰমৰ মাতটিয়ে আজিও মোক প্ৰত্যেক ক্ষণতে বৰকৈ যন্ত্ৰণা দিয়ে অ' প্ৰিয়া! নাজানো কি ভুল কৰিলো, যাৰ কাৰণে সময়ে মোক ইমান যন্ত্ৰণা দিছে। তুমি নাথাকিলেও কিন্তু সদায়ে মোৰ হৃদয়ৰ নীৰৱ কোণত তোমাৰেই উপস্থিতিৰ উমান পাবা। ভালপোৱা, ভাললগা সদায় হৃদয়ত থাকে আৰু সময়ে তোমাক প্ৰতিটো ক্ষণতেই মোৰ উপস্থিতিৰ সম্ভেদ দিব প্ৰিয়া ...

আজিলৈ আৰু নিলিখো। সদৌ শেষত পুনৰবাৰ ভগৱানৰ ওচৰত তোমাৰ সুস্থ শৰীৰ আৰু মনৰ কামনাৰে সামৰিছো।

ইতি
তোমাৰ প্ৰিয়
বুমন (মাইনা)







**বৰষা ৰাজকুমাৰী**
তৃতীয় ষাণ্মাসিক
বুৰঞ্জী বিভাগ

**মোৰ মৰমৰ**

তুমি,

আজি বহুদিনেই হ'ল তোমাৰ কুশল-বাতৰি নোপোৱা। হয়তো তোমাৰ ব্যস্ততা নাইবা যান্ত্ৰিকতাৰ কাতৰত মোৰ ঠিকনাত যতি পৰিছে। এবুকু গধুৰ সেউজ ভাৱনাৰে অভিমানৰ টুকুৰাৰে হিয়াৰ মৰমৰ সঁফুৰাখন মেলি লৈছো মাথো তোমাৰ নামত। শুনিছানে মোৰ বুকুৰ ঢপঢপনি? অনুভৱ কৰিছানে মোৰ উশাহবোৰ বতাহৰ সৈতে মিলি মাথো তোমাৰ ঠিকনাত টুকুৰিয়াই। হয়তো তুমি অনুভৱ কৰা নাই। নাজানো মোৰ অনুভৱৰ টোপোলাবোৰ কেনেদৰে তোমাক দিওঁ যতনাই। বাৰে বাৰে খুন্দা মাৰি থকা ভাৱনাবোৰে বৰকৈ কষ্ট দিছে অ'। কষ্টবোৰ এটোপ-দুটোপকৈ চকুলো হৈ বাগৰিছে। জানানে তুমি প্ৰিয়াৰ লোতক হিম চেঁচা ভাৱনাৰে নিৰলে বাগৰিছে। কষ্ট বহুত, অভিমানো অযুত কিন্তু মোৰ মৰমৰ, জানানে তুমি!!! ... ভালপোৱাও যে বহুত। চকুৰ আঁতৰ হ'লে হৃদয়ৰ আঁতৰ হোৱা কথাষাৰ জানোছা সঁচা? মোৰ দেখুন ওলোটাহে, আঁতৰিয়ে বাঢ়িছে মৰমবোৰ। অপেক্ষাৰ ওৰণি গুচাই যিদিনা আহিবা তুমি সিদিনা অযুত সপোন সেউজ হ'ব। আজিলৈ সামৰো দেই। ভালদৰে থাকিবা আৰু স্বাস্থ্যৰ যতন ল'বলৈ নাপাহৰিবা।

ইতি
তোমাৰ
মৰম



**ৰিতুমণি বুঢ়াগোহাঁই**
চতুৰ্থ ষাণ্মাসিক
প্ৰাণী বিজ্ঞান বিভাগ

মৰমৰ

মাইনা

আশাকৰো তোমাক ভগৱানে কুশলে ৰাখিছে। মোৰ ভালেই। বহুদিন তোমাৰ একো খবৰ-বাতৰি পোৱাই নাই। ডাকোৱালজনৰ চাইকেলৰ টিলিঙা শুনিয়ে ওলাই আহো খৰধৰকৈ কিজানি আনিছেই তেওঁ হেঁপাহেৰে আশা কৰি থকা তোমাৰ চিঠিখন। হয়তো তুমি বৰ ব্যস্ত হৈ আছা ন? নহ'লে জানো তুমি মোলৈ ইমানদিনে চিঠি এখন নিদিয়াকৈ থাকানে? তুমি চিঠি নিলিখাৰ কাৰণে মই একো অসন্তোষ কৰা নাই জানা। এৰা তোমাৰ কৰ্তব্যই যিহেতু দেশমাতৃক সুৰক্ষা দিয়াৰ। সেয়ে ক'ত কেতিয়া যাব লগা হয় তাৰ একো ঠিক নাই। এনেদৰে ভাৱি সান্তনা লওঁ মই।

এটা কথা তুমি যোৱাৰ সময়ত ৰুই থৈ যোৱা তগৰ জুৰি লহপহকৈ বাঢ়ি বহুত ডাঙৰ হ'ল। এইবাৰ বহাগত ফুলিব হয়তো। তাত বহুকেইটা অকণ অকণ কলিও ওলাইছে বিহু পালেহিয়েই নহয়? তুমি এইবাৰ বিহুত আহিব পাৰিবা নে নোৱাৰা আক'। তোমাৰ বৰু মনত পৰেনে কেতিয়াবা আগতে যে আমি আঁহত তলত, নদীৰ পাৰত একেলগে বিহু মাৰিছিলো। মাজনিশা কেতেকীজনীৰ কৰুণ বিননিত সাৰপাই যাওঁ মই। খন্তেকলৈ তোমালৈ মনত পৰি বুকুখন বিষাদেৰে ভৰি পৰে। কিন্তু পাছুনবহুৰ্ততে গৰ্ববোধ কৰো তুমি যে কিমান ভাল দায়িত্ব পালন কৰিছা। দেশমাতৃৰ সুৰক্ষাত নিয়োজিত হৈ দেশৰ কিমান উপকাৰ কৰিছা। সদায় নিজৰ কৰ্তব্য সুচাৰুৰূপে পালন কৰিবা। কৰ্তব্যচ্যুত নহ'বা কেতিয়াও। ঘৰখনৰ কথা, মোৰ কথা চিন্তা নকৰিবা। আমাক ভগৱানে কুশলে ৰাখিব।

অ', শেষত আৰু এটা কথা। মাহঁতে তোমালোকৰ ঘৰৰ মানুহৰ লগত কথা পাতিছে, আমাৰ বিয়াৰ বিষয়ে। হয়তো এইবাৰ বহাগত তুমি আহিব পাৰিলে আঙুঠি টো পিন্ধাই থোৱাৰ কথা আছে। কথাটো ভাবিলেই মোৰ হিয়া উলাহতে সাতখন আঠখন হৈ পৰে। তোমাৰ মা-দেউতা, ভণ্টি সকলো মংগলে আছে।

পুনৰবাৰ কৈছো, নিজৰ স্বাস্থ্যৰ যত্ন ল'বা আৰু দায়িত্ব ভালদৰে পালন কৰিবা। মোৰ মৰম আৰু ভগৱানৰ আশীৰ্বাদ সদায় তোমাৰ লগত আছে।

শেষত মৰমেৰে,

ইতি
তোমাৰ
**ৰিতুমণি**

❋







**প্ৰতিস্মিতা বৰুৱা**
প্ৰথম ষাণ্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ

প্ৰতি,

মোৰ প্ৰিয়জন। বহুদিন তোমাৰ বাৰ্তা পোৱা নাই। তোমাৰ কথা ভাবি বহুকেইটা ৰাতি উজাগৰে কটাইছো। ভয় হয় জানোছা কিবা .....। তথাপিও ইয়াকে ভাবি সন্তোষ লভিছো যে তুমি আঁতৰি গৈছা দেশৰ স্বাৰ্থত। এ সময়ত তুমি মোৰ নহয়, তুমি যে দেশৰ। মনে মনে ঈশ্বৰক ইয়াকে মিনতি কৰিছো যে তুমি য'তেই থাকা, নিৰাপদে থাকা আৰু বিজয়ী হৈ উভতি আহা। তোমাৰ শিৰত যেন জিলিকি থাকে শত্ৰুক পৰাভূত কৰাৰ বিজয়ী মুকুত। আজি সহস্ৰ মাতৃৰ কোলা উদং হোৱাৰ, কত যে স্ত্ৰীৰ শিৰৰ সেন্দুৰ মচা, কত যে প্ৰিয়তমাৰ প্ৰিয়জনক হেৰুৱাৰ পৰা ৰক্ষা কৰা দায়িত্ব তোমাৰ। সেয়েহে, আজি তুমি মোৰ নহয়, তুমি দেশৰ ..... তুমি সমগ্ৰ জগতৰ।

তথাপিও ভয় লাগে। জানোচা হেৰুৱাওঁ তোমাক। সেই বেদনা, সেই চিন্তাৰ কল্পনাও, আহ! কি কষ্টকৰ। তথাপিও তুমি বিজয়ী হৈ ঘূৰি আঁহা। পুনৰ ঈশ্বৰৰ ওচৰত মোৰ এয়াই কাতৰ প্ৰাৰ্থনা।

ইতি
তোমাৰ
**প্ৰতিস্মিতা**

❋



# মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল


ড° ৰীতা দত্ত
মুৰব্বী
অসমীয়া বিভাগ


ড° ৰঘুনাথ কাগ্যুং
অসমীয়া বিভাগ


পদ্মা কুমাৰী গগৈ
অসমীয়া বিভাগ


বিজয়লক্ষ্মী গগৈ
অসমীয়া বিভাগ


কেশৰী ভূঞা
অসমীয়া বিভাগ


ড° সুনীল দত্ত
মুৰব্বী
ইংৰাজী বিভাগ


ড° দীপাঞ্জলী গগৈ
ইংৰাজী বিভাগ


অঞ্জুআৰা বেগম
ইংৰাজী বিভাগ


ড° অনিতা কোঁৱৰ
ইংৰাজী বিভাগ


জেবিন চুলতানা
ইংৰাজী বিভাগ


বিনোদ খনিকৰ
মুৰব্বী
ৰাজনীতি বিজ্ঞান বিভাগ


ড° চক্ৰপাণি পাতিৰ
ৰাজনীতি বিজ্ঞান বিভাগ


লাকী চেতিয়া
ৰাজনীতি বিজ্ঞান বিভাগ


দ্বীপজ্যোতি বড়া
ৰাজনীতি বিজ্ঞান বিভাগ


মিণ্টু গগৈ
মুৰব্বী
অৰ্থনীতি বিজ্ঞান বিভাগ


ড° পৰাণন কোঁৱৰ
অৰ্থনীতি বিজ্ঞান বিভাগ


সুশীল চুড়ী
মুৰব্বী
বুৰঞ্জী বিভাগ


দিব্যজ্যোতি কোঁৱৰ
বুৰঞ্জী বিভাগ


লিণ্ডি গড়ুইন
বুৰঞ্জী বিভাগ


ৰাজীৱ কটকী
মুৰব্বী
শিক্ষা বিভাগ


ড° প্ৰণিতা কলিতা
শিক্ষা বিভাগ


ধনদা কোঁৱৰ
শিক্ষা বিভাগ


দিপীকা বৰুৱা
শিক্ষা বিভাগ


নবীন গগৈ
মুৰব্বী
পদাৰ্থ বিজ্ঞান বিভাগ


ৰীণা বৰঠাকুৰ
পদাৰ্থ বিজ্ঞান বিভাগ


উৎপল কোঁৱৰ
পদাৰ্থ বিজ্ঞান বিভাগ


চয়নিকা বৰগোহাঁই
পদাৰ্থ বিজ্ঞান বিভাগ


ড° ৰাণা কোঁৱৰ
মুৰব্বী
ৰসায়ন বিজ্ঞান বিভাগ


অমৃত কুমাৰ বৰপূজাৰী
ৰসায়ন বিজ্ঞান বিভাগ


সুচিত্ৰ নাৰায়ন ৰাজখোৱা
ৰসায়ন বিজ্ঞান বিভাগ

# মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল


কাশ্মিৰী আহমেদ
ৰাসায়ন বিজ্ঞান বিভাগ


অৰূপ বৰগোহাঁই
ৰাসায়ন বিজ্ঞান বিভাগ


টংকেশ্বৰ বৰুৱা
মুৰব্বী
গণিত বিভাগ


ভূপেন চন্দ্ৰ দিহিঙ্গীয়া
গণিত বিভাগ


মুহিধৰ চেতিয়া
গণিত বিভাগ


মনোৰঞ্জন কোঁৱৰ
গণিত বিভাগ


ৰঞ্জিত চন্দ্ৰ বুঢ়াগোহাঁই
মুৰব্বী
উদ্ভিদ বিজ্ঞান বিভাগ


ফণীন্দ্ৰ কুমাৰ বৰুৱা
উদ্ভিদ বিজ্ঞান বিভাগ


প্ৰবীণ বড়া
উদ্ভিদ বিজ্ঞান বিভাগ


জেচমিন চেতিয়া
উদ্ভিদ বিজ্ঞান বিভাগ


পল্টু পাল
মুৰব্বী
প্ৰাণী বিজ্ঞান বিভাগ


ৰাণা কোঁৱৰ
প্ৰাণী বিজ্ঞান বিভাগ


জ্যোতিপ্ৰসাদ ফুকন
প্ৰাণী বিজ্ঞান বিভাগ


পূবালী গগৈ
প্ৰাণী বিজ্ঞান বিভাগ


নিৰ্মালী বৰকাকতি
অৰ্থনীতি বিজ্ঞান বিভাগ


দেৱযানি গগৈ
ৰাজনীতি বিজ্ঞান বিভাগ


নৱজ্যোতি দত্ত
ইংৰাজী বিভাগ


ভূপেন ফুকন
পদাৰ্থ বিজ্ঞান বিভাগ



মহাবিদ্যালয় গ্ৰন্থাগাৰৰ বিষয়া- কৰ্মচাৰীসকল


মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল

# আমাৰ গৌৰৱ (২০১৭-১৮)


শ্ৰেষ্ঠ দ'ল
(আন্তঃমহাবিদ্যালয় কাবাডী প্ৰতিযোগিতা)


নিতুল মানকী
মিষ্টাৰ সোণাৰি কলেজ
(মহাবিদ্যালয় সপ্তাহ)


দিব্যজ্যোতি দত্ত
শ্ৰেষ্ঠ তাৰ্কিক-সাহিত্যিক
(মহাবিদ্যালয় সপ্তাহ)


জ্যোতিৰ্ময় ৰায়চৌধুৰী
শ্ৰেষ্ঠ অভিনেতা
(মহাবিদ্যালয় সপ্তাহ)


প্ৰদ্যুৎ প্ৰীতম দত্ত
শ্ৰেষ্ঠ সহঃ অভিনেতা
(মহাবিদ্যালয় সপ্তাহ)


পাপৰী গগৈ
শ্ৰেষ্ঠ পৰিচালিকা-অভিনেত্ৰী
(মহাবিদ্যালয় সপ্তাহ)


পূবালী ফুকন
শ্ৰেষ্ঠ শিল্পী
(মহাবিদ্যালয় সপ্তাহ)


হৃদয় খাখলাৰী
শ্ৰেষ্ঠ সমাজসেৱক
(মহাবিদ্যালয় সপ্তাহ)


তৰুণ কোঁৱৰ
শ্ৰেষ্ঠ যুঁজাৰু আৰু স্বৰ্ণপদক বিজয়ী
(আন্তঃমহাবিদ্যালয় কাৰাটে প্ৰতিযোগিতা)


ৰূমা চাংমাই
স্বৰ্ণপদক বিজয়ী
(আন্তঃমহাবিদ্যালয় কাৰাটে প্ৰতিযোগিতা)


প্ৰণিতা চাংমাই
ৰূপৰ পদক বিজয়ী
(আন্তঃমহাবিদ্যালয় কাৰাটে প্ৰতিযোগিতা)


পিংকি দোলাকাষৰীয়া
ৰূপৰ পদক বিজয়ী
(আন্তঃমহাবিদ্যালয় টাইকোৱাণ্ডো প্ৰতিযোগিতা)


ঊষা মানকী
দ্বিতীয় স্থান প্ৰাপ্ত
(অল ইণ্ডিয়া ইন্টিটেশ্যনেল কাৰাটে-ডো চেম্পিয়নশ্বিপ)

# ছাত্ৰ একতা সভা





কল্যাণ গগৈ
সভাপতি



শিশিৰ কুমাৰ গগৈ
উপ-সভাপতি



হেমকান্ত দত্ত
সাধাৰণ সম্পাদক



ত্ৰিবেণী দিহিঙীয়া
সহঃ সাধাৰণ সম্পাদিকা



সুৰজিৎ ৰাজকোঁৱৰ
সম্পাদক
গুৰু খেল বিভাগ



নয়নজ্যোতি বড়া
সম্পাদক
লঘু খেল বিভাগ



বাবুল তেলী
সম্পাদক
আলোচনী বিভাগ



সঞ্জীৱ শইকীয়া
সম্পাদক
সাংস্কৃতিক বিভাগ



অম্লানজ্যোতি কোঁৱৰ
সম্পাদক
তৰ্ক বিভাগ



অভিজিৎ গগৈ
সম্পাদক
শৰীৰ চৰ্চা বিভাগ



দীপাঞ্জলী বাইলুং
সম্পাদিকা
সংগীত বিভাগ



প্ৰাৰিতা বুঢ়াগোহাঁই
সম্পাদিকা
সাহিত্য বিভাগ



সুৰজিৎ গগৈ
সম্পাদক
সমাজসেৱা বিভাগ



শৰৎ চন্দ্ৰ তাঁতী
সম্পাদক
ছাত্ৰ জিৰণী চ'ৰা
বিভাগ



ৰিতুমণি ফুকন
সম্পাদিকা
ছাত্ৰী জিৰণী চ'ৰা
বিভাগ

## ছাত্ৰ একতা সভাৰ

# বিষয়ববীয়াসকলৰ

## প্ৰতিবেদন

# সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনিতে যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু শ্ৰমৰ বিনিময়ত আমাৰ মহাবিদ্যালয়খন গঢ় লৈ উঠিলে সেইসকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি মাননীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ তথা সোণাৰি মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীক মোৰ শ্ৰদ্ধা আৰু আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

সোণাৰি মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সোণাৰি মহাবিদ্যালয়ৰ প্ৰথম সভাপতি হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনলৈ যি সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰিলে তাৰ বাবে সোণাৰি মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰিছো।

সোণাৰি মহাবিদ্যালয়ৰ সভাপতি হিচাপে মই কিমান দূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। তথাপি মোৰ সাধ্যানুসাৰে প্ৰতিটো দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে পালন কৰাৰ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত মোক দিহা পৰামৰ্শ আগবঢ়োৱা সকলোলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল। যদিহে মোৰ কাৰ্যকালত অজানিতে ভুল ক্ৰটি হৈছিল তাৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিলো। লগতে এই ক্ষেত্ৰত মোক পৰামৰ্শ আৰু উৎসাহ যোগোৱা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰীক লগতে সোণাৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ একতা সভাৰ সদস্যসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছো। আৰু প্ৰতিটো সময়তে সংগ দিয়া মৰমৰ বন্ধু-বান্ধৱী সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

শেষত সোণাৰি মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মই মোৰ সভাপতিৰ প্ৰতিবেদন সামৰিলো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**কল্যাণ গগৈ**
সভাপতি
ছাত্ৰ একতা সভা





# উপ-সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আগবঢ়োৱাৰ বাটচ'ৰাতে অসম আৰু অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত, অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠী, ভাষা সংস্কৃতি ৰক্ষাৰ স্বাৰ্থত, স্বদেশ-স্বজাতিৰ হকে দেশৰ ঐতিহ্য ৰক্ষা কৰিবলৈ যিসকলে জীৱন উৎসৰ্গা কৰিলে সেইসকল মহান শ্বহীদলৈ একাজঁলি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো।

সোণাৰি মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি মোৰ অতি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ মোৰ একাজঁলি শ্ৰদ্ধা নিবেদিছো।

লগতে সেই মহান ব্যক্তিসকললৈ, যিসকলৰ সৎ চিন্তা, সৎ প্ৰচেষ্টা, ত্যাগ আৰু নিঃস্বাৰ্থ সেৱাৰ বিনিময়ত এই জ্ঞান মন্দিৰৰ প্ৰতিষ্ঠা হ'ল, সেইসকল মহান ব্যক্তিলৈ মোৰ শতকোটি শ্ৰদ্ধা নিবেদন কৰিছো।

২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত উপ-সভাপতি পদলৈ মোক নিৰ্বাচিত কৰি সোণাৰি মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়াবলৈ যি সুযোগ প্ৰদান কৰিলে তাৰ বাবে সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰী তথা শুভাকাংক্ষীলৈ মোৰ তৰফৰপৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

বিগত বৰ্ষটিত ছাত্ৰ একতা সভাৰ উপ-সভাপতি আৰু বৰ্ষৰ শেষৰ ফালে সভাপতিৰ অনুপস্থিতত সভাপতিৰ দৰে এই গুৰু দায়িত্ব পালন কৰোতে মোক পৰামৰ্শৰ লগতে সহায় সহযোগ আগবঢ়োৱা প্ৰতিজন সোণাৰিয়ানলৈ আন্তৰিক ধন্যবাদৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

১) মহাবিদ্যালয়ৰ সপ্তাহ ঃ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শাৰীৰিক, মানসিক, বৌদ্ধিক আদি দিশৰপৰা সুপ্ত প্ৰতিভাসমূহ বিকাশ কৰাৰ মানসেৰে বৰ্ণাঢ্য কাৰ্যসূচীৰে বাৰ্ষিক সপ্তাহ অনুষ্ঠিত কৰা হয়।

২) আন্তঃমহাবিদ্যালয়ত যোগদান ঃ সোৱণশিৰি মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃমহাবিদ্যালয় কাবাডী প্ৰতিযোগিতাত সোণাৰি মহাবিদ্যালয়ক শ্ৰেষ্ঠ শৃংখলিত দল হিচাপে প্ৰথম পুৰস্কাৰ প্ৰদান কৰা হয়।

ডেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত আমাৰ মহাবিদ্যালয়ৰ দৰে তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে।

সোণাৰি মহাবিদ্যালয়ৰ হকে যিমানখিনি মোৰ কৰ্তব্য আছিল সকলোখিনি নিষ্ঠা সহকাৰে, সততা আৰু একান্ত ভক্তিৰে যিমানখিনি পাৰিছিলো সম্পূৰ্ণকৈ কৰিবলৈ চেষ্টা কৰিছিলো।

২০১৭-১৮ বৰ্ষটিত মহাবিদ্যালয়ৰ উপ-সভাপতি আৰু বৰ্ষৰ শেষৰ ফালে ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছত মহাবিদ্যালয়ক সকলো দিশত কিমান আগবঢ়াই নিবলৈ বা উন্নতি কৰিবলৈ সক্ষম হ'লো, সেইয়া বিচাৰ কৰিব আপোনালোকে।

শেষত মোৰ কাৰ্যকালত বিভিন্ন ক্ষেত্ৰত আৰু বিভিন্ন দিশত সহযোগিতাৰ লগতে দিহা-পৰামৰ্শ আগবঢ়োৱা সোণাৰি মহাবিদ্যালয়ৰ দাদা, বাইদেউ, বন্ধু, বান্ধৱী, ভাইটি, ভণ্টিসকলক কৃতজ্ঞতাৰ লগতে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি মোৰ অজানিতে হোৱা ভুল ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**শিশিৰ কুমাৰ গগৈ**
উপ-সভাপতি, ছাত্ৰ একতা সভা

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



সম্পাদকীয় প্ৰতিবেদনৰ প্ৰাক্‌ঃমুহূৰ্তত ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়খন প্ৰতিষ্ঠা কালৰেপৰা বৰ্তমান অৱস্থাত উপনীত হোৱাত যিসকল ব্যক্তিয়ে ত্যাগ স্বীকাৰ কৰিলে তেওঁলোকলৈ প্ৰণিপাত জনাইছো। তেওঁলোকৰ সৎ চিন্তা, ত্যাগ, আৰু নিঃস্বাৰ্থ সেৱাক ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ তৰফৰপৰা আন্তৰিক শ্ৰদ্ধা আৰু ধন্যবাদ জনাইছো।

এটি আশা, সপোন লৈ আহিছিলো চৰাইদেউ জিলাৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান আমাৰ সোণাৰি মহাবিদ্যালয়লৈ। আহিয়ে ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ অংশীদাৰ হোৱাৰ হেঁপাহ জাগিছিল। বন্ধু-বান্ধৱী আৰু সহপাঠীসকলৰ উৎসাহ, সহায়-সহযোগিতা আৰু মৰমৰ দাবীত সাধাৰণ সম্পাদক পদত প্ৰতিদ্বন্দ্বিতা আগ বঢ়াইছিলো। ছাত্ৰ-ছাত্ৰীৰ সমস্যাসমূহ সমাধান কৰা আৰু মহাবিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ বাবে এটা পৰিৱেশ সৃষ্টি কৰাৰ প্ৰতিশ্ৰুতিৰে সাধাৰণ সম্পাদক পদত বিজয়ী হৈছিলো। মোক এই সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক পুনৰবাৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সাধাৰণ সম্পাদক হিচাপে শপত গ্ৰহণৰ দিনাৰ পৰাই মহাবিদ্যালয়ৰ উন্নয়নৰ হকে কাম কৰিবলৈ আৰম্ভ কৰিছিলোঁ। সমস্যাসমূহৰ বিষয়ে কোৱাটো সহজ, কিন্তু সমাধন কৰাটো কঠিন। তথাপি আমাৰ সীমিত অভিজ্ঞতা আৰু সতীৰ্থসকলৰ সহযোগৰ লগতে মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰুসকলৰ দিহা-পৰামৰ্শত আমাৰ কৰণীয় কামবোৰ কৰাত সফল হৈছিলো। ছাত্ৰ একতা সভাৰ পুঁজিৰে কিছুমান কাম হাতত লৈছিলো। কেতিয়াবা সফল হৈছো আৰু কিছু ক্ষেত্ৰত সফল হ'ব পৰা নাছিলো। যিহেতু আমাৰ কাৰ্যকাল মাত্ৰ এবছৰ। এই এটা বছৰৰ ভিতৰত পৰীক্ষা, বন্ধ আদি থকা বাবে খুউব কম সময়েহে লাভ কৰিছিলো।

মহাবিদ্যালয় সপ্তাহ আৰু নৱাগত আদৰণি সভালৈ শিল্পী আমন্ত্ৰণ কৰিব লাগে বুলি ছাত্ৰ-ছাত্ৰীসকলৰপৰা দাবী উঠিল। আমি তেওঁলোকৰ দাবীৰ প্ৰতি সন্মান জনাই মহাবিদ্যালয়ৰ সপ্তাহৰ বঁটা-বিতৰণী সভাত শিল্পী ৰমেন দানহ আৰু নৱাগত আদৰণি সভালৈ অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দেৱজিত বড়াক আমন্ত্ৰণ জনাইছিলো। মহাবিদ্যালয়ৰ অনুষ্ঠানলৈ অসমৰ প্ৰতিষ্ঠিত শিল্পীক আমন্ত্ৰণ কৰি আমি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মহান হ'বলৈ চেষ্টা কৰা নাছিলো। তেওঁলোকৰ অনুষ্ঠান উপভোগ কৰি ছাত্ৰ-ছাত্ৰীৰ মুখত যি হাঁহি বিৰিঙিছিল, সেয়াই আমাৰ বাবে সুখ আছিল।

২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাই কৰা কাৰ্যাৱলী তলত উল্লেখ কৰা হ'ল—

১) ছাত্ৰ একতা সভাৰ কাৰ্যালয়টো পুনৰ মেৰামতি কৰা হয়।

২) মহাবিদ্যালয়ত অৱস্থিত শ্বহীদ বেদী নতুনকৈ সজাই তোলা হয়।

৩) মহাবিদ্যালয়ত অৱস্থিত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত ৰং কৰা হৈছিল।

৪) ছাত্ৰী জিৰণি কোঠা পুনৰ মেৰামতি কৰা হ'ল।

৫) মহাবিদ্যালয়ৰ কিছু শ্ৰেণীকোঠাত বৰষুণৰ পানী পৰিছিল। আমি মাননীয় অধ্যক্ষ মহোদয়ক এই বিষয়ে অৱগত কৰাত উন্নত মানদণ্ডৰ টিনপাত লগাই দিছিল।

৬) দুখনকৈ বেডমিণ্টন ক'ৰ্ট আৰু দুখনকৈ টেবুল টেনিছ ক'ৰ্ট অনা হ'ল।

৭) মহাবিদ্যালয়ত নতুন গেইট লগোৱা হ'ল।

৮) 'শ্লেপ'ৰ সংখ্যা বৃদ্ধি কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল। বৰ্তমান ইয়াৰ কাম আৰম্ভ হৈছে।

৯) ছাত্ৰী নিবাসৰ পানীৰ সমস্যা দূৰ কৰিবলৈ পানী টেংকী বঢ়োৱাৰ সিদ্ধান্ত লোৱা হৈছিল। ইয়াৰ কাম অতি শীঘ্ৰে আৰম্ভ হ'ব।

১০) এটা বিল্ডিঙৰপৰা আন এটা বিল্ডিঙলৈ বৰষুণ দি থকা অৱস্থাত যাব পৰাকৈ ব্যৱস্থা হাতত লোৱা হৈছে।

১১) কেণ্টিন আৰু পুথিভঁৰালৰ নতুন ভৱন নিৰ্মাণ কৰা হ'ব। কেণ্টিনৰ কাম আৰম্ভ হৈছে। পুথিভঁৰালৰ কাম কম সময়ৰ ভিতৰত আৰম্ভ কৰা হ'ব।

ইয়াৰোপৰি ২০১৭ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় কাবাদী প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছিল আৰু ২০১৭ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে শ্ৰেষ্ঠ শৃংখলাবদ্ধ দলৰ সন্মান লাভ কৰিছিল। ইয়াৰোপৰি আমাৰ মহাবিদ্যালয়ৰ ১৪জনীয়া এটা ছাত্ৰ-ছাত্ৰীৰ দলে বিধান সভা পৰিদৰ্শন কৰাৰ এক বিৰল অভিজ্ঞতা লাভ কৰিছিল।

জয়তু সোণাৰি মহাবিদ্যালয়

জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**হেমকান্ত দত্ত**

সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা





# সহকাৰী সাঃ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মনিষীৰ অহোপুৰুষাৰ্থৰ ফলত সোণাৰি মহাবিদ্যালয়ে জন্ম লাভ কৰিছিল আৰু লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ প্ৰমুখ্যে শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ মোৰ তৰফৰপৰা সশ্ৰদ্ধ প্ৰণাম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে ছাত্ৰ-ছাত্ৰী তথা বন্ধুবৰ্গলৈ আন্তৰিক মৰম যাঁচিছো।

কৃতজ্ঞতা জনাবলৈ মোৰ ভাষা নাই। কাক এৰিম, কাক ধৰিম। ২০১৭-১৮ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে মনোনীত হোৱাৰ পিছত যিসকল ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুৱে বিভিন্ন দিহা পৰামৰ্শৰে কায়িক আৰু মানসিকভাৱে কাৰ্যকালত সহায়ৰ হাত আগবঢ়ালে তেওঁলোকক কৃতজ্ঞতা নজনালে মোক দোষে চুব। বিগত বৰ্ষটিত ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে মই আন বিষয়ববীয়াসকলক বিভিন্ন কামত বিভিন্ন ধৰণেৰে সহায় কৰিছিলো। সোণাৰি মহাবিদ্যালয়ৰ হকে বহুতো কাম কৰাৰ অভিপ্ৰায় আছিল। মোৰ কাৰ্যকালত কিমান কাম কৰিব পাৰিলো সেয়া আপোনাসৱৰ বিচাৰ্য বিষয়।

প্ৰতিবেদনত অজানিতে বৈ যোৱা ভুল বাবে সকলোটিলৈকে মোৰ ক্ষমা ভিক্ষা মাগিছো। সোণাৰি মহাবিদ্যালয়খনি যেন উন্নতিৰ পথত আগবাঢ়ি এখন যেন আগশাৰীৰ মহাবিদ্যালয়লৈ পৰিণত হয় ইয়াৰ কামনাৰে প্ৰতিবেদন ইমানতে সামৰিছো।

জয়তু সোণাৰি মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

**ত্ৰিবেণী দিহিঙ্গীয়া**

সহকাৰী সাধাৰণ সম্পাদিকা

ছাত্ৰ একতা সভা

# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনিতে যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু শ্ৰমৰ বিনিময়ত আমাৰ মহাবিদ্যালয়খন গঢ় লৈ উঠিছে সেইসকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি মাননীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ তথা সোণাৰি মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীক মোৰ শ্ৰদ্ধা আৰু আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

সোণাৰি মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সোণাৰি মহাবিদ্যালয়ৰ গুৰু খেলবিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনলৈ যি সেৱা আগবঢ়োৱাৰ যি সুযোগ প্ৰদান কৰিলে তাৰ বাবে সোণাৰি মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীসকলক অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

সোণাৰি মহাবিদ্যালয়ৰ একতা সবাৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে মই কিমান দূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। তপাতি মোৰ সাধ্যানুসাৰে প্ৰতিটো দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত মোক দিহা-পৰামৰ্শ আগবঢ়োৱা সকলোলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল। মোৰ কাৰ্যকালত অজানিতে যদি ভুল হৈছিল তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। লগতে এই ক্ষেত্ৰত মোক পৰামৰ্শ আৰু উৎসাহ যোগোৱা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ শিক্ষাগুৰুসকল আৰু ছাত্ৰ-ছাত্ৰীসকলক কৃতজ্ঞতা লগতে সোণাৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ একতা সভাৰ সদস্যসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু প্ৰতিটো সময়তে সংগ দিয়া মৰমৰ বন্ধু-বান্ধৱীসকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

শেষত সোণাৰি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মই মোৰ গুৰু খেল বিভাগৰ সম্পাদৰ প্ৰতিবেদন সামৰিলো।

**সুৰজিৎ ৰাজকোঁৱৰ**
সম্পাদক
গুৰু খেল বিভাগ





# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



ইতিহাসে গৰকা সোণাৰি নগৰৰ গৌৰৱৰ প্ৰতীক সোণাৰি মহাবিদ্যালয়। সোণাৰি অঞ্চলৰ ভৱিষ্যতৰ কথা চিন্তা কৰি যিসকল মহান ব্যক্তিয়ে দিন ৰাতি এক কৰি এই জ্ঞানৰ মন্দিৰটি প্ৰতিষ্ঠা কৰিলে তেওঁলোকক মই প্ৰতিবেদনৰ আৰম্ভণিতে সেৱা জনাইছো। সোণালীৰ এই প্ৰতিবেদন পৃষ্ঠাৰ যোগেদিয়েই মই মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক এই সুযোগতে মৰম-চেনেহ, কৃতজ্ঞতা তথা শুভকামনা জ্ঞাপন কৰিছো।

মই ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিলো। সোণাৰি মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মই গৌৰান্বিত। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ আৰু এজন লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মোৰ কৰণীয় যিখিনি আছিল, মই সকলোবিলাক সুচাৰুৰূপে সম্পন্ন কৰিছিলো। বাৰ্ষিক ক্ৰীড়া সপ্তাহত মোক সম্পূৰ্ণৰূপে সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ ছাত্ৰ মোৰ বন্ধু, অগ্ৰজ, আৰু অনুজসকল ক্ৰমে বিদ্যুতং, বিতোপন, পংকজ, অৰিন্দম, কল্পজ্যোতি, দীপজ্যোতি, জিতু, লক্ষ্যজ্যোতি, পাৰ্থ, বিবিয়ান, কৌস্তভ, বিশাল, প্ৰত্যুষ, আব্দুল আৰু হৃদয়। এখেতসকলক মই প্ৰতিবেদনৰ যোগেদিয়েই ধন্যবাদ জনাইছো। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ নাম উজলাই তুলিছিল। মোৰ সম্পাদকীয় জীৱন সফল কৰিছিল মহাবিদ্যালয়ৰ ছাত্ৰ তৰুণ কোঁৱৰ, ছাত্ৰী ক্ৰমে প্ৰণিতা চাংমাই, ৰুমা চাংমাই আৰু পিংকী দোলাকাষৰীয়াই। তেখেতসকলৰ ভিতৰত তৰুণ কোঁৱৰ প্ৰথম বাৰৰ বাবে অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় কাৰাটে প্ৰতিযোগিতাত দুটাকৈ সোণৰ পদক অৰ্জন কৰাৰ লগতে 'শ্ৰেষ্ঠ কাৰাটে খেলুৱৈ (পুৰুষ)'ৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। ৰুমা চাংমাইয়ে এটা সোণৰ পদক আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিছিল, প্ৰণিতা চাংমাইয়ে এটা ৰূপৰ পদক লাভ কৰিছিল আৰু পিংকী দোলাকাষৰীয়াই আন্তঃমহাবিদ্যালয় টাইকোৱানদো প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰি মহাবিদ্যালয়ৰ নাম উজলাই তুলিছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰতে সোণাৰি মহাবিদ্যালয়ৰ নাম জিলিকাই তোলা মহাবিদ্যালয়ৰ সকলো খেলুৱৈকে মই অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছো যাতে এসময়ত তেওঁলোকে নিজকে একোজন আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ হিচাপে প্ৰতিষ্ঠা কৰিব পাৰে।

সোণাৰি অঞ্চলৰ জনসাধাৰণৰ আশাৰ ৰেঙণি, জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয় যাতে সকলো দিশতে আগবাঢ়ি যায় আৰু সমগ্ৰ অসমতে এক বিশেষ স্থান লাভ কৰি তাৰেই কামনা কৰিলো আৰু এই পৰ্যায়ত উপনীত হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলৰ যতপৰোনাস্তি চেষ্টা চলাবলৈ অনুৰোধ জনালো।

**নয়ন জ্যোতি বড়া**
সম্পাদক
লঘু খেল বিভাগ

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিয়ে এই পৱিত্ৰ মহাবিদ্যালয়খনি প্ৰতিষ্ঠাত বহুতো ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিলে, তেখেতসকললৈ মোৰ হিয়াভৰা একাজঁলি শ্ৰদ্ধা নিবেদিছো।

এই মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষৰ লগতে সন্মানীয় শিক্ষাগুৰুসকল আৰু মোৰ তত্বাৱধায়ক শ্ৰীযুত সুচিত্ৰ নাৰায়ণ ৰাজখোৱা ছাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সোণাৰি মহাবিদ্যালয়ৰ বিগত ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদকৰ দায়িত্ব অৰ্পণ কৰাৰ বাবে মই সমূহ সোণাৰি মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গক কৃতজ্ঞতা স্বীকাৰ কৰিছো।

সামাজিক কাৰ্যৰ প্ৰতি থকা প্ৰৱল আকৰ্ষণ আৰু জ্ঞান সুধা পাণ কৰি সৎ কৰ্ম আৰু সৎ আদৰ্শ ভাৱ অংকুৰিত কৰি মহাবিদ্যালয়ৰ প্ৰতি থকা শ্ৰদ্ধাৰ ফলস্বৰূপে শিক্ষাগুৰুসকলৰ উপস্থিতিত অতি উলহ মালহেৰে মহাবিদ্যালয়ত সকলো অনুষ্ঠান উদ্‌যাপন কৰা হয়।

আন্তঃমহাবিদ্যালয়ত যোগদান ঃ ডেৰ গাঁও মহাবিদ্যালয়ত তৰ্ক প্ৰতিযোগিতাত যোগদান কৰা হয়।

আন্তঃমহাবিদ্যালয়ত জীৱমহোৎসৱ যোগদান ঃ শিৱসাগৰ মহাবিদ্যালয়ৰ যুৱমহোৎসৱত অংশ গ্ৰহণ কৰি সোণাৰি মহাবিদ্যালয়ে শৃংখলাবদ্ধতাৰ শ্ৰেষ্ঠ পুৰস্কাৰ পাবলৈ সক্ষম হয়।

আন্তঃমহাবিদ্যালয় কাবাদী প্ৰতিযোগিতাত অংশ গ্ৰহণ।

সোৱণশিৰি মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয়ৰ কাবাদী প্ৰতিযোগিতাত সোণাৰি মহাবিদ্যালয়ে বিজয়ী হৈ গৌৰৱ কঢ়িয়াই আনে।

বিশ্বকৰ্মা পূজা ঃ মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদকৰ উদ্যোগত ছাত্ৰ একতা সভা আৰু ছাত্ৰ-ছাত্ৰী আৰু সমূহ শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিত অতি উলহ মালহেৰে উদ্‌যাপন কৰা হয়।

সৰস্বতী পূজা ঃ বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজা মহাবিদ্যালয়ত সাংস্কৃতিক সম্পাদকৰ উদ্যোগত ছাত্ৰ একতা সভাৰ সহযোগত আৰু ছাত্ৰ-ছাত্ৰী তথা সমূহ শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিত প্ৰতি বৰ্ষৰ দৰে এই বৰ্ষও অতি উলহ মালহেৰে এই পূজা উদ্‌যাপন কৰা হয়।

মহাবিদ্যালয় সপ্তাহ ঃ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জড়িত হৈ থকা শাৰীৰিক, মাসিক, বৌদ্ধিক আদি দিশৰ সুপ্ত প্ৰতিভাসমূহ বিকাশ কৰাৰ মানসেৰে বৰ্ণাঢ্য কাৰ্যসূচীৰে বাৰ্ষিক সপ্তাহ অনুষ্ঠিত কৰা হয়। প্ৰতিবৰ্ষত যিদৰে সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ অতি উলহ মালহেৰে অনুষ্ঠিত কৰা হয়। ঠিক এই বছৰো মহাবিদ্যালয়ৰ একতা সভাৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিত বৰ্ণিল শোভাযাত্ৰা আৰম্ভ কৰা হয়। ইয়াৰ পিছত সমূহ সম্পাদক-সম্পাদিকাই নিজ নিজ দায়িত্ব মৰ্মে প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

উল্লেখযোগ্য যে প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰি যিসকল প্ৰতিযোগীয়ে প্ৰতিযোগিতাখনিত বিভিন্ন স্থান লাভ কৰিবলৈ সক্ষম হ'ল, তেখেতসকলক আন্তৰিক কৃতজ্ঞতা জনোৱাৰ লগতে উজ্জ্বল ভৱিষ্যত কামনা কৰিছো।

মহাবিদ্যালয়ৰ ১৭-১৮ বৰ্ষৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকল হ'ল—

অসমীয়া আধুনিক নৃত্য—

| | |
|---|---|
| প্ৰথম | ঃ পাপৰি গগৈ |
| উদগনিমূলক | ঃ পূজা ছেত্ৰী |
| | ঃ সুকন্যা ফুকন |

বিহুনৃত্য—

| | |
|---|---|
| প্ৰথম | ঃ অনামিকা গগৈ |
| দ্বিতীয় | ঃ ক্ষীৰুপ্ৰভা বৰা |





| | |
|---|---|
| দলীয় নৃত্য | — |
| নিচুকনি বঁটা | ঃ সাতসৰী নৃত্য দল |

একক অভিনয়—

| | |
|---|---|
| প্ৰথম | ঃ পাপৰি গগৈ |
| দ্বিতীয় | ঃ দিব্যজ্যোতি দত্ত |
| তৃতীয় | ঃ জ্যোতিৰ্ময় ৰায়চৌধুৰী |

নাটক প্ৰতিযোগিতা—

| | |
|---|---|
| শ্ৰেষ্ঠ নাট্য দল | ঃ মকৰাজাল |
| দ্বিতীয় শ্ৰেষ্ঠ দল | ঃ এজাক ধুমুহাৰ শেষত |
| তৃতীয় শ্ৰেষ্ঠ দল | ঃ লুইত পৰীয়া বেদনা |
| শ্ৰেষ্ঠ অভিনেতা | ঃ জ্যোতিৰ্ময় ৰায়চৌধুৰী (চৰিত্ৰ ঃ নীলিম, নাটক ঃ লুইট পৰীয়া বেদনা) |
| দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা | ঃ দিব্যজ্যোতি দত্ত (চৰিত্ৰ ঃ মহিৰাম শইকীয়া, নাটকঃ সম্প্ৰীতি) |
| তৃতীয় শ্ৰেষ্ঠ অভিনেতা | ঃ বিপ্লৱ গগৈ (চৰিত্ৰ ঃ হাঁহিৰাম, নাটকঃ হাঁহি) |
| শ্ৰেষ্ঠ অভিনেত্ৰী | ঃ পাপৰী গগৈ (চৰিত্ৰ ঃ শান্তিপ্ৰিয়া বৰুৱা, নাটকঃ মকৰাজাল) |
| দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী | ঃ বিতুমণি বুঢ়াগোহাঁই (চৰিত্ৰঃ শৰ্মানী, নাটক ঃ এজাক ধুমুহাৰ শেষত) |
| তৃতীয় শ্ৰেষ্ঠ অভিনেত্ৰী | ঃ বৰষা দত্ত (চৰিত্ৰ ঃ পদুমী শইকীয়া, নাটক ঃ সম্প্ৰীতি) |
| তৃতীয় শ্ৰেষ্ঠ অভিনেত্ৰী | ঃ বৰষা ৰাজকুমাৰী (চৰিত্ৰ ঃ মানসী, নাটক ঃ সাতসৰী এচেৰেঙাৰ কিৰণ) |
| শ্ৰেষ্ঠ সহ অভিনেতা | ঃ প্ৰদ্যুৎপ্ৰতীম দত্ত (চৰিত্ৰ ঃ ঘনকান্ত, নাটক ঃ লুইত পৰীয়া বেদনা) |
| শ্ৰেষ্ঠ সহ অভিনেত্ৰী | ঃ সুৰঞ্জনা চেতিয়া (চৰিত্ৰ ঃ মহিলা, নাটক ঃ মুখ্য অতিথি) |
| শ্ৰেষ্ঠ কৌতুক অভিনেতা | ঃ সঞ্জীৱ শইকীয়া (চৰিত্ৰ ঃ কান্দুৰা, নাটক ঃ হাঁচি) |
| শ্ৰেষ্ঠ পৰিচালক | ঃ পাপৰি গগৈ (নাটক ঃ মকৰাজাল) |
| বিচাৰকৰ বিশেষ বঁটা | ঃ চয়নিকা নেওগ (চৰিত্ৰ ঃ বগীতৰা, নাটক ঃ মুখ্য অতিথি) |
| | ঃ লোপামুদ্ৰা মহন (চৰিত্ৰ ঃ চুমি, নাটক ঃ সাতসৰীৰ এচেৰেঙা কিৰণ) |
| | ঃ পল্লৱী প্ৰধান (চৰিত্ৰ ঃ অসমী, নাটক ঃ মকৰাজাল) |
| | ঃ বিৰাজ বৰগোহাঁই (চৰিত্ৰ ঃ বংশীধৰ, নাটক ঃ লুইত পৰীয়া বেদনা) |

মুকাভিনয়—

| | |
|---|---|
| প্ৰথম | ঃ দিব্যজ্যোতি দত্ত |
| দ্বিতীয় | ঃ সঞ্জীৱ শইকীয়া |
| তৃতীয় | ঃ বিদ্যুৎ হাজৰিকা |

মোৰ এবছৰ কাৰ্যকালত মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগটো বহুদূৰ আগবঢ়াবলৈ চেষ্টা কৰিছিলো। মোৰ সন্মানীয় অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ ছাৰৰ লগত মোৰ সন্মানীয় তত্বৱধায়ক শ্ৰীযুত সুচিত্ৰ নাৰায়ণ ৰাজখোৱা ছাৰ। সৌৰভজ্যোতি গগৈ দাদা, দীপু গগৈ, ৰিদীপ বৰুৱা, বৰষা ৰাজকুমাৰী, প্ৰিয়ংকা গগৈ বা, ইত্যাদি মোৰ বন্ধু-বান্ধৱী লগতে অনিচ্ছাকৃতভাৱে নাম থাকি যোৱা সকলোলৈ মোৰ বহু কৃতজ্ঞতা।

সামৰণি ঃ মোৰ কাৰ্যকালত আধৰোৱা কামখিনি নতুনকৈ হোৱা সাংস্কৃতিক সম্পাদকৰ হাতত অৰ্পণ কৰিলো। সোণাৰি মহাবিদ্যালয়ৰ এই বৃহৎ শিক্ষা অনুষ্ঠনটিৰ সাংস্কৃতিক সম্পাদকৰ পদৰ দায়িত্বভাৰ গ্ৰহণ কৰোঁতে দোষ-ত্ৰুটি হোৱাটো স্বাভাৱিক। সেইহে আপোনালোকৰ ওচৰত অজাণিতে কৰা ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনা জনালো। সদৌ শেষত সোণাৰি মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ কৃতজ্ঞতাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

জয় আই অসম

জয়তু সোণাৰি মহাবিদ্যালয়

জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

সঞ্জীৱ শইকীয়া

সম্পাদক, সাংস্কৃতিক বিভাগ

# সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



সম্পাদকীয় একলমৰ প্ৰাক্-মুহূৰ্ততে যিসকল ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত এই জ্ঞানৰ মন্দিৰটি প্ৰাণ পাই উঠিছিল সেইসকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ লগতে তেওঁলোকক শ্ৰদ্ধাৰে সুঁৱৰিছো। আৰু বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমলচন্দ্ৰ গগৈ আৰু উপাধ্যক্ষ শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱা ছাৰৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সংগীত বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ মোৰ ফালৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচনৰ প্ৰাক্-মুহূৰ্তৰপৰা বৰ্তমান সময়লৈকে মোক প্ৰতিটো কামতে উৎসাহ আৰু সহযোগিতা আগবঢ়াই আহিছে তেওঁলোকক মই শলাগ লোৱাৰ লগতে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সংগীত সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতেই সকলোৰে হেঁপাহৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ আৰম্ভণি হৈছিল। এই সপ্তাহত সংগীতৰ বিভিন্ন প্ৰতিযোগিতা আয়োজন কৰিছিলো য'ত ছাত্ৰ-ছাত্ৰীসকলে বহুসংখ্যকে পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল। এই সময়চোৱাত সকলো ক্ষেত্ৰতে দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, ড° ৰীতা দত্ত বাইদেউ, অনিতা কোঁৱৰ বাইদেউকে প্ৰমুখ্য কৰি সকলো শিক্ষাগুৰু আৰু মোৰ কাৰ্যকালৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল আৰু মোৰ বন্ধু-বান্ধৱীসকললৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ৰ শুভাকাংশী হিচাপে মই এবছৰীয়া কাৰ্যকালত কিমান দূৰ সফল হ'লো এয়া আপোনালোকৰ বিচাৰ্য বিষয়। এবছৰীয়া কাৰ্যকালত মোৰ বহুতো ভুল-ত্ৰুটি হৈছিল যদি আপোনালোকে ক্ষমা কৰি দিয়ে যেন। বাৰ্ষিক ক্ৰীড়া সপ্তাহত ছাত্ৰ-ছাত্ৰীসকলে যি পাৰদৰ্শিতা দেখুৱাইছিল এয়া অতি প্ৰশংসাৰ বিষয়। আশা কৰো ভৱিষ্যতে তেওঁলোকে জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে আৰু অনাগত দিনৰ অন্যান্য ক্ষেত্ৰটো সফল হৈ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিব। আৰু মহাবিদ্যালয়ৰ সোণালী ঐতিহ্য তথা সন্মান চিৰযুগমীয়া কৰি ৰাখিব আৰু মহাবিদ্যালয়ৰ অন্যান্য ক্ষেত্ৰৰ লগতে সংগীতৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ নাম বিশ্ব দৰবাৰত চিনাকি দিবলৈ সক্ষম হ'ব।

সৰ্বশেষত মোৰ কাৰ্যকালৰ অজানিতে হোৱা ভুলবোৰৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছো। আগন্তুক বৰ্ষৰ উক্ত বিভাগটি অধিক উন্নতি আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

জয়তু সোণাৰি মহাবিদ্যালয়

জয়তু মহাবিদ্যালয় ছাত্ৰ একতা সভা

দিপাঞ্জলী বাইলুং
সম্পাদিকা
সংগীত বিভাগ





# ২০১৭-১৮ বৰ্ষত অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ সংগীত প্ৰতিযোগিতাৰ ফলাফলসমূহ—

তাং ঃ ২৪-০১-২০১৮

**বৰগীত প্ৰতিযোগিতাৰ ফলাফল**

প্ৰথম ঃ পূবালী ফুকন
দ্বিতীয় ঃ মনিষা গগৈ
তৃতীয় ঃ বাৰ্লিনা চেতিয়া

**লোকগীত প্ৰতিযোগিতাৰ ফলাফল**

প্ৰথম ঃ দেৱজিৎ ফুকন
দ্বিতীয় ঃ বাৰ্লিনা চেতিয়া
তৃতীয় ঃ বিদ্যুৎ হাজৰিকা

তাং ঃ ২৫-০১-২০১৮

**জ্যোতি সংগীত প্ৰতিযোগিতাৰ ফলাফল**

প্ৰথম ঃ পূবালী ফুকন
দ্বিতীয় ঃ দেৱজিৎ ফুকন
তৃতীয় ঃ বাৰ্লিনা চেতিয়া
ঃ পবিত্ৰ খাকলাৰী

**পাৰ্বতী সংগীত প্ৰতিযোগিতাৰ ফলাফল**

প্ৰথম ঃ পূবালী ফুকন
দ্বিতীয় ঃ মনিষা গগৈ
তৃতীয় ঃ বাৰ্লিনা চেতিয়া

২৭-০১-২০১৮

**বিষ্ণুপ্ৰসাদ ৰাভা সংগীত প্ৰতিযোগিতা ফলাফল**

প্ৰথম ঃ পূবালী ফুকন
দ্বিতীয় ঃ বাৰ্লিনা চেতিয়া
তৃতীয় ঃ মনিষা গগৈ

**ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ ফলাফল**

প্ৰথম ঃ পূবালী ফুকন
দ্বিতীয় ঃ বাৰ্লিনা চেতিয়া
তৃতীয় ঃ হিমাশ্ৰী শইকীয়া

২৯-০১-২০১৮

**বিহুগীত প্ৰতিযোগিতাৰ ফলাফল**

প্ৰথম ঃ বিপ্লৱ গগৈ
দ্বিতীয় ঃ কিংশুক গগৈ
তৃতীয় ঃ জ্যোতিময়ী গগৈ
ঃ হিমাশ্ৰী শইকীয়া
উদগনি ঃ দিপাঞ্জলি বাইলুং

**আধুনিক গীত প্ৰতিযোগিতাৰ ফলাফল**

প্ৰথম ঃ পূবালী ফুকন
দ্বিতীয় ঃ বিদ্যুৎ হাজৰিকা
তৃতীয় ঃ পূৰ্ণকান্ত সিং ৰাজপুত

**জয়ন্ত সংগীত প্ৰতিযোগিতাৰ ফলাফল**

প্ৰথম ঃ পূবালী ফুকন
উদগণি ঃ বাৰ্লিনা চেতিয়া



# সাহিত্য বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক্ বুলনিতে ইতিহাসে গৰকা জ্ঞানৰ বীজ সিঁচি আলোকিত কৰি তোলা সোণাৰি মহাবিদ্যালয়লৈ শতকোটি প্ৰণাম যাঁচিছো।

আৰম্ভণিতেই সোণাৰি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়ক প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ অধ্যাপক, অধ্যাপিকা আৰু সমূহ কৰ্মচাৰীবৃন্দ তথা ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা, মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদিকা হৈ মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰঋণী। দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত অপোনালোকৰ সহায়-সহযোগিতা আৰু পৰামৰ্শৰে যিমান দূৰ সম্ভৱ আগুৱাই যাবলৈ আৰু দায়িত্ববোৰ সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা কৰিছিলো।

বিভাগীয় সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই বাৰ্ষিক ক্ৰীড়া সমাৰোহ অনুষ্ঠিত হৈছিল। এই সমাৰোহত মোৰ দায়িত্ব হিচাপে সাহিত্য বিভাগৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিব লগা হৈছিল। এই প্ৰতিযোগিতাবোৰত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি প্ৰতিযোগিতাসমূহ সাফল্যমণ্ডিত কৰি তুলিছিল। প্ৰতিযোগিতাসমূহ সুন্দৰ আৰু সুচাৰুৰূপে পৰিচালনা কৰাত প্ৰতিটো মুহূৰ্তত সহায় আগবঢ়োৱা সাহিত্য বিভাগৰ শ্ৰদ্ধাৰ তত্বাৱধায়ক মহোদয়া দিপাঞ্জলী গগৈ বাইদেউলৈ আৰু বিচাৰকৰ দায়িত্ব লৈ সহায় কৰা সমূহ অধ্যাপক-অধ্যাপিকালৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

প্ৰতিটো কাৰ্যসূচীতসফলভাৱে আগবঢ়াই লৈ যোৱাত সহায় কৰা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে দাদা-বাইদেউ, ভাইটি-ভণ্টী আৰু সতীৰ্থসকললৈ মোৰ হিয়াভৰা ধন্যবাদ জ্ঞাপন কৰিছো।

এই সময়চোৱাত কিমানদূৰ আগবাঢ়িব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। সদৌ শেষত মহাবিদ্যালয়ৰ আগচোতাল জ্ঞানৰ পৰিসৰে যেন জিলিকি উঠে তাৰে কামনা কৰি অজানিতে বৈ যোৱা ভুল ক্ৰটিৰ ক্ষমা বিচাৰি মোৰ এই সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

**প্লাৰিতা বুঢ়াগোহাঁই**
সম্পাদিকা, সাহিত্য বিভাগ

## প্ৰতিযোগিতাৰ ফলাফলসমূহ

১) চিত্ৰাংকণ
উদগনিমুলক পুৰস্কাৰ— কাশ্যপ বৰুৱা

২) ক) ইংৰাজী বাতৰি পঢ়া
প্ৰথম — শৰ্মিষ্ঠা ৰয়

খ) অসমীয়া বাতৰি বঢ়া
প্ৰথম — দিব্যজ্যোতি দত্ত

৩) নীলা খামৰ চিঠি
প্ৰথম — বিতুমণি বুঢ়াগোহাঁই
দ্বিতীয় — অম্লানজ্যোতি কোঁৱৰ

৪) ঠাইতে লিখা কবিতা —
প্ৰথম — ৰিণা চাংমাই
দ্বিতীয় — পল্লৱী ফুকন

৫) শ্ল'গান
প্ৰথম — পল্লৱী ফুকন
দ্বিতীয় — স্কৌতভমণি চেতিয়া



৬) ঠাইতে লিখা গল্প
প্ৰথম — কৌস্তৱমণি চেতিয়া
দ্বিতীয় — কংকনা গগৈ

৭) কবিতা পাণ্ডুলিপি
উদগণিমূলক — কাশ্যপ বৰুৱা

৮) অসমীয়া কবিতা আবৃতি
প্ৰথম — দিব্যজ্যোতি দত্ত
দ্বিতীয় — প্ৰতিষ্ঠিতা বৰুৱা

৯) ইংৰাজী কবিতা আবৃতি
প্ৰথম — অনন্যা বৰগোহাঁই
দ্বিতীয় — তৰালি ডেকা

১০) শ্ৰেষ্ঠ সাহিত্যিক
দিব্যজ্যোতি দত্ত





# তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে মই সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় আৰু সোণাৰি মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুক মোৰ ফালৰপৰা শ্ৰদ্ধা নিবেদিছো।

সোণাৰি নগৰৰ মাজতে অৱস্থিত এই অঞ্চল তথা চৰাইদেউ জিলাৰ এখন উল্লেখযোগ্য মহাবিদ্যালয়ত মই অধ্যয়ন কৰিবলৈ পোৱাটো মোৰ বাবে এক বৰ্ণিল অধ্যায়। সোণাৰি মহাবিদ্যালয়ৰ দাদা-বাইদেউ, ভাইটি-ভণ্টী আৰু বন্ধু-বান্ধৱীসকলৰ মৰম স্নেহত মই ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ এটা সন্মানীয় বিষয়ৰ তৰ্ক বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হ'লো।

মোৰ কাৰ্যকালত মই মোৰ শ্ৰেষ্ঠতাখিনি সম্পূৰ্ণভাৱে উজাৰি দিলো। মোৰ লগতে অন্য সম্পাদকসকলক মহাবিদ্যালয় সপ্তাহত সম্পূৰ্ণভাৱে সহায় সহযোগিতা আগবঢ়ালো।

মোক এই ২০১৭-১৮ বৰ্ষৰ কাৰ্যকালত প্ৰত্যেকটো ক্ষেত্ৰতে সহায়ৰ হাত আগবঢ়োৱা মোৰ বিভাগৰ উপদেষ্টা মহেদয় শ্ৰীযুত প্ৰবীন বড়া ছাৰ, ড° প্ৰণিতা কলিতা বাইদেউ, আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমল গগৈ ছাৰ, গীপজ্যোতি কোঁৱৰ ছাৰ, ড° অনিতা কোঁৱৰ বাইদেউ তেখেতসকলক মোৰ ফালৰপৰা আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

বিগত কালচোৱাত যদি কিবা আজানিতে মোৰ দ্বাৰা ভুল হৈছিল তেন্তে মোক ক্ষমা কৰিব। সোণাৰি মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**অম্লানজ্যোতি কোঁৱৰ**
সম্পাদক
তৰ্ক বিভাগ

## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক্ বুলনিতে যিসকল মহান ব্যক্তিৰ অনেক ত্যাগ আৰু শ্ৰমৰ বিনিময়ত ঐতিহ্যমণ্ডিত আমাৰ মহাবিদ্যালয়খন গঢ় লৈ উঠিল। সেইসকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সোঁৱৰিছো। লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে সন্মানীয় শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ তথা সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ শ্ৰদ্ধা আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০১৭-১৮ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে প্ৰাৰ্থীত্ব আগবঢ়াই সুকলমে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনৰ প্ৰতি মোক সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীক এই সুযোগতে ধন্যবাদ যাঁচিছো।

সমাজসেৱা বিভাগৰ সম্পাদকৰূপে মই কিমান দুৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। তথাপি মোৰ সাধ্যানুসৰি মই মোৰ প্ৰতিটো কাৰ্যসূচী আৰু দায়িত্ব সফলভাৱে ৰূপায়ন কৰাৰ চেষ্টা কৰিলো। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত পোনপ্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগ আৰু পৰামৰ্শৰ আধাৰত 'চাফাই অভিযান' এক সামাজিক কাৰ্যসূচী অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত মই যথেষ্ট সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰি নিজৰ কৰ্তব্য কৰি গৈছিলো। তাৰোপৰি মহাবিদ্যালয়ৰ চৌহদ যিমান পৰিষ্কাৰ পৰিছন্ন কৰি ৰখাত গুৰুত্ব আৰোপ কৰা হৈছিল আৰু ইয়াৰোপৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰতিটো কাৰ্যসূচীতে সহায়ৰ হাত আগবঢ়োৱা হৈছিল।

মোৰ কাৰ্যকালত বিভিন্ন দিশৰপৰা সুস্থ, সবল তথা সু-পৰামৰ্শৰে হাত আগবঢ়োৱাৰ বাবে শ্ৰদ্ধাৰ সুশীল চুড়ী ছাৰ, ভূপেন দিহিঙীয়া ছাৰ, মুহিধৰ চেতিয়া ছাৰ, চক্ৰপানী পাতিৰ ছাৰৰ লগতে আন সকলো শিক্ষাগুৰুসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোক মোৰ প্ৰতিটো ক্ষেত্ৰত সহায় সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱ, দাদা-বাইদেউ আৰু ভাইটি-ভণ্টিসকললৈ ধন্যবাদ যাঁচিলো। মোৰ কাৰ্যকালত অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিসমূহৰ বাবে আপোনালোকৰ সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

সদৌ শেষত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মই মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰিলো।

জয়তু সোণাৰি মহাবিদ্যালয়

জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

**সুৰজিত গগৈ**
সম্পাদক
সমাজসেৱা বিভাগ





## ছাত্ৰ জিৰণী চ'ৰা সম্পাদকৰ প্ৰতিবেদন



সম্পাদকীয় একলমৰ প্ৰাক্মুহূৰ্ততে যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত এই জ্ঞানৰ মন্দিৰটি প্ৰাণ পাই উঠিছিল সেইসকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ পাছতো সোণাৰি মহাব্যিালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মই প্ৰতিবেদনৰ জড়িয়তে মৰম-চেনেহ, কৃতজ্ঞতা জ্ঞাপন কৰিছো।

২০১৭-১৮ বৰ্ষৰ সোণাৰি মহাবিদ্যায়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুবিধা প্ৰদান কৰিলে সেইসকল চিৰনমস্য মোৰ দাদা, বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটী-ভণ্টী আৰু মোৰ সমনীয়াসকললৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সৰ্বশেষত মোৰ কাৰ্যকালত অজানিতে ৰৈ যোৱা ভুল ত্ৰুটিবোৰৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো। জয় আই অসম।

জয়তু সোণাৰি মহাবিদ্যালয়

জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

**শৰৎচন্দ্ৰ তাঁতী**
সম্পাদক
ছাত্ৰ জিৰণি কোঠা

# ছাত্ৰী জিৰণী চ'ৰা সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু শ্ৰমৰ বিনিময়ত আমাৰ মহাবিদ্যালয়খন গঢ় লৈ উঠিল, সেইসকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে মাননীয় শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ তথা সকলো ছাত্ৰ-ছাত্ৰীক মোৰ শ্ৰদ্ধা আৰু আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

২০১৮-১৯ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰ জীৰণি চ'ৰা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীক এই সুযোগতে ধন্যবাদ যাঁচিছো।

ছাত্ৰী জিৰণী চ'ৰাৰ সম্পাদিকা হিচাপে মই কিমান দূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। তথাপি মোৰ সাধ্যানুসাৰে প্ৰতিটো দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে পালন কৰাৰ চেষ্টা কৰিলো। এইক্ষেত্ৰত মোক দিহা পৰামৰ্শ আগবঢ়োৱা সকলোটিলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল। মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিসমূহৰ বাবে আপোনালোকৰ সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিলো।

শেষত মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গিন উন্নতি কামনা কৰি মই মোৰ সম্পাদকীয় প্ৰতিবেদন ইমানতে সামৰিলো।

জয়তু সোণাৰি মহাবিদ্যালয়

**ৰিতুমণি ফুকন**
সম্পাদিকা
ছাত্ৰী জিৰণি চ'ৰা





# মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাসমূহ

(২০১৭-১৮ বৰ্ষ)




















Printed At:Hazarika Offset, Sivasagar, Ph:9854352717